জুলাই ২০০১ Rs. 10/-

চান্দমামা



For more information contact : Director, Tourism; Paryatan Bhavan; **Bhubaneswar** 751014 Ph. : (0674) 432177, Fax : (0674) 430887, **e mail** : ortour@dte.vsnl.net.in
website : orissa-tourism.com **Chennai** : 42/18, Mount Road, (2nd Floor), Gee Gee Complex, Pin – 600002, Telefax: (044) 8534090,
Calcutta : Utkal Bhavan,55 Lenin Sarani, Pin : 700013, Ph. : (033) 2443653, **New Delhi** : Utkalika, B/4 Baba Kharak Singh Marg, Pin – 110001, Telefax (011) 33645

10-7-2001

চান্দমামা

বৰ্ষ : ২৮ জুলাই ২০০১ সংখ্যা - ৭

এই সংখ্যাত আছে

কাহিনী

কৌশিকৰ তপস্যা (বেতাল কথা) পৃষ্ঠা ০৯

মূৰ্খ পণ্ডিত পৃষ্ঠা ২১

বুদ্ধিমতী বোৱাৰী পৃষ্ঠা ২৬

ভূষণৰ চন্দুক পৃষ্ঠা ২৭

ধূৰ্ত বৈদ্য পৃষ্ঠা ৩২

অবিশ্বাস্য এক মহান কৰ্য্য পৃষ্ঠা ৩৫

নিৰ্ভীক পৃষ্ঠা ৩৯

শাহু আইৰ বেমাৰ পৃষ্ঠা ৪৩

ৰাজমহিষীয়ে ৰন্ধা আহাৰ পৃষ্ঠা ৫৪

অযোগ্য পৃষ্ঠা ৬২

জয়ী কোন ? পৃষ্ঠা ৬৩

জ্ঞানপ্ৰদ ধাৰাবাহিক

যক্ষ পৰ্বত - ৫ পৃষ্ঠা ১৫

ঐতিহাসিক ঘটনা

ভাৰত কথা - ১৬ পৃষ্ঠা ২২

পুৰণি ধাৰাবাহিক

মহাভাৰত- ৬৪ পৃষ্ঠা ৪৭

চিত্ৰ কথা

অজেয় গৰুড়া - ৪ পৃষ্ঠা ৫৭

বিশেষ আলোচনা

সংবাদ প্ৰবাহ পৃষ্ঠা ০৬

এই মাহত যাৰ জন্ম পৃষ্ঠা ৩৮

ভাৰতৰ বিষয়ে জানি লোৱা পৃষ্ঠা ৫৭

ফটো নামকৰণ প্ৰতিযোগিতা পৃষ্ঠা ৬৬

এই মাহৰ বিশেষ আকৰ্ষণ

কৌশিকৰ তপস্যা (বেতাল কথা)

ভাৰত কথা

শাহু আইৰ বেমাৰ

যক্ষ পৰ্বত

Printed and Published by B. Viswanatha Reddi at B.N.K Press Pvt. Ltd., Chennai–600 026 on behalf of Chandamama India Limited, No.82, Defence Officers Colony, Ekattuthangal, Chennai - 600 097. Editor: Viswam

আপোনাৰ কোনোবা আপোনজন বিদেশত থাকে নেকি ? তেওঁলোকে ঘৰৰ স্নেহ হেৰুৱাইছে নেকি ?

তেওঁলোকক চান্দমামাৰ যিকোনো এটা ভাৰতীয় ভাষাৰ সংস্কৰণ উপহাৰ দিয়ক । তেওঁলোকৰ ভাষাতে তেওঁলোকৰ ঐতিহ্য উপহাৰ দিয়ক

চান্দমামা

অসমীয়া, বঙালী, ইংৰাজী, গুজৰাটী, হিন্দী, কানাড়া, মালয়ালম, মাৰাঠী, উড়িয়া, সংস্কৃত, তামিল আৰু তেলেগু

বৰঙণি

বিমান ডাকযোগে পৃথিবীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা

আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্ট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

পঠোৱাৰ ঠিকনা

SUBSCRIPTION DIVISION
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony,
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

চান্দমামা উপহাৰ দিয়ক ! ঘৰৰ স্নেহ উপহাৰ দিয়ক !!

সম্পাদক
বিশ্বম

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক

চেন্নাই
ফোন : ০৪৪-২৩৪৭৩৮৪, ২৩৪৭৩৯৯
e-mail:advertisements@chandamama.org

দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১ / ৬৫৬৫৫১৩ / ৬৫৬৫৫১৬

মুম্বাই
মিঃ শকীল মোল্লা
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬ / ২৬৫৩০৫৭

চান্দমামা পত্ৰিকা বিভাগ
৮২ নং, ডিফেন্স অফিচাৰ্চ কলনী,
একাডুথাঙ্গল, চেন্নাই - ৬০০০৯৭
ফোন : ২৩৪৭৩৮৪, ২৩৪৭৩৯৯
ফেক্স : ২৩৪-৭৩৮৪
E-mail : chandamama@chandamama.org

For USA
Single copy $2
Annual subscription $20
Residents of USA and Canada can mail their remittances to :
INDIA ABROAD
43 West 24th Street
New York,
NY 10010
Tel: (212) 929-1727
Fax (212) 627-9503
E-mail:mail@indiaabroad.com

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers; copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক

বি.নাগি ৰেড্ডি আৰু চক্ৰপাণি

চৰিত্ৰ গঠন

আজিৰ পৰা ৫৪ বছৰ আগতে জুলাই মাহত চান্দমামা প্ৰথম প্ৰকাশিত হৈছিল। সেই সময়ত শিশুসকলক Reading, riting আৰু' rithmatic- এই তিনিটা R শিকোৱাৰ কথা শুনা গৈছিল। আজি কেইবছৰমান আগতে চতুৰ্থটো R যোগ হয়, সেইটো আহিছে computeR–ৰ পৰা। ভাৰতৰ এজন অতি সন্মানিত প্ৰাক্তন আমোলাই কিছুদিন আগতে এখন ছাত্ৰ আৰু শিক্ষকৰ সভাত আৰু এটা R–ৰ কথা উল্লেখ কৰিছে। সেইটো হ'ল characteR– ৰ R. তেওঁ দুখ কৰি কৈছে যে সকলো বিষয়ে ছাত্ৰসকলক শিক্ষা দিয়া হয়, কিন্তু চৰিত্ৰৰ বিষয়ে শিকোৱা নহয়।

চৰিত্ৰৰ বিষয়ে কেৱল উপদেশ হে দিয়া হয়, আনুষ্ঠানিক ভাবে শিকোৱা নহয়। তেওঁ এইদৰে চৰিত্ৰৰ সংজ্ঞা দি কৈছে যে চৰিত্ৰ হ'ল সাহস, সমঅনুভূতিবোধ, ত্যাগ, দেশভক্তি আৰু সেই সকলোবোৰৰে ওপৰত হ'ল সত্যনিষ্ঠতা, যাক সহজ ভাষাত কোৱা হয় সজ চিন্তা, সজ কৰ্ম।

আমাৰ মহাকাব্য, পুৰাণ, উপাখ্যান, সাধুকথা, আনকি বুৰুঞ্জীতো এইবোৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ প্ৰচুৰ উদাহৰণ পোৱা যায়। দেৱ দেৱীসকলে মানৱৰ কল্যাণৰ বাবে পৃথিবীত আবিৰ্ভাৱ হৈ সেইবোৰ গুণৰে প্ৰকাশ ঘটাইছে।

এসময়ত গুৰুৰ ওচৰত থাকি চাৰিত্ৰ গঠনৰ শিক্ষা লোৱা হৈছিল। গুৰুসকলে নিজৰ জীৱনৰ তথা পূৰ্বৰ সিদ্ধ পুৰুষসকলৰ জীৱনৰ উদাহৰণ দি শিষ্যসকলক শিক্ষা দিছিল। আজি আৰু আমি সেই গুৰুসকলক লগ নাপাওঁ। বিকল্প হিচাবে আমি তেওঁলোকৰ জীৱনৰ অভিজ্ঞতাৰ কথা পঢ়িয়ে মানবীয় মূল্যবোধৰ কথা শিকিব লাগিব।

চান্দমামাৰ পঢ়ুৱৈ সকলে প্ৰায়ে কয় যে, যোৱা পাঁচটা দশকত আলোচনীখনে ইয়াত প্ৰকাশিত গল্প, নিবন্ধবোৰৰ মাজেদি উত্তম মানবীয় মূল্যবোধৰ কথা চিত্ৰিত কৰি আহিছে। যিটো কাম শিক্ষানুষ্ঠানবোৰে কৰিব পৰা নাই, চান্দমামাই সেই অভাৱ পূৰণ কৰিবলৈ সক্ষম হৈছে। চান্দমামাই জনপ্ৰিয় মাধ্যম গল্পৰ মাজেৰে পাঠ দান কৰিবলৈ অনতি পালমে শিক্ষাৰ ক্ষেত্ৰত প্ৰৱেশ কৰিব।

দেশৰ সকলো কোণৰ পৰা সম্ভৱতঃ অনতি পলমে এটা শ্লোগান শুনাৰ আশা কৰিব পাৰি, সেয়া হ'ল-'চান্দমামাৰ যোগেদি চৰিত্ৰ গঠন।'

সংবাদ প্ৰবাহ

এতিয়া কম হেলনীয়া হৈ আছে

পিছাৰ লিনিং টাৱাৰটো ৪০ চেন্টিমিটাৰ পোন কৰোতে ১০ বছৰ সময় লাগিছে। যেতিয়া টাৱাৰটোৰ সংস্কাৰৰ কাম আৰম্ভ হয় তেতিয়া এইটো লম্বঅৱস্থাৰ পৰা ১৩ ফুট দূৰত আছিল। এতিয়া সেইটো যিমান হালি আছে তিনিশ বছৰ আগতেওঁ সিমানেই আছিল। ১২ শতিকাৰ ৭০ৰ দশকত এইটো নিৰ্মাণ কৰাৰ পিচতে হালিবলৈ ধৰে। আধুনিক বিশ্বৰ নবম আশ্চৰ্য্য হিচাবে পৰিচিত এই টাৱাৰটো ইটালিৰ কৰ্তৃপক্ষই চোৱাচিতা কৰে আৰু ১৯৯৩ চনত এইটো পৰ্য্যটকসকলৰ বাবে বন্ধ কৰি দিয়া হয়। চৰকাৰী ঘোষণা মতে এইটো আকৌ অতি সোনকালে পৰ্য্যটকৰবাবে মুকলি কৰি দিয়া হব। ইয়াৰ বাবে প্ৰৱেশমূল্য লাগিব ১২ আমেৰিকান ডালাৰ (প্ৰায় ৫০০ টকা)

ভাৰতে গেগেৰিণক সন্মান জনাইছে

য়ুৰি গেগেৰিণক বিশ্বই প্ৰথম মানৱ মহাকাশচাৰী হিচাবে সোঁৱৰে। এই বছৰৰ ১২ এপ্ৰিলত এই ঐতিহাসিক উৰণৰ ৪০ বছৰ পূৰ্ণহোৱা উপলক্ষ্যে ভাৰতে গেগেৰিণৰ সন্মানাৰ্থে এটা ডাক টিকট প্ৰকাশ কৰিছে। য়ুৰি গেগেৰিণে ভস্তক-১-ত উঠি ১৯৬১ চনৰ ১২ এপ্ৰিলত মহাকাশলৈ গৈছিল আৰু ১০৮ মিনিট পৃথিবীক পৰিভ্ৰমণ কৰিছিল। যিজন এদিন এজন কৃষকৰ ল'ৰা হিচাবে পৰিচিত আছিল পিচত তেওঁৱেই প্ৰথম মহাকাশলৈ যোৱা মানব হিচাবে পৰিগণিত হয়। তেওঁৰ অভিযানটো কুৰি শতিকাৰ মানুহৰ শ্ৰেষ্ঠতম সাফল্য বুলি অভিহিত কৰা হয়।

ডট কম বুলি মাতিবা

মানুহে জ্যোতিষক বিশ্বাস কৰি অথবা মানুহৰ মাজত ভালদৰে পৰিচিত হবলৈ জীৱনৰ আধা বয়সতো নাম সলনি কৰাৰ বহুতো উদাহৰণ আছে। জেৰুজালেমৰ কম্পিউটাৰ প্ৰগ্ৰেমাৰ, টমাৰ কৃচ্চিৰ নাম সলোৱাৰ উদ্দেশ্য হল তেওঁৰ নামটো সাংকেতিক ভাবে ৰখা। তেওঁ নামটো সলনি কৰি ৰাখিছে টমাৰ ডট কম। ইন্টাৰনেট ঠিকনাৰ বাবে এতিয়া এইটো ভুল নকৰিবা! ইজৰাইল চৰকাৰ সেই নতুন নামটো গ্ৰহণ কৰিছে আৰু সেই নামতে পাৰ পত্ৰ আৰু পৰিচয় পত্ৰ প্ৰদান কৰিছে।

প্লেনৰ পাখীত উঠি যোৱা

আমেৰিকাৰ পিঙ্কফ্লয়ড গ্ৰুপৰ ড্ৰাম বাদক নিক মেচনৰ ১০ বছৰীয়া পুত্ৰ গাই মেচনে অলপতে এটা উৰণত বাইপ্লেনৰ পাখিত উঠি গৈছে। গাই হ'ল পাখীত উঠি উৰি যোৱা বিশ্বৰ আতাইতকৈ কম বয়সীয়া ল'ৰা।

চিঙ্গাপুৰলৈ স্পাইডাৰমেন উভতি আহিছে

ফ্ৰাঞ্চৰ এলেন ৰবাৰ্টৰ হবি আছিল বিশ্বৰ কিছুমান অতি ওখ স্কাইস্ক্ৰেপাৰত উঠা! যোৱা নৱেম্বৰ মাহত তেওঁ চিঙ্গাপুৰৰ এটা বেঙ্কৰ টাৱাৰৰ ২১ তলালৈ (প্ৰায় ৯০০ ফুট) বগাই যায়। কিন্তু পুলিচৎৰ অনুমতি নোলোৱা বাবে তেওঁলোকে ৰবাৰ্টক উৎসাহিত নকৰিলে! এতিয়া তেওঁ চিঙ্গাপুৰত থকা এচিয়াৰ ভিতৰতে ওখ হোটেলখনত চকু ৰাখিছে। তেওঁ এটা তাৰিখ ঠিক কৰাৰ পিচত পুলিচৰ ওচৰলৈ অনুমতিৰ বাবে যাব। তুমি বাৰু পুলিচে কি কব বুলি ভাবা? আগবাঢ়া বুলি কব নে?


A
ACTIVE
B
BUZZ
BOSS
C
CADET DX
D
DEVIL DX
E
ELEPHANT
F
FISH
G
GIRAFFE
H
HEN
I
INSECT
J
JOKER
K
KIDD DX
L
LI'L ANGEL
LAMBADA
LIMBO
M
MISSILE
MISS INDIA Jr
N
NEST
O
ORANGE
P
PIRANHA
Q
QUEEN Jr
R
ROBO COP
S
SPARKY
SALSA
T
TERMINATOR
HERO CYCLES
TA.5979.2001
The largest range of kids bikes
HERO CYCLES
THE ABC OF CYCLING

বেতাল কথা

কৌশিকৰ তপস্যা

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল । গছৰ ডালৰ পৰা মৰাশটো নমাই আনি কান্ধত পেলাই ললে । যেতিয়া তেওঁ শ্মশানৰ ফালে লাহে লাহে আগবাঢ়িবলৈ ধৰিলে তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, “মহাৰাজ, এই মাজনিশা চাৰিওফালে যেতিয়া ঘোৰ অন্ধকাৰে আবৰি ৰাখিছে তুমি নিৰ্ভিকভাৱে তাৰ মাজেৰে আগবাঢ়ি গৈ আছা ! তোমাৰ মনৰ দৃঢ়তাক যিমানে প্ৰশংসা নকৰক, সেয়াই যথেষ্ট নহয় । এই শ্মশানত ভূত-প্ৰেত আছে, হিংস্ৰ জন্তু আছে । সেইবোৰে যিকোনো সময়তে তোমাক আক্ৰমণ কৰিব পাৰে । তোমাৰ প্ৰাণলৈ অকনো ভয় নাই নে ? তোমাৰ এই সাহস দেখি মই আচৰিত হৈছো । তুমি



নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে এই দুঃসাহস কৰিছানে অন্যৰ উপকাৰ কৰাৰ উদ্দেশ্যে এই কাৰ্য্য কৰিছা? এই সংশয় মোৰ মনত থাকি গৈছে। তুমিতো জানাই মই তোমাৰ মঙ্গল চিন্তা কৰোঁ। তোমাৰ কিবা দুৰ্ঘটনা ঘটে বুলিহে মোৰ মনত ভয় হয়। বিভিন্ন বাধাৰ সন্মুখীন হৈও যি মানুহে নিজৰ লক্ষ্যত উপনিত হব পাৰে তেওঁহে প্ৰশংসাৰ যোগ্য। যি মানুহে নিজৰ লক্ষ্য পূৰণ কৰিবলৈ দেহ, মন, ধনেৰে সদায় যত্নবান হয়, আনকি নিজৰ জীৱনকো তুচ্ছ কৰে, মোৰ দৃষ্টিত তেনে মানুহহে ধন্য। কিন্তু মাজতে যদি কোনো বন্ধু বা গুৰুৱে আহি কয় এই কাৰ্য্যই তোমাক শোভা নাপায়, এইবোৰ এৰি পেলোৱা, আৰু তেওঁও যদি তেওঁলোকৰ কথা শুনি সেই কাৰ্য্য এৰি দিয়ে মোৰ দৃষ্টিত তেওঁক বিৱেকবান বুলি কব নোৱাৰি। বহুদিন আগতে কৌশিকেও আনৰ কথা শুনি এনেকুৱা ভুল কৰিছিল। তুমিও তেওঁৰ দৰে অবিবেকী হোৱাতো মই নিবিচাৰো। তোমাক সাৱধান কৰি দিবলৈ আৰু ভুল কৰাৰ পৰা ৰক্ষা কৰিবলৈ তোমাক তেওঁৰ কাহিনী কম। মনোযোগ দি শুনিবা।'' ইয়াকে কৈ বেতালে কৌশিকৰ কাহিনী কবলৈ আৰম্ভ কৰিলে।

বহুদিন আগৰ কথা। গুৰুমুখ নামৰ এজন পণ্ডিতৰ পাঠশালাত কৌশিক নামৰ এজন ছাত্ৰই অধ্যয়ন কৰিছিল। বিশ বছৰ বয়সতে তেওঁ সকলো শাস্ত্ৰ অধ্যয়ন সম্পূৰ্ণ কৰি শাস্ত্ৰজ্ঞৰ খ্যাতি লাভ কৰিছিল। ইয়াৰ পিছত ভৱিষ্যতে তেওঁ কি কৰিব ইয়াৰ বাবে গুৰুৰ ওচৰত পৰামৰ্শ বিচাৰিলে। তেতিয়া গুৰুৱে কলে, ''পুত্ৰ, তোমাৰ অদ্ভুত আৰু অসামান্য বুদ্ধি আছে। কিন্তু তোমাৰ মনত একাগ্ৰতাৰ অভাৱ। ইয়াৰ বাবে তুমি কিছুদিন তপস্যা কৰা। ভগবানে তোমাৰ আগত দেখা দি তোমাৰ কৰ্ত্তব্যৰ বিষয়ে কব।''

কৌশিকে দণ্ডকাৰণ্যলৈ গৈ এজোপা বিশাল বটগছৰ তলত বহি একান্ত মনে তপস্যা কৰিবলৈ ধৰিলে। তেওঁৰ তপস্যা কাৰ্য্য অদ্ভুত আছিল। তেওঁ প্ৰাতঃশতে উঠি দৈনন্দিন কাৰ্য্য সমাপ্ত কৰি অলপ ফলাহাৰ কৰি তপস্যাত বহি গৈছিল। সূৰ্য্যাস্তৰ পিছত তেওঁ পুনৰ ফলাহাৰ কৰি শুইছিল গৈ। এইদৰে তেওঁ সাত বছৰ ধৰি তপস্যা কৰিলে, তথাপিতো ভগবান আহি দেখা নিদিলে।

পণ্ডিত গুৰুমুখে দেশ ভ্ৰমণ কৰি ফুৰোতে সেই বটগছজোপাৰ তলত শিষ্য কৌশিকক দেখিবলৈ পালে। কৌশিকে গুৰুৰ আগত নিজৰ দুখৰ কাহিনী ব্যক্ত কৰিলে।

''তপস্যা কৰিবলৈ একাগ্ৰতাৰ অতি আৱশ্যক। তোমাৰ তপস্যা কাৰ্য্যত এই একাগ্ৰতাৰ অভাৱে বাধা স্বৰূপ হৈ দেখা দিয়া নাইতো?'' গুৰুমুখে সুধিলে।

''নাই গুৰুদেৱ,'' কৌশিকে কলে।

''ঠিক আছে। মই মণিপাল নামৰ এজন

ৰজাক দেখা কৰিবলৈ গৈ আছো। তাৰপৰা ঘূৰি অহাৰ পিছত তোমাৰ সমস্যাৰ উপযুক্ত পথ দেখুৱাম।" এইবুলি গৈ গুৰুমুখ তাৰ পৰা গুচি গ'ল।

সেই সময়ত ৰজা মণিপালৰ সম্মুখত এটা ডাঙৰ সমস্যাই দেখা দিছিল। তেওঁৰ আগৰ কাৰ্য্যদক্ষ কোষাধ্যক্ষ জনৰ মৃত্যু হোৱাত নতুন কোষাধ্যক্ষ এজন নিযুক্ত কৰাতো তেওঁৰ বাবে এটা ডাঙৰ সমস্যা হে দেখা দিছিল।

আগৰ কোষাধ্যক্ষজনে কোষাগাৰৰ সম্মুখতে থকা এটা ঘৰত তেওঁৰ পৰিয়ালৰ সৈতে বাস কৰিছিল। তেওঁ গভীৰ নিদ্ৰাত থাকিলেও কোষাগাৰৰ আশে পাশে কি হৈ আছে তেওঁ জানিব পাৰিছিল। ইয়াৰ বাবে মনৰ একাগ্ৰতা থকা দৰকাৰ। বিৰাগ, ভোগ আৰু বেগেও দাবী কৰি কৈছিল যে তেওঁলোকো এনে একাগ্ৰচিত্তৰ অধিকাৰী, সেয়েহে তেওঁলোকক কোষাধ্যক্ষ কৰিব লাগে। ৰজাই তেওঁলোকৰ দাবী সম্পৰ্কে কোনো সিদ্ধান্ত লব পৰা নাছিল।

সেই তিনিজনৰ ভিতৰত বিৰাগ আছিল সঙ্গীতজ্ঞ, ভোগ আছিল মহাভক্ত আৰু বেগ আছিল পৰিশ্ৰমী। তিনিওজনেই নিজকে অতি বিশ্বাসী বুলি কৈছিল। সেই তিনিজনৰ কাক নিযুক্ত কৰা হয় ৰজা সেই চিন্তাতে আছিল। ঠিক সেই সময়তে গুৰুমুখ তাত গৈ উপস্থিত হ'ল। ৰজা মণিপালে আনন্দ মনে তেওঁক আদৰ-অভ্যৰ্থনা জনালে। তাৰপাছত নিজৰ সমস্যাৰ কথা ব্যক্ত কৰি ৰজাই গুৰুমুখক কলে," আপুনি ঠিক সময়তে আহি পাইছে। মোক যি কোনো উপায়েৰে এই সমস্যাৰ পৰা ৰক্ষা কৰক।"

গুৰুমুখে তিনিওজনকে মাতি আনি কলে, "মই তোমালোক তিনিওজনৰে একাগ্ৰতাৰ পৰীক্ষা লব বিচাৰিছো। দণ্ডকাৰণ্যৰ এজোপা

বিশাল বটবৃক্ষৰ তলত মোৰ শিষ্য এজনে তপস্যা কৰি আছে।

তেওঁ তপস্যা কৰি থকাৰ সময়ত বিৰাগে তাত দুঘন্টা সময় গীত গাই থাকিব। একাগ্ৰচিত্তে যদি গীত গায় দুঘন্টাৰ ভিতৰত পচিশটা গীত গাব পাৰিব। বিৰাগে যেতিয়া গীত গাই থাকিব, তেতিয়া ভোগে শিৱৰ অৰ্চনাৰ বাবে কাঁইটীয়া ফুল চিঙি আনিব। একাগ্ৰচিত্তে যদি তেওঁ ফুল চিঙে কাঁইটে বিন্ধাৰ পৰা নিজকে বচাই এশ ফুল চিঙিব পাৰিব। সেইদৰে বেগেও সেই সময়ত কুঠাৰেৰে গছৰ শিপা কাটিব লাগিব আৰু একমনে কাম কৰিলে পঞ্চাশ ডাল শিপা কাটিবপাৰিব।"

তিনিওজনে গুৰুমুখৰ এই চৰ্ত মানি ললে।

পিছদিনাখন ৰজা, তেওঁৰ পৰিয়ালৰ কিছুমান সদস্য, গুৰুমুখ আৰু তেওঁলোক তিনিজন গৈ দণ্ডকাৰণ্যৰ সেই বট গছ জোপাৰ ওচৰ পালে। সেই সময়ত কৌশিকে চুকমুদি তপস্যাত নিমগ্ন হৈ আছিল।

তিনিওজন লোকে নিজৰ নিজৰ কামত লাগি গ'ল । ৰজা মণিপালে গুৰুমুখক কলে, "আপোনাৰ শিষ্যৰ তপস্যা বহুত কঠোৰ আৰু অদ্ভুত, তেওঁৰ ওচৰত ৰাতিপুৱাৰে পৰা ইমান গণ্ডগোল হৈ আছে, তথাপিতো তেওঁ একান্ত মনে ধ্যানমগ্ন হৈ আছে ।"

গুৰুমুখে হাঁহিমাৰি কলে, "মই মোৰ শিষ্যৰ পৰীক্ষা লোৱা নাই । মই বিৰাগ, ভোগ আৰু বেগৰ একাগ্ৰতাৰ পৰীক্ষা লব বিচাৰিছো ।" এইবুলি কৈ তেওঁ এজন সৈনিকক সুহুৰি বজাবলৈ কলে । তথাপিতো কোনেও ঘূৰি নাচালে । গুৰুমুখে নিৰ্দেশ দিয়া মতে কিছুমান সৈনিকে তেওঁলোক তিনিওজনৰে চাৰিওফালে তৰোৱালেৰে যুদ্ধ কৰি ঘূৰি থাকিল । তথাপিতো তেওঁলোক একেদৰেই থাকিল । ইয়াৰ পিছত এজন সৈনিকে বাঘৰ দৰে গৰ্জন কৰিলে, চৰাইৰ দৰে মাতিলে, চিঞৰি চিঞৰি কলে বানপানী আহিছে, তথাপিতো তিনিওজনৰ ওপৰত ইয়াৰ কোনো প্ৰভাৱ নপৰিল ।

দুঘন্টা সময়ৰ ভিতৰত বিৰাগে পচিশটা গীত গালে । ভোগে এশ ফুল তুলিলে আৰু বেগে ত্ৰিশডাল শিপা কাটিলে । তিনিওজনে নিজৰ নিজৰ কাৰ্য্য সম্পূৰ্ণ কৰিলে । এতিয়া আপুনিয়েই কওকচোন এই তিনিওজনৰ ভিতৰত কোন উপযুক্ত ?" ৰজা মণিপালে গুৰুমুখক সুধিলে ।

গুৰুমুখে মিচিকিয়া হাঁহি এটা মাৰি তিনিওজনকে ওচৰলৈ মাতি আনি কলে, "তোমালোক তিনিওৰে একাগ্ৰতাৰ আৰু এটা অন্য পৰীক্ষা আছে । তোমালোকে কামত ব্যস্ত থকাৰ সময়ত তোমালোকৰ আশে পাশে কি হৈছিল সেই বিষয়ে কব লাগিব । উত্তৰ কিন্তু শুদ্ধ হব লাগিব ।"

কিন্তু বিৰাগ, ভোগ আৰু বেগে তেওঁলোকৰ আশে পাশে কি হৈছিল একোকে নজানিছিল । সৈনিকৰ সুহুৰিৰ শব্দ, শুনাও নাছিল আৰু সৈনিকে তৰোৱালেৰে যুদ্ধ কৰা দেখাও নাছিল, আকৌ শুনা নাছিল চৰাইৰ মাত । বিৰাগ নিমগ্ন আছিল গীত গোৱাত, ভোগ ব্যস্ত আছিল ফুল চিঙাত আৰু বেগৰ দৃষ্টি আছিল গছৰ শিপা কটাত। তেওঁলোকৰ একাগ্ৰতা দেখি স্বয়ং ৰজাই অবাক হৈ ৰল ।

"এই তিনিজনৰ ভিতৰত যোগ্য কোন, ইয়াৰ সিদ্ধান্ত বুদ্ধি বা বলেৰে কৰিব নোৱাৰি, ইয়াৰ বাবে আৱশ্যকীয় তপোশক্তি মোৰ শিষ্যৰ আছে।" ইয়াকে কৈ গুৰুমুখে কৌশিকৰ নাম দুবাৰ মাতিলে ।

কিন্তু কৌশিকে লৰাচৰেই নকৰিলে । এইদৰে দহবাৰ মাতি গুৰুমুখ মনে মনে থাকিল ।

ৰজাই কৌশিকৰ একাগ্ৰতা দেখি স্তব্ধ হৈ ৰল। তেওঁক অভিনন্দন জনাবলৈ সন্ধিয়ালৈ ৰজা তাতেই থাকিল । সূৰ্য্যাস্ত হোৱাৰ লগে লগে কৌশিকে চকু মেলিলে ।

"আমাৰ বাবে তোমাৰ তপস্যা ভঙ্গ হোৱা নাইতো ?" গুৰুমুখে সুধিলে । কৌশিকে আনন্দ মনে শিৰ নত কৰি কলে, "গুৰুদেৱ, প্ৰাতঃকালত যেতিয়া মই তপস্যা আৰম্ভ কৰিছিলো তেতিয়া দুটা হাতীক এটা সিংহই খেদিছিল । পিছত চাৰিটা হৰিণে ইয়াতে চৰি ফুৰিছিল । এজন মানুহে পচিশটা গীত গাইছিল। এজনে হুমুনিয়াহ কাঢ়ি কাঁইটৰ মাজত ফুল চিঙি আছিল । এজনে গছ কাটি আছিল । কোনোবাই সুহুৰি বজাইছিল । কোনোবাই তৰোৱালেৰে যুদ্ধ কৰিছিল । বাঘৰ গৰ্জন আৰু চৰাইৰ মতো শুনিছিলো ।

আকৌ আপুনি মোৰ নাম ধৰি দহবাৰ মাতিছিল । এইদৰে মোৰ একাগ্ৰতা ভঙ্গ হোৱা কাম চলি আছিল, তথাপিতো মই লৰচৰ নকৰাকৈ তপস্যাতে মগ্ন আছো । এতিয়া চাগে মোৰ একাগ্ৰতাৰ ওপৰত আপোনাৰ বিশ্বাস হৈছে ।"

শিষ্যৰ উত্তৰ শুনি গুৰুমুখে হাঁহিমাৰি ৰজাক কলে, "ৰাজন, মই জানো আপুনি সুক্ষ্মদৰ্শী লোক। বিৰাগ, ভোগ, বেগৰ একাগ্ৰতাৰ লগে লগে মোৰ শিষ্যৰ তপস্যাৰ বিষয়েও আপুনি শুনিলে । কোষাগাৰৰ সম্মুখৰ ঘৰটো মোৰ শিষ্যক দিয়ক আৰু তেওঁকে কোষাধ্যক্ষ পদত নিযুক্তি দিয়ক । গছৰ পাত লৰিলেও মোৰ শিষ্যই শুনিবলৈ পাব আৰু কোষাগাৰৰ ধন ৰক্ষা কৰিব পাৰিব ।"

গুৰুমুখৰ কথাত ৰজাই সন্মতি দিলে । কৌশিকে নিৰাশ হৈ "গুৰুদেৱ" বুলি কৈ কিবা কব খুজিছিল, তেতিয়া গুৰুমুখে কৌশিকক কলে, "বাচা, মোৰ একান্ত ইচ্ছা তুমি ৰজা মণিপালৰ কোষাধ্যক্ষ হোৱা আৰু তুমি নিজৰ যোগ্যতাৰ পৰিচয় দি গৃহস্থী হৈ সুখে সন্তোষে জীৱন কটোৱা। ইয়াৰ দ্বাৰা দেশৰো ভাল হব তোমাৰো ভাল হব ।" ইয়াকে কৈ তেওঁ নিজৰ ঘৰলৈ আগবাঢ়িল ।

কাহিনী শেষ হোৱাৰ পিছত বেতালে ৰজাক

কলে, “মহাৰাজ, গুৰুমুখে ৰজা মণিপালক যি পৰামৰ্শ দিছিল, সেয়া যুক্তিযুক্ত আৰু বিৱেকপূৰ্ণ যেন লগা নাই।

সকলো শাস্ত্ৰতে পাৰ্গত, ভগবানৰ দৰ্শন লাভৰ বাবে কঠোৰ তপস্যাত মগ্ন কৌশিকক কোষাধ্যক্ষ কৰাৰ বাবে উপদেশ দিয়াটোও উচিত হোৱা নাই। লগতে একাগ্ৰতাৰ প্ৰতীক বিৰাগ, ভোগ আৰু বেগৰ প্ৰতি অন্যায় কৰা বুলি মই ভাবো। এইটো তেওঁলোকৰ বাবে অপমানজনকো। গুৰুমুখে তেওঁলোকৰ লগত পক্ষপাতযুক্ত ব্যৱহাৰ কৰিছে। ৰজাক সুক্ষ্মদৰ্শী বুলি কৈ ভালৰি লগাই গুৰুমুখে নিজৰ কথা কাম সমাধা কৰিছে। ইয়াৰ অন্তৰালত কি অভিপ্ৰায় আছে বাৰু ? মোৰ প্ৰশ্নৰ উত্তৰ জানিও যদি তুমি নোকোৱা, তোমাৰ মূৰটো টুকুৰা টুকুৰ হৈ যাব।”

ৰজা বিক্ৰমে কলে, “কোনো ব্যক্তিয়ে যদি নিজৰ বৃত্তিৰ উচ্চ শিখৰলৈ যাব খোজে তাৰ বাবে আৱশ্যক একাগ্ৰতাৰ। কেৱল বুদ্ধিমান হলেই নহব। যিটো বিৰাগ, ভোগ আৰু বেগৰ মাজত স্পষ্ট দেখা যায়। কিন্তু তপস্যা কৰি মহান কাৰ্য্য সাধন কৰিব খোজা কৌশিকৰ মাজত একাগ্ৰতাৰ অভাব। কোনো এটা বিষয়ে স্পষ্ট ভাবে বুজাতো বেলেগ কথা আৰু নিজৰ কাৰ্য্য সমাধানৰ বাবে তাক ব্যৱহাৰ কৰাতো বেলেগ কথা।

এই দুয়োটা বেলেগ বেলেগ কৌশল। কৌশিকৰ এনে গুণো নাই আৰু কৌশলো নাই। এই কাৰণে কৌশিকে তপস্যাত মগ্ন থকাৰ সময়তো তেওঁৰ আশে-পাশে কি ঘটিছে সেই বিষয়ে মনোযোগ দিছে আৰু তাক মনত ৰাখিছে। এনে ব্যক্তিয়ে কোষাধ্যক্ষ হোৱাৰ বাবে উপযুক্ত। এই পদৰ বাবে যি তিনিজন ব্যক্তিয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল তেওঁলোক নিজৰ নিজৰ বৃত্তিত একাগ্ৰতা থকা ব্যক্তি। কিন্তু তেওঁলোকৰ শক্তি আৰু সামৰ্থ সেই বৃত্তিৰ ভিতৰতে সীমাবদ্ধ। সেয়েহে তেওঁলোক সেই পদৰ বাবে যোগ্য নহয়।

গুৰুমুখে জানিছিল তেওঁ কম বেচি পৰিমাণে ৰজাক যি কথা কৈছিল সেই কথা ৰজাই ভালদৰে বুজিব পাৰিছে আৰু তাৰ অৰ্থও ভালদৰে উপলব্ধি কৰিব পাৰিছে। এই বাবে গুৰুমুখে ৰজাক সুক্ষ্মদৰ্শী বুলি প্ৰশংসা কৰিছিল।”

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ বেতালে শটোৰে সৈতে অদৃশ্য হৈ গ'ল আৰু গছৰ ডালত ওলমি থাকিল। বসুন্ধৰাৰ ৰচনাৰ ভিত্তিত

যক্ষ পৰ্বত

5

(খৰ্গবৰ্মা আৰু জীৱদন্তুই সিংহটোক শিথিল ভৱনৰ ফালে খেদি দিলে আৰু সেই ভৱনৰ পৰা ওলাই আহিবলৈ ৰাস্তা বিচাৰিবলৈ ধৰিলে । তেওঁলোকে তাত বহুতো শস্যৰ বস্তা পৰি থকা দেখিবলৈ পালে । সেই বস্তাবোৰত তেওঁলোকে জুই লগাই দিলে । তাৰ ওচৰৰ কোঠা এটাত কাৰোবাৰ চিঞৰ শুনিবলৈ পালে । তালৈ গৈ তেওঁলোকে সৰু কোঠা এটাত বৃদ্ধ এজনক বন্দী অৱস্থাত পালে ।)

খৰ্গবৰ্মা আৰু জীৱদন্তুক দেখিয়েই বৃদ্ধই তেওঁলোকক সুধিলে, “কোন তোমালোক? তোমালোকক দেখিতো সেই চোৰ পূজাৰিণীৰ শিষ্য যেন নালাগে । তোমালোক যিয়েই নোহোৱা, মোক ৰক্ষা কৰা । ওচৰৰ কোঠাত ধনবোৰ পুৰিব ধৰিছে । সেই গৰমত এইটো কোঠাৰ দেৱালবোৰো গৰম হৈছে, তাৰ গৰমতে মোৰ শৰীৰো জ্বলি যোৱা যেন লাগিছে ।”

“অলপ পিছতে ঘৰৰ চাল ভাঙি পৰিব,” এই বুলি কৈ জীৱদন্তুই বৃদ্ধৰ ওচৰলৈ আহিল । মন্ত্ৰদণ্ড ডালেৰে বৃদ্ধৰ হাতৰ শিকলি খুলি দিলে আৰু তৎক্ষণাত বৃদ্ধক বাহিৰলৈ লৈ আহিল ।

বৃদ্ধই তাৰপৰা ওলাই আহি চাৰিওফালে এবাৰ চকু ফুৰাই কলে, “বহুদিন পিছত মই মুক্তি পালো । সেই চোৰ পূজাৰিনীয়ে এই শিথিল নগৰীত এতিয়াও শাসন চলাই আছে নেকি ? তুমিতো এতিয়াও কোৱাই নাই তোমালোক কোন ?”

জীৱদন্তুই বৃদ্ধক আৰু বেচি কথা কবলৈ নিদি বৃদ্ধক কলে, “তোমাৰ জীৱনৰ পুৰণি ইতিহাস শুনিবলৈ মোৰ সময় নাই । পূজাৰিণীৰ আক্ৰমণৰ পৰা নিজকে ৰক্ষা কৰি আমি এতিয়াই জঙ্ঘললৈ যাব বিচাৰিছো । তুমি ইয়াতে থাকিব খোজা নে আমাৰ লগত

জঙ্ঘললৈ যাব খোজা ? প্ৰথমতে এইটো নিৰ্ণয় কৰি লোৱা ? বৃদ্ধই কিছুসময় মৌন হৈ থাকিল, তাৰপিছত কবলৈ ধৰিলে, "প্ৰতিশোধ নোলোৱাকৈ আৰু সেই চোৰ পূজাৰিণীক বধ নকৰালৈ মই কেতিয়াও ইয়াৰ পৰা নাযাও । মোৰ এই দুখলগা অৱস্থা দেখি মোৰ পুৰণি শিষ্যই নিশ্চয় মোক সহায় কৰিব।

তেওঁৰ সাহাৰ্য্যত মই সেই নীচ পূজাৰিণীৰ শৰীৰ টুকুৰা টুকুৰ কৰি পেলাম । সেই টুকুৰাবোৰ কাউৰি শগুণক খাবলৈ দি হে মই ক্ষান্ত হম ।"

জীৱদন্তই বৃদ্ধক কিবা কব খুজিছিল, এনেতে পূজাৰিনী, তান্ত্ৰিক আৰু জঁটা থকা ভূতুণী তাত আহি উপস্থিত হ'ল । পূজাৰিণীয়ে বুঢ়াক দেখি এটা অট্টহাঁহি মাৰি কলে, "বাঃ, এই বুঢ়াই বন্দীশালৰ এন্ধাৰ কোঠালিৰ পৰা বাহিৰ ওলাই আহিল । ইহঁত আতাইবোৰকে বন্দী কৰি মহাভূতৰ আগত বলি দিম ।" এইবুলি কৈ পূজাৰিণী আগবাঢ়ি আহিল ।

খৰ্গবৰ্মাই তৎক্ষণাত ধনুত বাণ লগাই পূজাৰিণীৰ ফালে টোৱাই কবলৈ ধৰিলে, "সাৱধান পূজাৰিণী, আৰু এখোজ আগবাঢ়ি আহিলে এই বাণে ডিঙিৰ পৰা তোমাৰ মূৰটো বেলেগ কৰি দিব ।"

এনেতে পূজাৰিণীৰ এজন শিষ্যই তেওঁৰ হাতত থকা শূলপাত ঘূৰাই ঘূৰাই কবলৈ ধৰিলে, "হে মহাশক্তি পূজাৰিণী, এই বুঢ়া পূজাৰী আৰু এই নতুন যুৱক দুজনক মন্ত্ৰ শক্তিৰে ভস্ম কৰি দিয়া ।"

"নাই, মই ইহঁতক ইমান সহজতে ভস্ম কৰি নিদিও । ইহঁতক মই মহাভূতৰ চৰণত নি বলি দিম ।" এই বুলি কৈ কাষতে থিয় হৈ থকা তান্ত্ৰিক আৰু জঁটা থকা ভূতুনীৰ ফালে চাই পূজাৰিণীয়ে কলে, "তোমালোকে থিয় হৈ কি চাই আছা ? ইহঁতক বন্দী কৰা ।"

পূজাৰিণীৰ কথা শুনি জীৱদন্তই হাঁহি মাৰি কলে, হে কুন্ধচ ভূত, তই ভূত নে ভূতুনী সেইটোও চিনা মস্কিল ! থিয় হৈ কি চাইছ ! আগতে মোক ধৰচোন, তাৰ পিছত দেখিবি কি হয় ।"

জঁটাথকা ভূতুনীয়ে ভয়াতুৰ তান্ত্ৰিকক কলে, "গুৰু, ইহঁত দুজনক ধৰি মই গিলি থওঁ ?"

"সেইটো নকৰিবা, মহাপূজাৰিণীয়ে সিহঁতক জীয়াই জীয়াই ধৰিবলৈ কৈছে । বেচি খৰখেদা কৰিলে কি হয় ঠিক নাই ।" তান্ত্ৰিকে ভূতুনীক কলে ।

তেতিয়া বৃদ্ধ পূজাৰীয়ে চিঞৰি কলে, "এতিয়া এই গুৰু দ্ৰোহিণীৰ কোনো মন্ত্ৰ

শক্তিয়ে কাম নিদিব । তাইৰ গোটেই মন্ত্ৰশক্তি মই কাঢ়িলৈ আহিছো ।”

“এইটো একেবাৰে মিছা কথা । এই বুঢ়া শিয়ালৰ কথা বিশ্বাস নকৰিবা,” এইবুলি কৈ তেওঁ বৃদ্ধ পূজাৰীৰ ফালে আগবাঢ়ি আহিল ।

“ৰবা,” বুলি কৈ খৰ্গবৰ্মাই পূজাৰিণীৰ হাতলৈ লক্ষ্য কৰি এপাত শৰ এৰিলে । শৰপাত হাতত লগাত পূজাৰিণীৰ হাতত থকা দণ্ডডাল মাটিত পৰি গ'ল । তাত উপস্থিত থকা দুজন শিষ্যই ভয়তে চিঞৰিবলৈ ধৰিলে, “পূজাৰিণীৰ মন্ত্ৰশক্তি নোহোৱা হৈ গৈছে । এতিয়া বৃদ্ধ পূজাৰীয়ে আমাৰ গুৰু ।” এনে সময়তে আৰু কিছুমান শিষ্য তালৈ আহিল।

বৃদ্ধ পূজাৰীয়ে আনন্দিত হৈ কলে, “বাঃ মহাভূত, কিমান বছৰ পিছত যে মোৰ শিষ্যসকলে আচল কথাতো জানিব পাৰিলে আৰু তুমি এওঁলোকক অন্ধকাৰৰ পৰা পোহৰলৈ লৈ আহিছা । আগৰদৰে ভবিষ্যতলৈও তোমাৰ আগত প্ৰাণী বলি দিম।” দাড়ি মোহাৰি থকা হাত দুখন তেওঁ ওপৰলৈ তুলি মহাভূতক প্ৰাৰ্থনা জনালে ।

জীৱদন্ত্ৰই বৃদ্ধ তান্ত্ৰিকৰ ফালে চাই চকুৰ টিপ মাৰি খৰ্গবৰ্মাক কলে, “খৰ্গ, এই বৃদ্ধ তান্ত্ৰিককো পূজাৰিণীৰ দৰে ক্ৰুৰ আৰু দুষ্ট যেন লাগিছে ।” তাৰপিছত তাত থকা শিষ্যসকলক কলে, “তোমালোকৰ ভিতৰৰ কথাত আমি সোমাব খোজা নাই । সমিলমিলেৰে তোমালোকেই মিমাংসা কৰি লোৱা ।

এনে সময়তে বৃদ্ধপূজাৰীৰ পক্ষৰ শিষ্য আৰু পূজাৰিণীৰ পক্ষৰ শিষ্যসকলে চিঞৰ বাখৰ কৰি মাৰা-পিটা কৰিবলৈ ধৰিলে ।

এই দৃশ্য দেখি খৰ্গবৰ্মাই কলে, জীৱ, এই

মাৰামাৰিত দুয়োজন চোৰ মান্ত্ৰিক আৰু তেওঁলোকৰ শিষ্যসকল মৰিব কিজানি ।”

মৰে যদি মৰিবলৈ দিয়া । এই শিথিল ভৱনত আবদ্ধ হৈ থকা ভোকাতুৰ সিংহটোৱে অন্ততঃ কিছু সময় পেট ভৰাই খাব পাৰিব।” জীৱদন্ত্ৰই কলে ।

ইয়াৰ পিছত খৰ্গবৰ্মাই তৰোৱালখন খাপৰ পৰা উলিয়াই কলে, “হে মান্ত্ৰিক, তুমি জঁটা থকা ভূতুনিক কোৱা, তাই যেন আমাক ইয়াৰ পৰা ওলাই যোৱাৰ পথ দেখুৱাই দিয়ে।”

“নিশ্চয়,” ইয়াকে কৈ মান্ত্ৰিক আগবাঢ়ি গ'ল । যোৱা ৰাতি যি সুৰঙ্গৰে তেওঁলোক নগৰলৈ আহিছিল, সেই সুৰঙ্গ পাৰ হৈ তেওঁ গুহাৰ দুৱাৰমুখ গৈ পালে ।

গুহাৰ পৰা তললৈ অহাৰ পিছত তেওঁ চাৰিওফালে এবাৰ চালে । তাৰ পিছত

মান্ত্ৰিকক কলে, "এতিয়া আপোনালোক শিথিল নগৰীলৈ উভতি যাওঁক আৰু ভক্তিভাবে মহাভূতৰ আৰাধনা কৰিব ।"

"অতি উত্তম কথা কৈছা বীৰবৰ । অকল এই জনমতে নহয় অহাজনমতো মহাভূতৰ আৰাধনাতে লাগি থাকিম । আমাৰ দৰে জীৱক ইয়াতকৈ বেচি আৰু কি লাগে ?" ইয়াকে কৈ মান্ত্ৰিক আৰু জঁটাথকা ভূতুনী তাৰ পৰা গুচি গ'ল ।

এনে সময়তে তাত হাহাকাৰ লাগিল । এটা উট আৰু তাৰ ওপৰত উঠি অহা এজন মানুহ পৰ্বতৰ পৰা পিচলি তলত পৰি গ'ল ।

খৰ্গবৰ্মা আৰু জীৱদন্ত্ৰ সেইফালে দৌৰি গ'ল । উটটোৰ পিছ ঠেংখন ভাঙিছিল আৰু সি বিষতে চট্‌ফটাই আছিল । উটৰ ওপৰত উঠি অহা মানুহজনেও আহতহৈ কেকাই আছিল । খৰ্গবৰ্মা আৰু জীৱদন্ত্ৰই মানুহজনৰ পোচাক দেখি অনুমান কৰিলে সেইজন ডকাইতবোৰৰ ভিতৰৰে এজন ।

জীৱদন্ত্ৰ মানুহজনৰ ওচৰলৈ আহি কলে, "বাঃ! তুমিতো বৰ ভাগ্যবান । ইমান ওখ পাহাৰৰ পৰা পৰাৰ পিছতো বেচি জখম নোহোৱাকৈ আছা ! সেই বেচেৰা উটটোৱে মৃত্যুৰ লগত যুদ্ধ কৰি আছে ।"

মানুহজনে ভয়তে কঁপি কঁপি জীৱদন্ত্ৰক কলে, "মহাশয় মোক নামাৰিব । গন্ডক মৃগ জাতিৰ লোকসকলৰ শস্য কাটি নিয়া ডকাইত মই নহয় । কথাটো সঁচা নে মিছা স্বৰ্ণাচাৰীক সোধাৰ পিছতহে গম পাব ।"

মানুহজনৰ কথা শুনি খৰ্গবৰ্মা আৰু জীৱদন্ত্ৰ আচৰিত হ'ল । তেওঁলোকে বুজিব পাৰিলে স্বৰ্ণাচাৰী জীয়াই আছে আৰু তেওঁ ডকাইতবোৰৰ লগতে আছে ।

খৰ্গবৰ্মাই তৰোৱালখন দাঙি লৈ মানুহজনক সুধিলে, "যদি তুমি গন্ডক মৃগ জাতিৰ শস্য কাটি নিয়া ডকাইতবোৰৰ ভিতৰত নাই, তেতিয়াহলে কেনেকৈ জানিব পাৰিলা যে আমি সিহঁতক বিচাৰি আছো ?"

আপোনালোকৰ বিষয়ে হাবিত লগ পোৱা বন্ধু এজনৰ পৰা গোটেই কথা জানিব পাৰিছো । আপোনালোকৰ বস্ত্ৰ আৰু অস্ত্ৰ সস্ত্ৰ দেখিয়ে মই চিনিব পাৰিছো । মোৰ কথা বিশ্বাস কৰক ।" এইবুলি কৈ সি নিজৰ মূৰত ধৰি শপত খালে ।

"বাঃ! তুমিতো দেখিছো বুদ্ধিত বৃহস্পতি। গুৰুকুল স্থাপন কৰি শিষ্যসকলক বিদ্যা শিক্ষা দিব পাৰিলা হেতেন নহয় নে ?

এই ডকাইতবোৰৰ লগ লগাৰ কিহৰ আৱশ্যক হ'ল ? উটৰ ওপৰত তুলি যে

শিলগুটিবোৰ লৈ গৈছিলা, কলৈ আৰু কিয় লৈ গৈছিলা ?" খৰ্গবমাই সুধিলে ।

"মহাশয়, আমাৰ চৰ্দাৰে ৰাজধানী আৰু দুৰ্গ নিৰ্মাণ কৰিব খুজিছে । স্বৰ্ণাচাৰীয়ে ইয়াৰ বাবে আৱশ্যকীয় পৰিকল্পনা তৈয়াৰ কৰিছে। তেওঁৰ আদেশ মতেই এই শিলগুটিবোৰ তালৈ লৈ যোৱা হৈছে ।" মানুহজনে কলে।

তেওঁলোক তিনিজন যেতিয়া কথাত ব্যস্ত হৈ আছিল, তেতিয়া পাহাৰৰ ওপৰত থকা চাৰিজন ডকাইতে তেওঁলোকক চিনিব পাৰিছিল । তেওঁলোকে গৈ স্বৰ্ণাচাৰীৰ আগত কথাটো কলে । কথা শুনি স্বৰ্ণাচাৰীৰ মনত আনন্দৰ সীমা নোহোৱা হ'ল । ডকাইত চাৰিজনৰ লগত আহি স্বৰ্ণাচাৰী সেই ঠাইত উপস্থিত হ'ল ।

জীৱদন্তই এটা হাঁহি মাৰি স্বৰ্ণাচাৰীৰ পিঠিত থপৰিয়াই কলে, "স্বৰ্ণাচাৰী, তোমাৰ কি খবৰ? যি দেখিছো লাহে লাহে তুমি ডাকাইতহঁতৰ নেতা হৈ গৈছা ।"

জীৱদন্তৰ কথা শুনি স্বৰ্ণাচাৰী কিছুসময় স্তম্ভিত হৈ ৰল । পিছত সম্বিত ঘূৰাই পাই তেওঁ কলে, "ক্ষমা কৰিব, নিৰুপায় হৈ মই ডকাইতৰ চৰ্দাৰ সমৰবাহুৰ বাবে এটা দুৰ্গ তৈয়াৰ কৰি আছো, এই কাম সম্পূৰ্ণ হোৱাৰ পিছতে মই আৰু বিঘ্নেশ্বৰ পূজাৰী দুয়ো কৰবাত গৈ তপস্যা কৰিম ।"

ঠিকেই ভাবিচা, কিন্তু গণ্ডকমৃগ জাতিৰ লোকসকলৰ লগত থাকি আৰু আৰামেৰে জীৱন কটোৱা পূজাৰিয়ে তোমাৰ লগত গৈ তপস্যা কৰিবনে ? মোৰ এইটো বিশ্বাস হোৱা নাই ।" জীৱদন্তই মনত সন্দেহ প্ৰকাশ কৰিলে।



"সকলো ভগবানৰ ইচ্ছাৰ ওপৰতে নিৰ্ভৰ। ব'লক মোৰ থকা ঠাইলৈ যাওঁ । তাতে আহাৰ খাই বিশ্ৰাম লব," স্বৰ্ণাচাৰীয়ে দুয়োকে অনুৰোধ কৰিলে ।

পাহাৰ বগাই তেওঁলোকে গৈ স্বৰ্ণাচাৰীৰ থকা ঠাই পাওঁ পাওঁ হৈছিলে, এনেতে তেওঁলোকে দেখিবলৈ পালে ভালুকৰ ছাল পিন্ধি থকা এজন মানুহৰ চাৰিওফালে বেঢ়ি ধৰি ডকাইতহঁতে তাৰ খং তোলাই আছে । তেওঁলোকে মাজে মাজে কাণৰ ওচৰত ফিচ্ফিচাই কিবা কথাও কৈ আছে । স্বৰ্ণাচাৰীয়ে তেওঁক সুধিলে, এইটো কি কথা, এই ভালুকৰ ছাল পিন্ধি অহা মানুহজন আকৌ কোন ?

ভালুকৰ ছাল পিন্ধি থকা মানুহজনে মূৰটো তললৈ নমাই নমস্কাৰ কৰি কলে, "স্বৰ্ণাচাৰী মহাশয়, মই জানি বুজি এই চাল

পিন্ধা নাই। মই আজি ৰাতিপুৱা চৰ্দাৰৰ লগত চিকাৰলৈ গৈছিলো। হঠাতে হাবিৰ মাজত আমাৰ ওপৰত আক্ৰমণ হ'ল। কিছুমান জঙ্ঘলীলোকে চৰ্দাৰক ধৰি লৈ গ'ল। মই কোনোমতে পলাই গুচি আহিলো।"

জঙ্ঘলী লোকবোৰে ডকাইতৰ চৰ্দাৰ সমৰবাহুক ধৰি লৈ গ'ল? সিহঁতৰ ইমান সাহস! সেই জঙ্ঘলী লোক ক'ত থাকে? সিহঁত ক'ৰ মানুহ?" খৰ্গবৰ্মাই মিচিকিয়া হাঁহি এটা মাৰি কলে।

জীৱদন্ত্ৰই কলে, "নাহাঁহিবা ৰবা! চৰ্দাৰতো দুষ্ট লোক, কিন্তু তাতকৈও ডাঙৰ দুষ্টলোকে চৰ্দাৰক বন্দি কৰি নিলে। এইটো হঁহাৰ কথা নহয়, বৰ চিন্তাৰ কথা।"

ডকাইতৰ চৰ্দাৰ বন্দী হোৱাৰ কথা শুনি স্বৰ্ণাচাৰী খুব আচৰিত হ'ল। তেওঁৰ শৰীৰ ভয়তে কপিবলৈ ধৰিলে।

প্ৰথমতে চৰ্দাৰ সমৰবাহুৱে তেওঁক বন্দী কৰি ইয়ালৈ লৈ আহিছিল। পিছত লাহে লাহে চৰ্দাৰ আৰু তেওঁৰ লগৰীয়া সকলে তেওঁক আদৰ সন্মান কৰিবলৈ ধৰিলে। চৰ্দাৰ আৰু স্বৰ্ণাচাৰীৰ মাজত বন্ধুত্বও গঢ়ি উঠিল।

"হে খৰ্গ আৰু জীৱদন্ত্ৰ বীৰ, মই বৰ ডাঙৰ বিপদত পৰিলো। আপোনালোক দুয়ে অতি শক্তিশালী। সেই জঙ্ঘলী মানুহবোৰৰ হাতৰ পৰা আপোনালোকেহে চৰ্দাৰক ৰক্ষা কৰিব পাৰিব।" স্বৰ্ণাচাৰীয়ে অতি নম্ৰ হৈ মিনতি কৰিলে। জীনদন্ত্ৰ আৰু খৰ্গই দুয়ো দুয়োৰে ফালে চালে। পিছত খৰ্গবৰ্মাই নহব ভাবত মূৰটো লৰাই কলে, "জীৱদন্ত্ৰ, কেনেকৈ সহায় কৰা যায় তুমিয়ে ইয়াৰ উপায় চিন্তা কৰা। আমাৰ বন্ধু স্বৰ্ণাচাৰীৰ কথাটো আমি মাণি লম নে? সকলো আমাৰ সিদ্ধান্তৰ ওপৰতে নিৰ্ভৰ কৰিছে।"

জীৱদন্ত্ৰই কিছুসময় চিন্তা কৰি ভালুকৰ ছাল পিন্ধা ডকাইতজনক সুধিলে, "সেই জঙ্ঘলীবোৰে তোমাৰ চৰ্দাৰক কেনেকৈ বন্দী কৰি নিলে? তাত নো বাৰু কি হৈছিল? বিতং ভাবে কোৱা।"

কন্ঠটো এবাৰ পৰিষ্কাৰ কৰি লৈ ভালুকৰ ছাল পিন্ধা মানুহজনে কলে, "জঙ্ঘলত যি ঘটিছিল মই সংক্ষেপে আপোনালোকক কম। আপোনালোকে যদি আমাৰ চৰ্দাৰক অতি সোনকালে ৰক্ষা নকৰে সেই নৰখাদকহঁতে আমাৰ চৰ্দাৰক খাই পেলাব।"

(ক্ৰমশঃ)



মূৰ্খ পণ্ডিত

এখন গাঁৱত এজন দাম্ভিক পণ্ডিত আছিল । তেওঁ নিজৰ পাণ্ডিত্যৰ বিষয়ে গাঁৱৰ মানুহবোৰ আগত ডাংকোপ মৰা কথা কৈছিল ।

এদিন এজন মানুহে পণ্ডিতক কলে, "মহাশয়, এই গাঁৱত এনে এজন মানুহ নাই, যিয়ে আপোনাৰ পাণ্ডিত্যৰ বিষয়ে নাজানে । কিন্তু এই গাঁৱত আপোনাৰ পাণ্ডিত্যৰ কোনো আদৰ নাই। আপুনি সকলোবোৰ গাঁৱলৈ যাওক আৰু সেই গাঁৱৰ পণ্ডিতবোৰক তৰ্কত পৰাস্ত কৰক । তেতিয়া গোটেই দেশতে আপোনাৰ পাণ্ডিত্যৰ প্ৰশংসা হব আৰু আমাৰ গাঁৱৰো সুনাম হব ।

এই পৰামৰ্শটো পণ্ডিতৰ মনত লাগিল । তেওঁ ভাল দিন চাই এক শুভ ক্ষণত গাঁৱৰ পৰা ওলাই গ'ল । গৈ গৈ তেওঁ অইন এখন গাঁৱত গৈ সোমাল । তাতে তেওঁ এজন গৰখীয়াক লগ পালে । পণ্ডিতে গৰখীয়াজনক সুধিলে "হেৰা, তোমালোকৰ গাঁৱত কোনো পণ্ডিত আছে নে ? আছে যদি মই তৰ্কযুদ্ধত পৰাস্ত কৰিব বিচাৰো । জানানে, মই এজন ডাঙৰ পণ্ডিত ?"

গৰখীয়াজনে ভাবিলে এওঁ কোনোবা ওফাইদাং মৰা পণ্ডিত । সি তৎক্ষণাত হালি এমুঠি বালি তুলি ললে আৰু পণ্ডিতক সুধিলে, "কওক, মোৰ হাতত কিমান বালি আছে ?"

পণ্ডিতে খঙেৰে কলে; 'পএইটো তুমি কি নিৰৰ্থক প্ৰশ্ন সুধিছা ? তোমাৰ হাতত যি বালি আছে, সেয়া মই ভালদৰে চাইছোৱে নে জুখিয়ে চাইছো ?"

"পণ্ডিত মহাশয়, হাতৰ মুঠিত যে এমুঠি বালি থাক সেই কথাটো কব নোৱাৰা আপুনি কেনে পণ্ডিত ?" গৰখীয়াজনে পণ্ডিতক হাঁহি হাঁহি কলে ।

অপমানিত হৈ পণ্ডিত ঘৰলৈ ঘূৰি গ'ল । সেইদিনাৰ পৰা তেওঁ ডাংকোপ মৰা কথা কবলৈ এৰিলে ।



ভাৰত কথা

এক মহান সভ্যতাত এভূমুকি যুগে যুগে সত্যৰ বাবে গৌৰৱময় অনুসন্ধান

১৬. অহঙ্কাৰক জয় কৰিব পৰা ৰজা



ৰজা হৰিশ্চন্দ্ৰৰ কাহিনী সঁচাকৈয়ে অদ্ভুত ককা! এই কাহিনী শুনাৰ পিছত ইয়াৰ পৰা যাবলৈকে মন যোৱা নাই ।" সন্দীপে কলে ।

"তেনেহলে তোমালোক ইয়াতে বহি থাকা । মই যাওঁ ।" এইবুলি কৈ ককা দেৱনাথ উঠি থিয় হ'ল । শিশু কেইটিও হাঁহি হাঁহি থিয় হ'ল ।

"নদীৰ পাৰত অলপ সময় ফুৰিবা নেকি ? দেৱনাথে সুধিলে ।

"নিশ্চয় ফুৰিম," বুলি কৈ তেওঁলোকেও দেৱনাথৰ পিছে পিছে যাবলৈ ধৰিলে । অলপ দূৰ যোৱাৰ পিছত পকী বেঞ্চ এখনৰ ওপৰত বহি লৈ দেৱনাথে কলে, "অলপ সময় ইয়াতে বহিম, তোমালোকে যদি ইচ্ছা কৰা ফুৰি আহা।"

"আপুনি থিয় হোৱাৰ লগে লগে আমিও থিয় হলো । আপুনি যোৱা বাবে আমিও আপোনাৰ পিছে পিছে গলো । এতিয়া আপুনি ইয়াত বহিছে, আমিও আপোনাৰ লগতে বহিম।" সন্দীপে কলে। সন্দীপৰ কথা শুনি হাঁহি হাঁহি সকলোৱে বেঞ্চৰ ওপৰতে বহিল ।

উঠি অহা পূৰ্ণচন্দ্ৰ, কাষেৰে বৈ যোৱা নদীৰ কুলু কুলু ধ্বনি, শীতল বতাহ, এই পৰিৱেশত আমাৰ এটা কাহিনী শুনিবলৈ মন গৈছে ককাদেউতা ! কিমান যে মনোমোহা এই পৰিৱেশ।" চামেলীয়ে খুব সৰুকৈ কথাখিনি কলে।

"আমাৰ পুৰণি ইতিহাস জানিবলৈ খুব ইচ্ছা। আমাৰ অধ্যাপক সকলে আমাৰ দেশত হোৱা বহিৰ্আক্ৰমণ, লুটপাট আদিৰ বিষয়েহে বেচি গুৰুত্ব দিয়ে । আপুনি যেনে ধৰণৰ কাহিনী কয়

বিশ্বাবসু

তেওঁলোকে বাৰু তেনে কাহিনী কিয় নকয়?" সন্দীপৰ বন্ধু ৰামে নিজৰ সন্দেহ ব্যক্ত কৰি কলে ।

"সেইটো তোমালোকৰ শিক্ষকৰ ভুল । বৃটিচসকলে পাঠ্যক্ৰমত যি ইতিহাসৰ স্থান দিছিল, তাকেই কম বেচি যোগ বিয়োগ কৰি আমি সেই ইতিহাসকে শিকাই আছো । তেওঁলোকে আমাৰ ইতিহাস এনেদৰে লিখিছে যেন তেওঁলোকৰ শাসন কালহে ভাৰতৰ স্বৰ্ণযুগ। তেওঁলোকে ইচ্ছা কৰিয়ে এইটো কৰিছিল ।

তেওঁলোকে ভাৰতৰ প্ৰাচীন কালৰ মহান ঘটনাবোৰৰ কথা পাহৰাই দিব বিচাৰিছিল আৰু মহৎ ব্যক্তিসকলৰ প্ৰতি উদাসীনতা দেখুৱাইছিল। তেওঁলোকে এই সকলোবোৰ পুৰাণৰ কাহিনী বুলিয়ে কৈছে । কিন্তু তেওঁলোকৰ কথা সঁচা নহয়। আমাৰ পুৰাণবোৰ বহুতো ক্ষেত্ৰত ইতিহাসৰ ঘটনাৰ ভিত্তিতহে ৰচিত । কিন্তু আমাৰ এই বিষয়বোৰ অন্য ফালৰ পৰাও চাব লাগিব । কিছুমান কল্পিত কাহিনীয়েও যদি সেই দিনৰে পৰা আজিলৈকে মানুহৰ হৃদয়ত প্ৰভাব বিস্তাৰ কৰিব পাৰিছে তাক বাস্তৱিক বুলিয়ে কব পাৰি, নহয় নে ?

সেই চৰিত্ৰ জীৱিত ব্যক্তিতকৈ বেচি মহান। সেয়া যিয়েই নহওক যুগ যুগ ধৰি যি ব্যক্তি আৰু ঘটনাই মানুহৰ মনত প্ৰভাৱ পেলাব পাৰিছে, সেই বিষয়ে জনাতো মানুহৰ অতি আৱশ্যক, সেইটো ইতিহাস হওক বা নহওকে ।" অধ্যাপক দেৱনাথে কলে ।

"ৰজা হৈও হৰিশ্চন্দ্ৰই অতি বিনয়েৰে শাসনকাৰ্য্য চলাইছিল । ধাৰ্মীক আৰু কৰ্ত্তব্যনিষ্ঠ হৈ তেওঁ নিজৰ দায়িত্ব বহন কৰিছিল । আকৌ এনেধৰণৰ যদি কোনো ৰজা আছে তেওঁৰ বিষয়ে আমাক কওক ককা ।" চামেলীয়ে কলে ।

"ক্ষমতালৈ আহি নিজৰ ইচ্ছা মতে যিহকে তিহকে কৰা ৰজা কিমান যে আছিল, কিন্তু নিজৰ অহঙ্কাৰক বশ কৰিব পৰা ৰজা বহুত কম আছিল। তেওঁলোকৰ ভিতৰত এজন আছিল ৰজা জনক।

জনকৰ লক্ষ্য আছিল প্ৰজা পালন কৰা । তেওঁ

নিজকে ভগবানৰ সেৱক হিচাবে ধৰি ৰাজ্য শাসন কৰিছিল । নিজৰ কৰ্ত্তব্য ভালদৰে পালন কৰিছিল। সদ্‌গুণী ৰাজাবোৰৰ ভিতৰত তেওঁও এজন আছিল।" দেৱনাথে কলে ।

"অহঙ্কাৰ নোহোৱাকৈ জীয়াই থকা খুব টান নেকি ককা?" চামেলীৰ বান্ধবী সুস্মিতাই সুধিলে।

"হয় মাজনী, বহুতেই টান । অন্য ৰাজ্যৰ ওপৰত বিজয় প্ৰাপ্ত হোৱাতকৈও টান ! অহঙ্কাৰক বশ কৰিব পৰা সত্যব্ৰতী ৰজা কিমান যে আছে । তেওঁলোকৰ বিষয়ে মই আগতে বহুদিন তোমালোকক কৈছো । উদাহৰণ হিচাবে জনশ্ৰুতি ৰজাকে লোৱা । তেওঁ এজন আদৰ্শ ৰজা আছিল । প্ৰজাসকলৰ ভাল খবৰ শুনাৰ পিছতহে তেওঁ শুবলৈ গৈছিল ।" ইয়াৰ পিছত অধ্যাপক দেৱনাথে কাহিনী আৰম্ভ কৰিলে ।

"হাজাৰ বছৰ আগৰ কথা । আজিৰ দৰে সেইদিনাও পূৰ্ণিমাৰ দিন আছিল । ৰজাই ভোজন কৰি উঠি প্ৰাসাদৰ ওপৰত ইফালে সিফালে ঘূৰা-ঘূৰি কৰি আছিল । তেতিয়া কিছুমান হাঁহ

এই কথা শুনাৰ পিছত জনশ্ৰুতি মহাৰাজে কি কৰিলে জানা ? তেওঁ এইটো জানি আনন্দিত হ'ল যে আৰু এজন মহান পুৰুষ আছে, যিজন তেওঁতকৈও উত্তম। ইয়াৰ পিছত তেওঁ টোপনি গ'ল ।

ইয়াৰ কিছুদিন পিছত ৰজাই ৰৈক্ব মহাৰাজাব বিষয়ে আৰু কিছু কথা জানিব পাৰিলে । তেওঁ নিজে গৈ ৰজাক দেখা কৰিলে । ৰৈক্ব মহাৰাজ যুৱক আছিল, সেয়েহে তেওঁ নিজৰ জীয়েকক ৰৈক্বৰ লগত বিয়া দিলে । ইয়াৰ পিছত জোঁৱায়েকক ৰাজ্য ভাৰ অৰ্পণ কৰি নিজে বানপ্ৰস্থী হৈ বনলৈ গুচি গ'ল ।

"ইয়াৰ মানে হ'ল ৰজাই নীতি নিয়ম আৰু সত্যক পালন কৰিছিল, আৰু তেওঁৰ দৃষ্টিত সেইটো আছিল অধিক মূল্যবান ।" ৰামে কলে।

"অকল সেইটোৱে নহয়, কিছুমান ৰজা এনেকুৱাও আছিল, যিয়ে ডাঙৰৰ আগ্ৰহৰ চিকাৰ হৈছিল । ইয়াৰ ভিতৰত হৰিতস্ব হ'ল অন্য এক উদাহৰণ ।" দেৱনাথে কলে ।

"তেতিয়াহলে ককা তেওঁৰ বিষয়ে কবই লাগিব।" চামেলীয়ে অনুৰোধ কৰিলে । তেতিয়া দেৱনাথে কবলৈ আৰম্ভ কৰিলে "হৰিতস্ব কেৱল এজন সুদক্ষ শাসকেই নাছিল, তেওঁ এজন অতি উত্তম গায়কো আছিল । তেওঁৰ সমান ভাল গায়ক সেই সময়ত কোনো নাছিল । এদিন হৰিতস্বই উদ্যানত বহি গান গাই থাকোতে নাৰদ মুনি সেইপিনেৰে গৈছিল । মুনিয়ে তেওঁৰ গানত মুগ্ধ হৈ তাত ৰল । নাৰদে এই কথাটো ব্ৰহ্মা আৰু সৰস্বতীৰ আগত কলে ।

তেওঁলোকেও হৰিতস্বৰ গান শুনিবলৈ ইচ্ছা কৰিলে । ইয়াৰ বাবে নাৰদ মুনিয়ে আৱশ্যকীয় ব্যৱস্থা কৰিলে । ৰজা ব্ৰহ্মলোকলৈ গ'ল । ব্ৰহ্মাই ৰজাক কলে, "মহাবিষ্ণু হ'ল প্ৰাণীৰ ৰক্ষক । তেওঁ সদায় সেই কামতে ব্যস্ত থাকে । ইয়াৰ বাবে তেওঁ শুৱ পৰা নাই । তুমি গানেৰে তেওঁক নিদ্ৰামগ্ন কৰিব পাৰিবানে ?"

"প্ৰভু, মই যত্ন কৰি চাম ।" ৰজাই সবিনয়ে

আকেশেৰে উৰি গৈ সিহঁতৰ ভিতৰতে কথা হৈ গৈ আছিল । মহাৰাজে হাঁহৰ ভাষা বুজি পাইছিল। সেয়েহে ৰজাই হাঁহকেইটাৰ কথা সাৱধানে শুনি আছিল ।

এই ৰজাৰ প্ৰাসাদৰ পৰা বিচিত্ৰ পোহৰ অহা দেখা গৈছে । এয়া কোনো সাধাৰণ পোহৰ নহয়। এয়া হ'ল দিব্য জ্যোতি । ইয়াতকৈ ভাল আৰু কি হব পাৰে ?" এটা হাঁহে অন্য এটা হাঁহক সুধিলে ।

"হয়, নিঃসন্দেহে সেইয়া দিব্যজ্যোতি । ইয়াৰ আগতে মই এনেকুৱা পোহৰ কৰবাত দেখিছিলো। ক'ত দেখিছিলো মনত পৰা নাই । হয়, এতিয়া মনত পৰিছে । ৰৈক্ব মহাৰাজৰ প্ৰাসাদৰ পৰা এনে দিব্য পোহৰ ওলোৱা দেখিছিলো । সেয়াতো ইয়াতকৈয়ো বেচি দিব্য পোহৰ আছিল ।" অন্য হাঁহটোৱে কলে ।

ইয়াৰ পিছত হাঁহকেইটা চকুৰে নেদেখা হ'ল।

কলে । ৰজাৰ গানৰ মধুৰ সুৰ শুনি মহাবিষ্ণু তন্ময় হৈ নিদ্ৰামগ্ন হ'ল । ৰজাৰ কৃতকাৰ্য্যত মুগ্ধ হৈ ব্ৰহ্মাই কলে, "ৰজা হৰিতস্ব, তোমাৰ প্ৰতিভা অসামান্য। কিবা বৰ লাগে যদি লোৱা ।"

"সঙ্গীতৰ আদি পুৰুষ হ'ল পৰমেশ্বৰ । তেওঁৰ গান শুনাৰ মোৰ তীব্ৰ ইচ্ছা আছে । এয়ে মোৰ একমাত্ৰ কাম্য । বৰ খোজাত কিবা অপৰাধ হলে ক্ষমা কৰিব ।" ৰজা হৰিতস্বই কলে।

ব্ৰহ্মাই ৰজাৰ কথাত সন্মতি জনালে । শিৱেও নিজৰ সন্মতি প্ৰকাশ কৰিলে । পৰমশিৱৰ গান শুনিবলৈ সকলো দেৱতা উপস্থিত হ'ল । শিৱে শংকৰভৰণ ৰাগৰ আলাপ শুনালে । দেৱতাসকল অতি আনন্দিত হ'ল । শিৱৰ আলাপ শেষ হোৱাৰ পিছতো হৰিতস্ব বহিয়ে থাকিল ।

ব্ৰহ্মাই তেওঁক মতাত ৰজাই আচৰিত হৈ কলে, "মই গান চলি থকা বুলিয়ে ভাবিছিলো । ইমান সোনকালে শেষ হ'ল নে ?" ৰজাৰ কথাত আশ্চৰ্য্যৰ ভাব আছিল ।

"গান যে এতিয়াও সম্পূৰ্ণ হোৱা নাই এইটো কেনেকৈ জানিলা ?" ব্ৰহ্মাই সুধিলে ।

শংকৰাভৰণৰ আলাপ কৰাৰ সময়ত গায়কে সম্পূৰ্ণ প্ৰশান্ত চিত্তেৰে গাব লাগে, কিন্তু....., তেওঁ কব খুজিও ৰৈ গ'ল ।

তেওঁৰ কথা শুনি সকলোৱে আচৰিত হ'ল। ৰজাই এইটোকে কব বিচাৰিছিল যে, শিৱে প্ৰশান্ত চিত্তেৰে গোৱা নাই ।

শিৱই তৃতীয় চকুটো মেলিলে । সকলোৱে ভাবিছিল শিৱে নিজৰ অপমানত ক্ৰোধিত হৈ যি কোনো সময়তে হৰিতস্বক ভস্ম কৰি দিব । কিন্তু তেনে একো নহল । শিৱে ৰজাৰ সত্য আৰু সাহস পূৰ্ণ কথাত মুগ্ধ হৈ ৰজাৰ প্ৰতি কৰুণা দেখুৱালে। ৰজাইও শিৱক সাষ্টাঙ্গে প্ৰনাম জনালে।

"ব্ৰহ্মাৰ আজ্ঞা অনুসাৰে মই এই ৰাগটো আলাপ কৰিছিলো আৰু সিও এজন মানুহৰ বাবে। মইমনতে ভাবিছিলো মোৰ গান আস্বাদন কৰাৰ শক্তি মানুহৰ আছে জানো ? মোৰ এই চঞ্চলতাৰ বাবেই গোৱাৰ সময়ত মই প্ৰশান্ত চিত্তে গাব নোৱাৰিলো । আচলতে সেইটো মোৰেই ভুল হৈছিল । আৰু এই মহান গায়ক, ৰজা হৰিতস্বই এই সুঁক্ষ্ম কথাখিনিও ধৰিব পাৰিলে ।

শিৱৰ তৃতীয় চকুৰ পৰা ওলোৱা অগ্নিৰ বাবে ৰজা হৰিতস্ব পবিত্ৰ আৰু অত্যন্ত শক্তিশালী হ'ল । সেয়েহে মহেন্দ্ৰক বন্দী কৰি নিয়া অন্ধিকাসুৰৰ দৰে ভয়ঙ্কৰ ৰাক্ষসকো তেওঁ বধ কৰিব পাৰিছিল ।

(ক্ৰমশঃ)



বুদ্ধিমতী বোৱাৰী

পঢ়া শেষ কৰি শিৱৰামে জমিদাৰৰ ওচৰত চাকৰি কৰিব লৈছিল । ইয়াৰ ছমাহৰ পাছত তেওঁ ধুনীয়া শান্ত আৰু বুদ্ধিমতী নিৰজাক বিয়া কৰাইছিল । তেওঁ যৌতুক নোলোৱাকৈয়ে এই বিয়া কৰাইছিল । ইয়াৰ বাবে তেওঁৰ মাক অনুপমা বোৱাৰীয়েকৰ প্ৰতি অসন্তুষ্ট আছিল । কিন্তু ঘৰলৈ অহা আত্মীয় আৰু ওচৰ-পাজৰৰ মানুহ বিলাকে তেওঁৰ ল'ৰাৰ উদাৰতাৰ বিষয়ে আলোচনা কৰি আছিল । তেওঁলোকে কৈছিল এওঁৰ লৰাৰ দৰে আদৰ্শ পুৰুষ কাচিৎহে দেখা যায় ।

বিজয়াদশমী উৎসৱৰ দিনা নিৰজাৰ সৰু ভনীয়েক গিৰিজা বায়েকৰ ঘৰলৈ আহিছিল । নিৰজাই ভাবিছিল এই সুযোগতে তাইৰ ভনীয়েকক এখন ভাল শাৰী উপহাৰ হিচাপে দিব । তাই সেই কথা গিৰীয়েকক কলে । শিৱৰামে কলে, তুমি ঠিক কথাই কৈছা, কিন্তু আমাৰ মাৰ কথাতো জনাই । মোক মিছাতে কথা শুনাব আৰু এইবুলি কবলৈও সংকোচ নকৰিব যে, "তোমাৰ পত্নীৰ প্ৰত্যেক কথাই তোমাৰ বাবে লক্ষণৰেখাৰ দৰে, তাইৰ প্ৰতিটো ইচ্ছা পূৰণ কৰি ঘৰখনৰ অৱস্থা বেয়া কৰিব খুজিছা ।"

গধূলি শিৱৰাম কামৰ পৰা উভতি অহাৰ পাছত নিৰজাই এটা বুদ্ধি দিলে । শিৱৰামে তাইৰ কথা মানি ললে আৰু পিছদিনা কামৰ পৰা উভতি আহোতে দোকানৰ পৰা এখন ভাল শাৰী কিনি আনিলে ।

সেই সময়ত অনুপমা ওচৰৰে পাৰ্বতীৰ লগত কথা পতাত ব্যস্ত আছিল । পাৰ্বতীয়ে মনোযোগেৰে তেওঁৰ কথা শুনি আছিল । পিছত তেওঁ কলে, "লৰা হলে এনেকুৱাহে হব লাগে । নিজৰ ঘৈনীয়েকৰ বাবে শাৰী নিকিনি তোমাৰ বাবেই আনিলে । ইয়াৰ পৰাই বুজিব পাৰি যে তেওঁ তোমাক কিমান ভাল পায় ।

নিজৰ মাকৰ প্ৰতি তেওঁৰ কিমান শ্ৰদ্ধা-ভক্তি আছে । এই ক্ষেত্ৰত তোমাৰ লৰা আৰু বোৱাৰীৰ প্ৰশংসা কৰিবই লাগিব । তাৰ পাছত তেওঁ শিৱৰামক কলে, "তোমাৰ খুলশালীজনীৰ বাবেও এখন শাৰী আনিলে কিমান ভাল লাগিলহেতেন।"

অনুপমাই লগে লগে নিজৰ ভাল স্বভাৱ প্ৰদৰ্শন কৰাৰ উদ্দেশ্যে কলে, "মইতো কবকে খুজিছিলো গিৰিজাৰ কাৰণেও এখন শাৰী কিনি আনা । এওঁ মোৰ মনৰ কথাকে কলে । এইখন শাৰী গিৰিজাকে দিয়া । উৎসৱৰ দিনা তাই এইখন পিন্ধিব ।" এইবুলি কৈ তেওঁ শাৰীখন গিৰিজাক দিলে ।

শিৱৰাম আৰু নিৰজা নিজৰ বুদ্ধিত সফল হৈ খুব আনন্দিত হ'ল ।

- সৰোজিনী



ভূষণৰ চন্দুক

গোপালপুৰ গাঁৱত এনে এজন মানুহ নাছিল যিয়ে টকা ধাৰলৈ দিয়া মহাজন ভূষণক নাজানিছিল । খেতি বাতি তথা সৰু সুৰা বেপাৰ কৰি কোনোমতে পৰিয়ালক ভৰণ-পোষণ দি থকা গাওঁবাসীৰ আৰ্থিক অৱস্থা ভাল নাছিল । সেয়েহে যেতিয়াই তেওঁলোকৰ অতিৰিক্ত টকাৰ দৰকাৰ হয় তেতিয়াই ভূষণৰ ওচৰলৈ যায় । ভূষণে অৱশ্যে তেওঁলোকক সহায় কৰিছিল । কিন্তু গাওঁবাসীৰ দুৰ্বলতাৰ সুযোগ লৈ ভূষণে তেওঁলোকৰ পৰা অধিক সুত লৈছিল । গাওঁবাসীয়ে নিজৰ ভাগ্যৰ কথা ভালদৰে জানিছিল । তেওঁলোকে মনে মনে ভূষণক অভিশাপ দিছিল ।

ভূষণে নিজৰ ধনৰ বিষয়ে কেতিয়াও কাকো জনোৱা নাছিল । আনকি নিজৰ পত্নী ভূদেৱীকো । ভূদেৱী এইখন ঘৰলৈ অহাৰ পাঁচ বছৰ হৈছিল, তথাপি তেওঁৰ দেহত এপদো অলঙ্কাৰ নাছিল । ভূষণেও ইমান টকা উপাৰ্জন কৰিছিল, তথাপি তেওঁ চিৰা ফটা কাপোৰ পিন্ধি আছিল ।

ভূষণৰ ঘৰত পূৰ্বপুৰুষৰ দিনৰে পৰা এটা কাঠৰ চন্দুক আছিল । সেইটো সদায় তলা লগোৱা থাকে । তাৰ চাবি ভূষণে সদায় কঁকালত বান্ধি ৰাখিছিল । সেই চন্দুকটোৰ বিষয়ে ভূদেৱীৰ ইমানখিনি জ্ঞান আছিল যে, তাত ধন আছে । কিন্তু কিমান ধন আছে সেইটো নাজানিছিল । সেই বিষয়ে গিৰিয়েককো একো সোধা নাছিল ।

এদিন এক মাঙ্গলিক কাৰ্য্য উপলক্ষ্যে ভূদেৱী গাঁৱৰ মুখিয়ৰ ঘৰলৈ গৈছিল । তাতে অন্য তিৰোতাসকলে তেওঁৰ বিষয়ে কৰা সমালোচনা তেওঁ শুনিলে । এই সমালোচনা শুনি তেওঁৰ মনত বৰ দুখ লাগিল ।

তিৰোতাবোৰে নিজৰ ভিতৰতে ফুচ্‌ফুচাই

কৈ আছিল, “সন্তান সন্ততি একো নাই, তথাপি কোড়াই কান্তিয়ে হিচাব কৰি চলে । ভাল খোৱা বস্তুও নাখায় । তেওঁৰ গলত মঙ্গল- সূত্ৰ ডালৰ বাহিৰে এপদো গহনা নাই। এইদৰেও মানুহ জীয়াই থাকেনে ?”

গাঁৱৰে পাটোৱাৰীৰ ঘৈণীয়েকে হাঁহি হাঁহি কলে, “শুনিবলৈ পাইছো তেওঁলোকৰ ঘৰত বোলে ককাক, আজোককাকৰ দিনৰে এটা চন্দুক আছে । মোৰ শাহুৱে কোৱা শুনিছো সেইটোৰ চাবি বোলে অনবৰত গিৰিয়েকৰ কঁকালতে থাকে । তাৰ মানে তেওঁলোকে টকা ধাৰে দি যি উপাৰ্জন কৰে সেইবোৰ সেই চন্দুকতে ৰাখে ।”

এইবোৰ কথা শুনি ভূদেৱীৰ মনটো বৰ বেয়া লাগিল । ভূদেৱীয়ে অনুমান কৰিলে, জানি বুজিয়েই তিৰোতাবোৰে তেওঁক এইদৰে অপমান কৰিছে । তেওঁ সেইদিনা ৰাতিয়ে ভূষণক স্পষ্ট ভাবে কলে, “এই চন্দুকটোৰ ভিতৰত কিমান ধন আছে মই এতিয়াই জানিব বিচাৰো। যদি তুমি মোক কব নোখোজা তেতিয়াহলে মই কুঁৱাত পৰি আত্মহত্যা কৰিম।”

ভূষণে পত্নীৰ খঙৰ গভীৰতা বুজি পালে। তেওঁ পত্নীক কলে, “নিশ্চয় চাবা, কিন্তু যি দেখা তৎক্ষণাত তুমি সেইটো পাহৰি যাব লাগিব ।” এইবুলি কৈ ভূষণে চন্দুকটো খুলিলে ।

চন্দুকৰ ভিতৰখন সোণৰ মুদ্ৰা আৰু গহনাৰে ভৰি থকা দেখি ভূদেৱীৰ মূৰ ঘূৰাই গ'ল । তেওঁ অসন্তুষ্ট হৈ কলে, “ইয়াত ইমান সোণ পৰি আছে আৰু মোৰ দেহত এপদো গহনা নাই । ভিখাৰীৰ দৰে খালি হাত, খালি গলে থাকো । উৎসৱৰ দিনতো ভাল বস্তু খাবলৈ নাপাও, সেই বাহী দালি, বাহী ৰুটি। এয়োনো জীৱন বোলে নে ?”

“এই পাগলী, চিঞৰিছা কিয় ? লাহে লাহে কোৱা । চন্দুকটো ভৰ্ত্তি হলে সেইটো লৈ চহৰলৈ যাম । তালৈ গৈ জাহাজেৰে সদাগৰী ব্যৱসায় কৰিম । তাৰপিচত তোমাৰ দেহত অলঙ্কাৰেই অলঙ্কাৰ হব ।”

“কিন্তু এই চন্দুকটো ভৰিব কেতিয়া ।” ভূদেৱীয়ে সুধিলে ।

সকলো ওপৰৱালাৰ দয়াৰ ওপৰতে নিৰ্ভৰ। মই প্ৰতিজ্ঞা কৰি লৈছো যেতিয়ালৈকে এইটো পূৰ্ণ নহব তেতিয়ালৈকে ইয়াৰ পৰা এটা পইচাও নুলিয়াও ।” এই বুলি কৈ ভূষণে চন্দুকটো বন্ধ কৰি থালে ।

সেইদিনা ৰাতি ভূদেৱীয়ে এটা সপোন দেখিলে । তেওঁ সপোনত দেখিলে, ভূষণে

দুজন মানুহৰ সহায়ত চন্দুকটো ঘোঁৰাৰ গাড়ীত তুলি দিছে । পিছদিনা ভূদেৱীয়ে সপোনৰ কথাটো গিৰিয়েকৰ আগত কলে আৰু লগতে কলে যে "আমি বোধহয় অতি সোনকালে চহৰলৈ যাব পাৰিম ।"

"ঠিক কথা । লক্ষ্মীদেৱীৰ কৃপা হলে চাওতে চাওতে চন্দুক সোণেৰে ভৰি যাব ।" ভূষণে কলে ।

সেইদিনা সন্ধিয়া তেওঁলোক অষ্ট লক্ষ্মীৰ মন্দিৰলৈ গ'ল । ভূদেৱীয়ে দেৱীক প্ৰাৰ্থনা কৰিলে তেওঁৰ যেন সপোন সফল হয় । তাৰ পিছত মন্দিৰৰ পৰা দিয়া প্ৰসাদ একোণত বহি লৈ দুয়ো খালে ।

সেই সময়তে মোটা মোটা গোঁফ থকা দুজন মানুহ তালৈ আহি পূজাৰীক সুধিলে, "দেউ, ওখ, ক্ষীণ, মৃগনয়নী, ওঠত ডাঙৰ তিল থকা ধুনীয়া ছোৱালী এজনী ইয়ালৈ আহিছিল নেকি ?"

ভূষণ আৰু ভূদেৱীয়ে সেই মানুহ দুজনে কোৱা কথা শুনি আছিল । পূজাৰীয়ে কলে, তেনে কোনো ছোৱালী ইয়ালৈ অহা নাই । যেতিয়া তেওঁলোক নিৰাশ হৈ উভতি যাব খুজিছিল পূজাৰীয়ে তেওঁলোকক সুধিলে, "কিন্তু সেই ছোৱালীজনী কোন ?"

তেওঁলোকে মাতটো অলপ সৰু কৰি কলে, "কোন হব আৰু, আমাৰ ৰাজকুমাৰী চন্দ্ৰলেখা । ৰাজকুমাৰী এবাৰ পূব প্ৰান্তত থকা পৰ্বতীয়া ঠাইলৈ ফুৰিবলৈ গৈছিল । তাতেই তেওঁৰ এজন ভীল যুৱকৰ সৈতে প্ৰেম হয় । এই কথা শুনি ৰজাই খঙতে তেওঁক খুব তিৰস্কাৰ কৰিলে । সেই কাৰণে ৰাজকুমাৰীয়ে কাকো নোকোৱাকৈ প্ৰাসাদৰ পৰা গুচি গৈছে । আনহাতে ৰজাই ঘোষণা কৰিছে যিয়ে ৰাজকুমাৰীক ধৰি আনিব পাৰিব তাকে পঞ্চাশ হাজাৰ টকা পুৰস্কাৰ দিব । সেয়েহে আমি তেওঁক বিচাৰি ফুৰিছো ।

সইদিনা ৰাতি খাই বৈ উঠি দুয়ো যেতিয়া শোৱাৰ দিহা কৰিছিল তেতিয়া কোনোবাই দুৱাৰত খট্‌খটোৱা শুনিলে । ভূষণে বুজিব পৰা নাছিল এই ৰাতি কোন আহিব পাৰে । তেওঁ দুৱাৰখন খুলি দিলে । দুৱাৰমুখত ৰাজকুমাৰীক দেখি ভূষণ স্তব্ধ হৈ গ'ল । সেই গুফীয়া মানুহ দুজনে বিৱৰণ দিয়া মতে তেওঁ ওখ, ক্ষীণ, মৃগনয়নী আছিল আৰু ওঠতো তিল আছিল । ভূষণে ভাবিলে ভাগ্য লক্ষ্মীয়ে স্বয়ং তেওঁৰ ঘৰ বিচাৰি আহিছে । যুৱতীয়ে কলে ,"মই অকলে আহিছো । ৰাতিটোৰ বাবে ইয়াত আশ্ৰয় লব পৰিম নে ?"

"কিয় নোৱাৰিবা । ভিতৰলৈ আহা ।" এইবুলি কৈ ভূষণে তেওঁক এটা কোঠাত



বহিবলৈ দিলে। তাৰ পিছত ওচৰৰে কোঠাত শুই থকা ভূদেৱীক মাতি ভূষণে কলে, "আমাৰ ভাগ্য উদায় হৈছে। সেই ৰাজকুমাৰী নিজে আমাৰ ঘৰলৈ আহিছে।"

ভূদেৱীয়ে দূৰৰ পৰাই চাই সন্দেহ প্ৰকাশ কৰি কলে, "সেইজনীয়ে যে ৰাজকুমাৰী মোৰ বিশ্বাস হোৱা নাই। তেওঁৰ শিৰত মুকুট ক'ত ? শৰীৰৰ অলঙ্কাৰ ক'ত ?"

"ৰাজ অন্তঃপুৰৰ পৰা পলাই অহা ৰাজকুমাৰীয়ে অলঙ্কাৰ পিন্ধি কিয় আহিব ? তেওঁ ছদ্মবেশত আহিছে। মই এতিয়াই ঘোঁৰা গাড়ীত উঠি ওলাই যাওঁ আৰু এই বিষয়ে ৰজাক জনাই সৈন্যসকলেৰে সৈতে উভতি আহিম। কালি ৰাতিয়েই আমাৰ চন্দুক ভৰ্তি হৈ যাব।" এইবুলি কৈ ভূষণে ঘোঁৰা গাড়ীত উঠি ৰাজধানীলৈ বুলি ৰাওনা হ'ল।

ঘোৰা গাড়ী আধামান বাট যোৱাৰ পিছতে ৰৈ গ'ল, কাৰণ আগত বহুতো গাড়ী ৰৈ আছে। নদীত বানপানী আহিছে, সেয়েহে কোনো গাড়ীয়ে যাব পৰা নাই। গাড়ীৰ গাৰোৱানে নিৰাশ হৈ কলে, "আজি ৰাতি আমি ইয়াতে কটাব লাগিব।"

এই কথা শুনি ভূষণৰ এনে লাগিল যেন মূৰত বজ্ৰপাত হে হ'ল। ৰাতিপুৱাৰ ভিতৰত তেওঁ যদি ঘৰলৈ উলতি যাব নোৱাৰে ৰাজকুমাৰী হয়তো ঘৰৰ পৰা গুচি যাব। ভূষণে ঘৰলৈ উলতি গৈ ৰাজকুমাৰীক কোঠাৰ বাহিৰৰ পৰা তলা লগাই থোৱাৰ কথা চিন্তা কৰিলে।

সেই গাড়ীৰে ভূষণ ঘৰলৈ ঘূৰি আহিল। আহি দেখে ঘৰৰ দুৱাৰ খোলা। তেওঁ চিন্তিত হৈ ভিতৰলৈ গ'ল। ভিতৰলৈ গৈ দেখে এটা কোঠা বাহিৰৰ পৰা বন্ধ কৰি থোৱা আছে। ভিতৰত ভূদেৱীৰ চিঞৰ শুনা গৈছে। ভূষণে দুৱাৰ খুলি দেখিলে ভূদেৱীক জৰীৰে বান্ধি থোৱা আছে। তৎক্ষণাত তেওঁ জৰীৰ বান্ধৰ

পৰা মোকলাই দি ভূদেৱীক সুধিলে, “ৰাজকুমাৰী ক'ত ? কি হ'ল ?”

“তেওঁ ৰাজকুমাৰী নহয়, চোৰৰ ৰাণী । মোৰ অলপ কলাঘুমটি আহিছিল, হঠাতে দুৱাৰখন খোল গ'ল । মন্দিৰত যি দুজন গোঁফ থকা মানুহ দেখিছিলো, সিহঁতে আমাৰ চন্দুকৰ বিষয়ে নিশ্চয় জানিব পাৰিছে । সিহঁতে চোৰৰ ৰাণীৰ সৈতে ভিতৰলৈ আহি মোক জৰীৰে বান্ধি এই কোঠাৰ ভিতৰত বন্ধ কৰি থৈ চন্দুকটো লৈ গৈছে ।” ভূদেৱীয়ে কান্দি কান্দি কলে ।

পত্নীৰ কথা শুনি ভূষণে কপালত এটা থাপৰ মাৰি মাটিত বহি গল । ভূদেৱীয়ে তেওঁক পানী খাবলৈ দি কলে, “কিয় ইমান দুখ কৰিছা ? চন্দুক ভৰা ধন থকা স্বত্বেও আমি দুখীয়া-নিছলাৰ জীৱন কাটাইছিলো। চন্দুকটো আমাৰ ঘৰত এতিয়া ও আছে এইবুলি ভাবি মনত শান্তি লাভ কৰা । ইয়াৰ বাহিৰেতো আৰু কোনো উপায় নাই ।

ভূষণে চকুলো টুকি ভূদেৱীৰ ফালে চাই কলে, “ভূদেৱী, তুমি প্ৰচীন কালৰ স্ত্ৰীৰ দৰে পতিব্ৰতা । তুমিতো এইবুলি কোৱা নাই, মই এই ঘৰত আৰু নাথাকো মাৰ ঘৰলৈ গুচি যাম। তোমাৰ কথাৰ দ্বাৰা তোমাৰ নিৰ্মল মনৰে পৰিচয় পোৱা যায় । তোমাৰ যিমানেই প্ৰশংসা নকৰো, সেয়াই যেন যথেষ্ট নহয় । তুমি নিশ্চিত থাকা । মানুহৰ পৰা আমি যিমান ধন পাব আছে সেইবোৰ লৈ আমি সেই ধনেৰে এখন কাপোৰৰ দোকান দিম । এক-দুই বছৰৰ ভিতৰতে লাখ লাখ টকা উপাৰ্জন কৰিম ।”

“সেই লাখ লাখ টকা সুৰক্ষিত ৰাখিবলৈ পুনৰ ডাঙৰ চন্দুকো এটা ৰাখিবা নেকি ?” ভূদেৱীয়ে সুধিলে ।

“নাই, আৰু নাৰাখো । এতিয়া চন্দুকৰ দিন আৰু উকলি গ'ল । যি অৰ্জন কৰিম সেই টকাৰে আৰামেৰে জীৱন কটাম ।” ভূষণে কলে ।

ভূষণে যি কৈছিল, কৰিও দেখুৱালে । তেওঁ নানা ধৰণৰ ব্যৱসায় কৰি প্ৰচুৰ উপাৰ্জন কৰিলে । পিছৰ বছৰতে তেওঁ গোপালপুৰৰ ধনী ব্যক্তি সকলৰ এজন হিচাবে পৰিগণিত হ'ল । এতিয়া তেওঁ যিমান উপাৰ্জন কৰে সকলো পত্নীকে দিয়ে । এইদৰে পতি-পত্নী দুয়ো সুখেৰে জীৱন কটাবলৈ ধৰিলে আৰু সামাজিক কামতো মনোযোগ দিলে ।

ধূৰ্ত বৈদ্য

কুন্তীৰ নগৰত এজন বৈদ্য আছিল । তেওঁৰ নাম আছিল শিৱ বৈৰাগী । তেওঁ ডাঙ্কোপ মৰা কথা কৈ মানুহক বুজাব খুজিছিল যে তেওঁ এজন ডাঙৰ বৈদ্য । অনেক সময়ত মানুহে তেওঁৰ ছলনাকাৰী কথা শুনি তেওঁৰ ওচৰলৈ আহিছিল আৰু তেওঁলোকক ঠগাই বৈদ্যই পেট প্ৰবৰ্তাইছিল । তেওঁৰ লগত মাত্ৰ কিছুমান ভস্ম, বড়ি আৰু কিবাকিবা ৰসায়ন আছিল।

এবাৰ সেই ৰাজ্যৰ যুৱৰাজৰ এক আচৰিত বেমাৰ হ'ল । তেওঁৰ ভোক পিয়াহ একো নালাগে । বিচনাতে সদায় শুই থাকে । একো বস্তুৱে তেওঁৰ ভাল নালাগে ।

বহুত চেষ্টা কৰিও ৰাজবৈদ্যই যুৱৰাজৰ বেমাৰ ধৰিব পৰা নাই । যুৱৰাজৰ অসুস্থতাৰ বাবে ৰজাৰ মনত ডাঙৰ চিন্তা লাগিল । ৰজাৰ চিন্তাৰ কথা বুজিব পাৰি, মন্ত্ৰী আৰু ৰাজকৰ্মচাৰীসকলে ৰজাক পৰামৰ্শ দিলে যে, শিৱ বৈৰাগীক আনি যুৱৰাজক দেখুৱাব লাগে ।

"ছিঃ . ছিঃ তেওঁও এটা বৈদ্যনে ! য'ত ধন্বন্তৰীৰ দৰে ৰাজবৈদ্যই যুৱৰাজৰ বেমাৰ ভাল কৰিব পৰা নাই, তেনেস্থলত সেই মূৰ্খ, ভস্ম বিক্ৰী কৰিফুৰা বৈদ্যই কি ভাল কৰিব?" ৰজাই কলে ।

"এইটো কোৱা উচিত নহব মহাৰাজ । কথাতে কয়, 'চোপনীয়া বনতো বাঘ থাকে'। যি বেমাৰ ডাঙৰ ডাঙৰ বৈদ্যই ভাল কৰিব নোৱাৰে, কেতিয়াবা জঙ্ঘলী লোকেও তেনে বেমাৰ ভাল কৰে । কোৱা শুনিছো, শিৱ বৈৰাগীয়ে বোলে মৃত্যুমুখী লোককো জীৱন দিছে । যি বেমাৰী ৰাজবৈদ্যই ভাল কৰিব নোৱাৰে, তাক এনে ধৰণৰ বৈদ্যই হে ভাল কৰিব পাৰে ।" ৰজাক কৰ্ম্মচাৰীসকলে কলে।

ৰজাই কিছু সময় চিন্তা কৰি কলে- "তেতিয়াহলে আমি এটা কাম কৰো, কিছুমান এনে লোকৰ চিকিৎসাৰ বাবে শিৱ বৈৰাগীক মাতি আনো, যাৰ বেমাৰ অন্য লোকৰ দ্বাৰা ভাল হোৱা নাই । যদি বৈৰাগীয়ে সেই মানুহবোৰৰ বেমাৰ ভাল কৰিব পাৰে, তেতিয়াহলে যুৱৰাজকো তেওঁ চিকিৎসা

পচিশ বছৰ আগতে চান্দমামাত প্ৰকাশিত গল্প

কৰিব । নহলে সেই কপট বৈদ্যক শিৰশ্চেদ কৰি তাৰ মূৰটো দুৰ্গৰ দুৱাৰত ওলমাই থম ।

ৰজাৰ কথাটো মন্ত্ৰী তথা অন্যান্য লোকৰ যুক্তিযুক্ত যেন লাগিল । তেওঁলোকে নগৰত ঘূৰি এনে কিছুমান ৰোগী বিচাৰি উলিয়ালে, যাক কোনেও ভাল কৰিব পৰা নাছিল । ৰোগীবোৰক যুৱৰাজৰ ওচৰৰ কোঠাটোতে আনি ৰাখিলে । ইয়াৰ পিছত ৰজাই শিৱ বৈৰাগীক মাতি আনি কলে, "শুনিছানে, তুমি এজন ছলনাকাৰী বৈদ্য ! যদি তুমি সঁচাকৈয়ে বেজালি নাজানা, তেতিয়াহলে তোমাক দন্ড দিয়া হব । এইবিষয়ে তোমাৰ কিবা কব লগা আছেনে ?"

"মহাৰাজ, মই বহুতো বেমাৰী ভাল কৰিছো। মোৰ চিকিৎসা পদ্ধতি আৰু ঔষধ বেলেগ ধৰণৰ । যিবোৰে মোক ভাল নাপায়, তেওঁলোকে মই চিকিৎসা কৰিব নাজানো বুলি কয় । তেওঁলোকক বিশ্বাস কৰি মোক দন্ড দিয়া উচিত নহব ।" শিৱ বৈৰাগীয়ে কলে।

"তেতিয়াহলে তুমি যে বেজালি জানা তাৰ প্ৰমাণ দেখুৱা । বহুদিন ধৰি বেমাৰত ভোগী থকা ভিতৰত কিছুমান ৰোগী আছে । তেওঁলোকৰ বেমাৰ তুমি ভাল কৰি দিয়া । যদি তুমি তেওঁলোকৰ বেমাৰ ভাল কৰিব পাৰা তোমাক ৰাজবৈদ্য কৰিম । আৰু যদি তুমি বেমাৰ ভাল কৰিব নোৱাৰা তোমাৰ মূৰটো কাটি দুৱাৰত ওলমাই ৰাখিম ।"ৰজাই কলে।

বৈদ্যৰ মুখৰ পৰা কোনো কথা নোলাল । সৈনিকে তেওঁক ৰোগীৰ কোঠালৈ লৈ গ'ল। কেইজনমান ৰাজকৰ্মচাৰীও তেওঁৰ লগত গ'ল ।

"মই ৰোগীসকলক অকলে কিছুমান প্ৰশ্ন সুধিব লাগিব, তোমালোক গুচি যোৱা ।" এইবুলি কৈ বৈদ্যই সকলোকে কোঠাৰ পৰা বাহিৰ কৰি দি ভিতৰৰ পৰা দুৱাৰৰ খিলি লগাই দিলে । তেওঁ এইটো জনা নাছিল যে কাষৰ কোঠাটোতে যুৱৰাজ আছে ।

ইয়াৰ পিছত ঠগ বৈদ্যই ৰোগীসকলক কলে, "মোৰ লগত এনে ৰাম বাণ লেওঁ আছে যাৰ দ্বাৰা তোমালোকৰ বেমাৰ ভাল হৈ যাব । মানুহৰ কলিজাটো উলিয়াই সেইটো ভাজি, গুড়ি কৰি তাৰ লগত ঔষধ মিহলাই তোমালোকক লেওঁ দিব লাগিব । এইদৰে তিনিবাৰ খগালে তোমালোকৰ বেমাৰ ঠিক হৈ যাব । এই ঔষধটো তৈয়াৰ কৰিবলৈ তোমালোকৰ ভিতৰত যি আতাইতকৈ বেচি বেমাৰী তেওঁ মৰিবলৈ সাজু থাকিব লাগিব ।" এইবুলি কৈ বৈদ্যই এজন যক্ষ্মা বেমাৰীৰ ফালে চালে ।

সেই বেমাৰীজনে ভয় খাই গ'ল । তেওঁ

কলে, "মোৰ বেমাৰ ক'ত ? মইতো সম্পূৰ্ণ সুস্থ্য । মই বেমাৰ নাই বুলি কলেও মোৰ ঘৰৰ মানুহে চিকিৎসা কৰায়ে আছে । মোৰ কোনো বেমাৰ নাই...কোনো বেমাৰ নাই ।" এইবুলি কৈ বাহিৰলৈ ওলাই আহি সি বায়ুবেগে দৌৰি গুচি গ'ল ।

সেইজন যোৱাৰ পিছতে অন্য এজন ৰোগীয়ে "মোৰ কোনো বেমাৰ নাই, মই সম্পূৰ্ণ সুস্থ্য," বুলি কৈ তাৰপৰা দৌৰি পলাই গ'ল । সকলো ৰোগীয়ে মোৰ কোনো বেমাৰ নাই বুলি কোৱা দেখি ৰজা অতি আচৰিত হ'ল । যদি স্বৰ্গৰ দেৱতাসকলৰ বৈদ্য অশ্বিনী কুমাৰো আহি চিকিৎসা কৰিলে হেতেন এই চাৰি পাঁচ জন পুৰণি বেমাৰী ইমান সোনকালে ভাল নহলহেতেন । ভিতৰত নো কি হৈছে তাকে চাবলৈ ৰজাই নিজৰ পৰিয়ালৰ মানুহৰ সৈতে কোঠাৰ ভিতৰলৈ সোমাই গ'ল । তেওঁলোকে খালি কোঠাৰ ভিতৰত শিৱ বৈৰাগীক দেখা পালে । ওচৰৰে কোঠাটোৰ পৰা ৰজাই যুৱৰাজৰ হাঁহি শুনিলে ।

ৰজাই ইমান দিনৰ পিছত পুতেকৰ হাঁহি শুনি আৰু আনন্দিত দেখি তেওঁৰ ওচৰলৈ গৈ সুধিলে, "বাচা, কি, তোমাৰ বেমাৰ ঠিক হৈ গ'ল ? কিয় এইদৰে হাঁহি আছা ?"

"মোৰ কি বেমাৰ আছে ? মইতো সম্পূৰ্ণ সুস্থ্য," এইবুলি কৈ যুবৰাজ আকৌ ডাঙৰকৈ হাঁহিলে । ৰজাই যুৱৰাজৰ মুখৰ পৰা গোটেই ঘটনাটো জানি ললে । ঠগ বৈদ্যই আগন্তুক বিপদৰ কথা ভাবিবলৈ ধৰিলে । ৰজাই নিশ্চয় তেওঁৰ শিৰশ্চেদ কৰিব ।

ৰজাই তেওঁৰ ফালে চাই কলে, "তুমি বেজালি কৰিব নাজানা । এইবাৰ তোমাক ক্ষমা কৰি দিলো । তুমি বৈদ্যৰ কাম এৰি দিয়া আৰু ৰাজদৰবাৰত বিদূষকৰ কাম কৰা । যুৱৰাজে সদায় মন মাৰি থাকে, তোমাৰ কাম হ'ল তেওঁক কেতিয়াও মন মাৰি থাকিবলৈ নিদিবা । সদায় তেওঁক আনন্দ মনে ৰাখিবা।

এতিয়া এজন ধূৰ্ত বৈদ্য ৰাজ্যৰ বিদূষক হ'ল । তেওঁ নিজেও স্বীকাৰ কৰি কলে যে তেওঁ চিকিৎসা কৰিব নাজানে । তেওঁৰ লগত যিবোৰ ঔষধ আছে সেইবোৰ সামান্য ঘৰুৱা ঔষধ মাত্ৰ । তেওঁ সেইবোৰ নিজৰ মতে প্ৰয়োগ কৰি প্ৰায়ে তেওঁ ৰোগীক হহুঁৱাই মিলি ৰোগমুক্ত কৰে ।

শিৱ বৈৰাগীয়ে বিদূষক হৈ যুবৰাজক হাঁহি আনন্দৰ মাজেৰে সুস্থ কৰি ৰাখিলে ।

সেয়েহে কোৱা হয় হাঁহিতকৈ ডাঙৰ চিকিৎসা একো নাই ।



অবিশ্বাস্য এক মহান কাৰ্য্য

বহুদিন আগৰ কথা । জাপানত এজন জমিদাৰে বাস কৰিছিল । তেওঁৰ ককা, আজোককাকে বহুতো ধন-সম্পত্তি অৰ্জন কৰিছিল । তেওঁ সদায় পূৰ্বপুৰুষৰ প্ৰশংসা কৰিছিল আৰু কৈছিল তেওঁলোক বহুত ডাঙৰ মানুহ আছিল । তেওঁলোকৰ বাবে কোনো কামেই অসম্ভৱ আৰু অসাধ্য নাছিল । কিন্তু তেওঁ নিজে কোনো উপাৰ্জন কৰা নাছিল । তেওঁ পূৰ্বপুৰুষৰ প্ৰশংসা কৰিয়ে আনন্দ লাভ কৰিছিল।

তেওঁৰ এই প্ৰবৃত্তিৰ বাবে কিছুমান মানুহে সুবিধা লব বিচাৰিছিল । তেওঁলোকে গোটেই দিনটো জমিদাৰৰ ওচৰত থাকি জমিদাৰৰ পূৰ্বপুৰুষৰ প্ৰশংসাত পঞ্চমুখ হৈ আছিল । এজনে কলে, “আপোনাৰ পিতাই মহাৰাজকো পৰাজিত কৰিছিল । মহাৰাজে আপোনাৰ পিতাকৰ আগত তিষ্ঠিব নোৱাৰি কোনোমতে পলাই সাৰিছিল ।” অইন এজনে কবলৈ ধৰিলে, “আপোনাৰ ককাকে আমাৰ ৰাজ্যৰ বিদগ্ধ পণ্ডিতকো নিজৰ পাণ্ডিত্যৰ বলেৰে পৰাজিত কৰিছিল ।” তৃতীয়জনে কলে, “আপোনাৰ আজোককাক ইমান যে ধুনীয়া আছিল ! তেওঁৰ সৌন্দৰ্য্যত মুগ্ধ- হৈ স্বৰ্গৰ অপ্সৰাইও তেওঁৰ লগত বিয়া হবলৈ ইচ্ছা কৰিছিল । আপোনাৰ মুখমণ্ডলতো পূৰ্বপুৰুষৰ প্ৰতিচ্ছবি দেখা যায় । আপোনাৰ লগত বিয়া হবলৈ কালি-পৰহিৰ ভিতৰত যদি কোনো অপ্সৰাই বিবাহৰ প্ৰস্তাৱ আগবঢ়ায় তাত আচৰিত হব লগা একো নাই ।”

“হয়, তোমালোকে ঠিকেই কৈছা । এইটোতো সকলোৱে জানে আমাৰ পূৰ্বপুৰুষ সকল সৰ্বজ্ঞ আছিল । এনো কোনো কাম নাই, যি তেওঁলোকে সম্পূৰ্ণ কৰা নাই । তেওঁলোক সৰ্বশক্তিমান আছিল ।” জমিদাৰে এই বুলি কৈ খুব আনন্দ লাভ কৰিছিল ।

এইদৰে বহুদিন গ'ল । এদিন জমিদাৰে তেওঁৰ চাৰিওফালে বহি থকা মানুহবোৰক কলে, “তোমালোকৰ মাজৰ কোনোবাই আমাৰ পূৰ্বপুৰুষে কৰা এনে কাৰ্য্যৰ কথা কব পাৰিবানে, যিটো বিশ্বাসযোগ্য নহয় । যিয়ে কব পাৰিবা তেওঁকে এশটা সোণাৰ মোহৰ দিয়া হব ।”

তাত বহি থকা কোনো লোকে হঠাতে

কোনো নতুন ঘটনা কল্পনা কৰিব পৰা নাছিল, সেয়েহে মনে মনে থাকিল ।

এনে সময়তে এজন দুখীয়া খেতিয়ক তালৈ আহিল । তেওঁৰ খেতি পথাৰত যি ফচল হৈছিল তাৰ ওপৰত জমিদাৰৰ গোমস্তাই এটকা ধনৰ কৰ লগাইছিল । খেতিয়কজনে জমিদাৰৰ ওচৰত নিবেদন কৰি কলে এইটো অন্যায় হৈছে ।

"তুমি এটকা ধনৰ বাবে ইমান চিঞৰ-বাখৰ কৰিছা ? যদি তুমি আমাৰ পূৰ্বপুৰুষসকলে কৰা ডাঙৰ ডাঙৰ কামবোৰৰ ভিতৰত এটা ডাঙৰ কামৰ কথা কব পাৰা তুমি এশ সোণৰ মুদ্ৰা লাভ কৰিব পাৰিবা ।" জমিদাৰে খেতিয়কজনক কলে।

"আপোনাৰ ককা আজোককাই কৰা এক মহান কামৰ কথা মই কব পাৰো । এনে মহান কাম আন কোনো ৰজা বা জমিদাৰে কৰিব পৰা নাই । আনকি তেওঁলোকৰ পূৰ্বপুৰুষেও কৰা নাছিল ।" খেতিয়কজনে কলে ।

খেতিয়কজনৰ কথা শুনি জমিদাৰ আচৰিত হৈ ৰল । নিজকে প্ৰস্তুত কৰি লৈ জমিদাৰে খেতিয়কজনক কলে, "তোমাৰ মুখৰ কথাতে তেওঁলোকে কৰা আচৰিত কাৰ্য্যৰ কথা মই মানি লব নোৱাৰিম । তুমি তেওঁলোকৰ যি আচৰিত কাৰ্য্যৰ কথা উল্লেখ কৰিব বিচাৰিছা সেইটো মোৰ মনতো আচৰিত বুলি বিশ্বাস হব লাগিব, আচলতে সেইটো আচৰিত হয় নে নহয় । মোৰ চৰ্তত ৰাজি আছা তো ?"

"ঠিক আছে, আপুনিয়েই সিদ্ধান্ত কৰিব ।" খেতিয়কজনে কলে ।

"এতিয়া কোৱা ।" জমিদাৰে কলে । খেতিয়কজনে কবলৈ ধৰিলে, "আপোনাৰ ককাকৰ আজোককাক মানে আপোনাৰ পাঁচপুৰুষ আগৰ জমিদাৰ অতি মহান লোক আছিল । তেওঁ এদিন পৰিয়ালৰ সৈতে পাল্কিত উঠি ভগবানৰ মন্দিৰ দৰ্শন কৰিবলৈ গৈছিল ।

"দুপৰ হোৱাৰ লগে লগে তেওঁলোক গৈ এডাল বটগছৰ তলত ৰল । তেওঁ পাল্কিৰ পৰা নামি জিৰণি লব বিচাৰিলে । এনে সময়তে সেই বাটেৰে গৈ থকা এজন পথিকে তেওঁক কলে, "প্ৰভু, এই গছডালত ৰং বিৰঙৰ কিমান যে পক্ষী বাস কৰিছে । সিহঁতে আপোনাৰ ওপৰত মল



ত্যাগ কৰি আপোনাৰ কাপোৰ লেতেৰা কৰি দিব পাৰে । সেয়েহে আপুনি এই ঠাই পৰিত্যাগ কৰি অন্য ঠাইত জিৰণি লওক ।”

এই কথাত জমিদাৰে খং কৰি কলে, “মই এজন জমিদাৰ । পক্ষীক ভয় কৰি মই ইয়াৰ পৰা যামনে? অসম্ভৱ । মই ইয়াৰ পৰা যোৱাৰ প্ৰশ্ন ই নুঠে ।”

“মোৰ আজোককাই যি কৈছিল, ঠিকেই কৈছিল । কিয়নো তেওঁ এজন স্বাধীন প্ৰবৃত্তিৰ লোক আছিল । কাৰো কথা শুনিবলৈ তেওঁ ৰাজী নাছিল ।” জমিদাৰে কলে ।

খেতিয়কজনে আকৌ কবলৈ ধৰিলে, “অলপ পিছত এটা চৰায়ে তেওঁৰ গাত মল ত্যাগ কৰিলে। তৎক্ষণাত তেওঁ এটা নতুন চোলা আনিবলৈ হুকুম দিলে । চাকৰে তেওঁক এটা চোলা আনি দিলে । জমিদাৰে সেইটো পিন্ধিলে।

অলপ সময় পিছত আকৌ এটা চৰায়ে জমিদাৰৰ ধূতিত মল ত্যাগ কৰিলে । তেতিয়া জমিদাৰে আদেশ দিলে, মোক নতুন ধুতি এখন দিয়া আৰু এইখন পেলাই দিয়া । চাকৰকেইজনে জমিদাৰৰ আদেশ পালন কৰিলে ।

“এইটোনো কি ডাঙৰ কথা । মোৰ আজোককা যলৈকে গৈছিল বাকছে বাকছে কাপোৰ লৈ গৈছিল ।” জমিদাৰে গৌৰৱেৰে কথাখিনি কলে।

খেতিয়কজনে আকৌ কবলৈ ধৰিলে, “অলপ সময়ৰ পিছত আকৌ এটা চৰায়ে মল ত্যাগ কৰিলে । এইবাৰ গৈ তেওঁৰ চেণ্ডেল যোৰৰ ওপৰত পৰিল । তেওঁ চেণ্ডেলযোৰ দূৰলৈ দলিয়াই দিলে আৰু চাকৰ জনক এযোৰ নতুন চেণ্ডেল আনিবলৈ আদেশ দিলে ।

“হাঁ,হাঁ, তেওঁৰ স্বভাৱ মই ভালদৰে জানো। আমাৰ পূৰ্বপুৰুষসকল এনে মেজাজৰে লোক আছিল,, “জমিদাৰে কলে ।

খেতিয়কজনে আকৌ কলে, “অলপ পিছত আকৌ এটা চৰায়ে তেওঁৰ মূৰতে বিষ্ঠা ত্যাগ কৰিলে আপোনাৰ আজোককাকে কোনো ভবা চিন্তা নকৰাকৈ আদেশ দিলে এই মূৰটো পেলাই দি তাৰ ঠাইত এটা নতুন মূৰ লগাই দিয়া ।”

জমিদাৰে কলে, “এই ঘটনাটো মোৰ বিশ্বাস হোৱা নাই ।”

“ধন্যবাদ প্ৰভু, মই পুৰস্কাৰ লাভ কৰিলো।” এইবুলি কৈ খেতিয়কজনে আগবাঢ়ি গৈ পুৰস্কাৰৰ মুদ্ৰা থকা মোনাখন তুলি ললে । তাত উপস্থিত থকা সকলো লোকে হাঁহি হাঁহি হাত তালি বজালে । জমিদাৰে খেতিয়জনৰ বিৰুদ্ধে একো কব নোৱাৰিলে ।

খেতিয়কজনে জমিদাৰক নমস্কাৰ জনাই মুদ্ৰাথকা মোনাখন লৈ তাৰ পৰা গুচি গ’ল ।

এই মাহত জন্ম হোৱা ব্যক্তি

শঙ্কৰ

দেশৰ ভিতৰে বাহিৰে লাভ কৰা খিতাপ আৰু পুৰস্কাৰবোৰৰ ভিতৰত শঙ্কৰৰ আতাইতকৈ ভাল লগা পুৰস্কাৰটো হ'ল পোলেণ্ডৰ শিশুসকলে জনোৱা অৰ্ডাৰ অফ স্মাইল' উপাধিটো। ১৯৭৭ চনৰ বাৰ্ষিক পুৰস্কাৰৰ বাবে তেওঁলোকে শঙ্কৰচ্ ইন্টাৰনেচনেল চিল্ড্ৰেনচ্ কম্পিটিচনৰ প্ৰতিষ্ঠাপকক নিৰ্বাচিত কৰিছে । এক গাম্ভিৰ্য্যপূৰ্ণ অনুষ্ঠানেৰে তেওঁ এই সন্মান লাভ কৰি শিশুসকলৰ মুখত হাঁহি ফুটুৱাৰ প্ৰতিশ্ৰুতি দিয়ে।

কে.শঙ্কৰ পিল্লাই ১৯০২ চনৰ ৩১ জুলাইত এতিয়াৰ কেৰালাৰ ত্ৰিবাঙ্কুৰত এটা নৈষ্ঠিক পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল । পৰিয়ালটোৱে যিহেতু মাতৃতান্ত্ৰিক প্ৰথা মানি চলিছিল সেয়েহে তেওঁ মোমায়েকৰ ঘৰতে থাকিছিল । তেওঁৱেই ঘৰখনৰ একমাত্ৰ শিশু হোৱা বাবে তেওঁৰ লগৰীয়া আছিল ঘৰৰ চৌহদত থকা পখিলা, চৰাই চিৰিকতি আদি।

স্কুলত এদিন অঙ্কৰ শিক্ষকে ছাত্ৰসকলক অঙ্ক কৰিবলৈ দি ভৰিদুখন টেবিলত তুলি দি চকীত মূৰটো আউজি শুই আছিল । শঙ্কৰে সেই দৃশ্যটো কাগজত আঁকিছিল আৰু সেইদিনাখনে কাৰ্টু নিষ্ট শঙ্কৰৰ জন্ম হৈছিল ।

স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত ১৯২৬ চনত তেওঁ বোম্বাইলৈ গৈছিল। তাত তেওঁ নিয়মিত কাৰ্টুন আঁকিছিল আৰু সেইবোৰ বাতৰি কাকতত প্ৰকাশ হৈছিল। ১৯৩২ চনত তেওঁ হিন্দুস্থান টাইম্চত কাৰ্টুনিষ্ট হিচাবে যোগদান কৰিছিল আৰু তেওঁৱেই আছিল প্ৰথম ষ্টাফ কাৰ্টুনিষ্ট ।

ভাৰতৰ স্বাধীনতাৰ পিছত শঙ্কৰে ভাৰতৰ একমাত্ৰ কাৰ্টুন পত্ৰিকা শঙ্কৰচ্ উইকলি প্ৰকাশ কৰিছিল । ১৯৪৮ চনৰ মে মাহত ইয়াৰ প্ৰথম সংখ্যাটো উন্মোচন কৰি প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে কৈছিল, "শঙ্কৰ আপুনি মোকো ৰেহাই নিদিব ।" আৰু তেওঁ সেইটো কৰিছিলো। তেতিয়াৰ পৰা ১৯৬৪ চনৰ ভিতৰত পণ্ডিত নেহৰুৰ বিষয়ে ১,৫০০ কাৰ্টুন আঁকিছিল, যিটো এজন বিশিষ্ট লোকৰ ক্ষেত্ৰেত এক অভিলেখ ।

১৯৪৯ চনত উইকলিখনৰ শিশু সংখ্যা এটা প্ৰকাশ কৰাৰ বাবে শিশুসকলৰ পৰা লিখনি চিত্ৰাঙ্কন আদি বিচাৰিছিল। সেইবছৰেই ডিচেম্বৰ মাহত প্ৰথম শিশু সংখ্যাটো প্ৰকাশ কৰা হৈছিল। তাৰ পিছৰ বছৰত ১৩ খন দেশৰ শিশুৱে লিখনি পঠাইছিল । সেই আন্তৰ্জাতিক প্ৰতিযোগিতাই আজি ৫২ বছৰ পূৰ্ণ কৰিছে ।

১৯৫০ চনৰ পৰাই শঙ্কৰে শিশু শিল্পৰ প্ৰদৰ্শনী পাতিছে । তেওঁ দিল্লীত শিশুসকলৰ বাবে থিতাতে আঁকা প্ৰতিযোগিতা পাতিছিল । ৰাজধানীত এতিয়া সেই প্ৰতিযোগিতা বছৰে বছৰে পতা হয় ।

ইয়াৰ পিছত শঙ্কৰে নতুন দিল্লীত নেহৰু হাউচ নামৰ এটা পাঁচ তলাৰ ঘৰ নিৰ্মাণ কৰি তাতে চিল্ড্ৰেনচ্ বুক ট্ৰাষ্ট এটা আৰম্ভ কৰিছিল । সকলো ভাষাৰ কিতাপকে ধৰি ট্ৰাষ্টৰ প্ৰকাশনাৰ সংখ্যা প্ৰায় ১,০০০ খন। তেওঁ শিশুসকলক উৎসাহিত কৰাৰ বাবে ১৯৬৮ চনত চিল্ড্ৰেনচ্ ওৱাৰ্ল্ড নামৰ আলোচনী এখন প্ৰকাশ কৰিছিল । ১৯৬৫ চনত শঙ্কৰে কেৱল শিশুৰ বাবে এটা গ্ৰন্থাগাৰ আৰম্ভ কৰিছিল ।

শঙ্কৰে বিভিন্ন দেশৰ পৰা পোৱা কষ্টিউম ডলেৰে নেহৰু হাউচত শঙ্কৰচ ইন্টাৰনেচনেল ড,লচ মিউজিয়ামটো প্ৰতিষ্ঠা কৰিছিল । তাত এশখন দেশৰ প্ৰায় ৮,০০০ কষ্টিউম ডল আছে । এনে ধৰণৰ এইটোৱে প্ৰথম মিউজিয়াম ।

১৯৮৯ চনৰ ২৬ ডিচেম্বৰত শঙ্কৰৰ মৃত্যু হৈছিল । তেওঁ শিশুসকলক হাঁহিবলৈ শিকাইছিল, নহয় নে?

নিৰ্ভীক

এখন অতব্য হাবিত জগদাম্বা নামৰ এজনী যাদুকৰী আছিল । তাই বৰ নিষ্ঠুৰ আছিল । তাই হাবিৰ মাজেৰে পাৰ হৈ যোৱা মানুহক ভয় খুৱাইছিল আৰু সিহঁতক মাৰি আনন্দ লাভ কৰিছিল । তাই এটা গুহাত বাস কৰিছিল । সেই গুহাটো মৰা মানুহৰ হাড়-মূৰেৰে ভৰি আছিল । তাৰ মাজতে শুই তাই ৰাতি টোপনি মাৰিছিল ।

সেই হাবিৰ ওচৰৰে গাঁৱৰ ৰমানাথ নামৰ এজন যুৱকে যোৱা বছৰ চিকাৰ কৰিবলৈ হাবিৰ মাজলৈ গৈছিল । কিন্তু যাদুকৰীয়ে তাক মাৰি পেলোৱাত গাঁৱৰ মানুহবোৰে সেইফালে যাবলৈকে এৰি পেলাইছিল ।

ৰমানাথৰ সৰু ভায়েকৰ নাম আছিল বীৰ। মানুহে কয় তাৰ দৰে নিৰ্ভীক যুৱক আজিলৈকে আমি দেখা নাই । এদিন সি প্ৰতিজ্ঞা কৰিলে যে, যাদুকৰীৰ জীৱন লৈ হে এৰিম । এইবুলি কাকো একো নোকোৱাকৈ সি গভীৰ অৰণ্যৰ মাজলৈ সোমাই গল ।

বীৰ গৈ যেতিয়া জগদাম্বা থকা ঠাই পালে, তেতিয়া সি দেখিবলৈ পালে যাদুকৰীয়ে এডাল বিশাল ডাঙৰ গছৰ তলত বহি কিবা ভাবি আছে । আজি কেইদিনমান ধৰি সেইফালেৰে কোনো মানুহ অহা যোৱা কৰা নাছিল, সেয়েহে তাইৰ ওচৰলৈ অহা বীৰক দেখি তাইৰ বৰ ভাল লাগিল আৰু চকুদুটা চমকি উঠিল ।

বীৰে যাদুকৰীক দেখি কলে, "আইতা, ভালে আছানে ?" ট ট কৈ জ্বলি থকা চকুদুটিৰে বীৰৰ ফালে চাই তাই কলে, "ভালে থকা বাবেতো এইদৰে ইয়াত আৰামকৈ বহি আছো । মোৰ নাতিনো কলৈ যাবলৈ আহিছা ?"

"কিনো কম, মোৰ নাম হ'ল বীৰ । সকলোৱে কয় মই বোলে ভয় কাক কয় নাজানো । গুৰুৱে পাঠশালত সকলো বিদ্যাই শিকালে কিন্তু ভয় কি বস্তু নিশিকালে । সেয়েহে কিছুদিন ধৰি মোক ভয় খুৱাব পৰা

সদানন্দ



কৌতুক পূৰ্ণ ভাবে প্ৰশংসা কৰিলে।

যাদুকৰীয়ে বীৰৰ কথাত সন্তুষ্ট হৈ কলে, "নাতি, তই সঁচাই কৈছ নে ? সঁচাকৈয়ে মই ইমান ধুনীয়া নে ?"

"তুমি মোৰ কথা যদি বিশ্বাস কৰা নাই নিজে আইনাত চাই লোৱা।" এইবুলি বীৰে মোনাৰ পৰা আইনাখন উলিয়াই দিলে। আইনাত নিজৰ ৰূপ দেখি যাদুকৰীয়ে ভাবিলে তাই খুব ধুনীয়া। তাই অলপ লাজো পালে।

"নাতি, তই যি কৈছ একদম সঁচা। ইমান দিনৰ পিছত তই কোৱা বাবেহে এই সত্য কথাটো মই জানিব পাৰিলো। ব'ল, তোক আজি ভালকৈ খানা খুৱাম।" অতি আনন্দিত হৈ জগদাম্বাই কলে।

"খানা পিচতো খাম, প্ৰথমতে মোক ভয় খুৱাবলৈ চেষ্টা কৰা। চাই লওঁ ইয়াতে তুমি কৃতকাৰ্য্য হব পাৰা নে নোৱাৰা।" বীৰে জগদাম্বাক কলে।

"হে অবোধ যুৱক মই যদি ভয় খুৱাব ধৰো, তেতিয়াহলে থিয়ৈ থিয়ৈ তই মৰি যাবি। তই মোৰ সৌন্দৰ্য্যৰ প্ৰশংসা কৰিছ, সেয়েহে মই তোক মাৰিব খোজা নাই। দীঘল নখবোৰ দেখুৱাই যাদুকৰীয়ে কলে।

"মই বুজিব পাৰিছো মোক ভয় খুৱাব পৰা সাহস তোমাৰ নাই। এতিয়া ইয়াত থাকি মোৰ কি লাভ। মই যাওঁ।" এইবুলি কৈ বীৰ যাবলৈ ধৰিলে।

"অ' এইহে কথা ! তেতিয়াহলে মোৰ লগত ব'ল।" যাদুকৰীয়ে তাক গুহাৰ ভিতৰলৈ লৈ গ'ল।

ভিতৰলৈ গৈ বীৰে তাত বহুতো হাড়-মূৰ দেখিবলৈ পালে। "তেতিয়াহলে এই

লোকৰ সন্ধানত আছো। কিন্তু কাকো দেখিবলৈ পোৱা নাই।" বীৰে নিৰ্ভীক হৈ যাদুকৰীক কলে।

"এইটোহে কথা নে মোৰ নাতি ! তেতিয়াহলে তই আচল ঠাইলৈকে আহিছ। অতি সোনকালে তোক পৰলোকলৈ যোৱা পথটো দেখুৱাম।" বিকট অট্টহাঁহি মাৰি জগদাম্বাই কলে।

মোক যদি ভয়খুৱাই পৰলোকলৈ পাঠাব পাৰা নিশ্চয় পঠাবা। মই তোমাৰ বিষয়ে বহুত কিবা কিবি শুনিছিলো। মানুহে কৈছিল যাদুকৰী জগদাম্বাৰ ৰূপ অতি ভয়ঙ্কৰ। দেখিলেই হাত ভৰি কঁপিবলৈ ধৰে। কিন্তু তোমাকতো অতি সুন্দৰ লাগিছে। তোমাৰ এই জঁটাবন্ধা পকা চুলি, এই চেপেটা নাক, জুই জ্বলি থকাৰ নিচিনা দুটা চকু, বাঃ ! তোমাৰ সৌন্দৰ্য্যৰ যিমানে বৰ্ণনা নকৰো সেয়াই যথেষ্ট নহয়।" বীৰে যাদুকৰীক

হাড়-মূৰবোৰৰ ভিতৰত মোৰ ভাইৰ হাড়-মূৰবো নিশ্চয় থাকিব ।" মনে মনে এই কথাটো ভাবি বীৰে চকুদুটা মুদি দিলে ।

এনে সময়তে যাদুকৰীয়ে কলে, "হে মোৰ নাতি, ইয়াৰ ভিতৰৰ মই কোনো এজনকে বিহদি অথবা চুৰি মাৰি হত্যা কৰা নাই । কথাতে কয় নহয়, জনাক বুজাবা আকাৰে ইঙ্গিতে । তই যদি বুদ্ধিমান হয় তেতিয়াহলে বুজিবই পাৰিছ মই কিমান ভয়ঙ্কৰ । মই বুজিব পাৰিছো এই হাড়বোৰ দেখিয়ে তোৰ দেহৰ ৰং সলনি হৈছে । এতিয়া নিশ্চয় বুজি পাইছ মই কোন ?"

"ইহঁতৰ কলিজা শহাপহুৰ কলিজাৰ দৰে আছিল ছাগে । খুব ভয়াতুৰ আছিল নিশ্চয় । মোক এনে বুলি নাভাবিবা । মোৰ কলিজা একেবাৰে বাঘৰ কলিজা ।" বীৰে কলে । বীৰৰ কথা শুনি তাই খঙতে অগ্নিশৰ্মা হৈ কলে, "যি দেখিছো মৰিবৰ বাবে চট্‌ফটাই আছ ।" এইবুলি কৈ তাই নিজে নিজে এটা মন্ত্ৰ মাতিবলৈ ধৰিলে ।

অলপ পিছতে তাইৰ মূৰটো বাঘৰ মূৰ হৈ গ'ল । দেহটো শগুণৰ দৰে হৈ পাখী গজি উঠিল । তাই বীৰক ঠেঙৰ মজবুত নখেৰে মেৰিয়াই ধৰি লৈ আকাশত উৰিবলৈ ধৰিলে। বীৰক লৈ কিছুসময় আকাশত উৰি থাকি পিছত মাটিলৈ নামি আহিল । আকৌ এটা মন্ত্ৰ মাতি তাই আগৰ দৰে জগদাম্বা হ'ল ।

বীৰ যেনে আছিল, তেনেই থাকিল । তাৰ মুখত কোনো ভয়ৰ ভাব নাই । সি নিজৰ প্ৰাণ ৰক্ষাৰ বাবে কাকুতিও কৰা নাই অথবা হাৰ মানি শিৰ নতকৰি থিয়হৈও থকা নাই । যাদুকৰীয়ে তাৰ সাহস দেখি আচৰিত হৈ

কলে, "হেৰ, তই এতিয়াও জীয়াই আছ । মই ভাবিছিলো তই মৰি গৈছ ।"

"তোমাৰ কাণ্ড দেখি মই কিয়নো মৰিম। আকাশৰ পৰা ফুৰাই অনা বাবে তোমাক অশেষ ধন্যবাদ । খুব মজা লাগিছিল ।" বীৰে কলে।

বীৰে ভয় নকৰা বাবে তাইৰ খং উঠিল । তাই চিঞৰি চিঞৰি আৰু এটা মন্ত্ৰ মাতিবলৈ ধৰিলে । তাকে দেখি বীৰে ৰগৰ কৰি কলে, "যি দেখিছো তোমাৰ লগত মন্ত্ৰৰ ডাঙৰ টোপোলা আছে । এইবাৰ তুমি যদি ভয় খুৱাই মোকো এই হাড় মূৰৰ দৰে কৰিব নোৱাৰা তেতিয়াহলে মোক এটা মন্ত্ৰ শিকাব লাগিব । কোৱা, এই চৰ্তত ৰাজি আছা ?"

যাদুকৰীয়ে চৰ্ত মানি ললে । এইবাৰ নিজে এটা জকা হ'ল । তাৰ পৰা কিমান য়ে শাপ ফোচ্‌ফোচাই বাহিৰলৈ আহিবলৈ ধৰিলে । তথাপি বীৰে ভয় নাখালে । তাৰপিছত বীৰে

এটা অট্টহাঁহি মাৰি কলে, "হে জগদাম্বা, তুমি হাৰি গ'লা, তুমি হাৰি গলা । এতিয়া চৰ্তমতে তুমি মোক এটা মন্ত্ৰ শিকাব লাগিব।"

"তোৰ হৃদয় খন, হৃদয় নহয়, পাষাণ"। এইবুলি কৈ যাদুকৰীয়ে আকৌ নিজৰ ৰূপ ললে ।

যাদুকৰীয়ে অলপ সময় চিন্তা কৰি কলে, "ঠিক আছে, তোক মই মন্ত্ৰ শিকাম । মই প্ৰমাণ কৰি দেখুৱাম যে যাদুকৰীয়ে নিজৰ কথাৰ লৰচৰ নকৰে ।" ইয়াৰ পিছত তাই বীৰক এটা মন্ত্ৰ শিকালে ।

বীৰে কলে, "ইমান চুটি মন্ত্ৰ ? এই মন্ত্ৰেৰে কি কামত আহিব ?" তেতিয়া যাদুকৰীয়ে খং কৰি কলে, "হে সাহসী ল'ৰা, মই কোনো পাগলী নহয় যে তোক মই দীঘল কামত নহা মন্ত্ৰ শিকাম ।"

"জগদাম্বা আইতা, মোৰ আইতাই কৈছিল যে যাদুকৰীয়ে ইচ্ছা কৰিলে সকলো ৰূপ ধাৰণ কৰিব পাৰে কিন্তু বিছাৰ ৰূপ ধাৰণ কৰিব নোৱাৰে । এই মন্ত্ৰ তেওঁৰ বশ নহয় । তুমি কি বিছা হব পাৰানে ?"

যাদুকৰীয়ে ভাবিলে বীৰে তাইক অপমান কৰিছে, সি তাইক প্ৰত্যাহ্বান জনাব বিচাৰিছে । তাই খঙত জ্বলি উঠিল । তাই কলে, "তোৰ ইমান সাহস ! মোৰ শক্তিৰ ওপৰত অবিশ্বাস কৰিছ, তই মোক কি বুলি ভাবিছ ?" এইবুলি তাই এটা বিছা হৈ বীৰক ডাকিলে ।

বীৰে যাদুকৰীয়ে শিকোৱা মন্ত্ৰটো মনে মনে মাতিবলৈ ধৰিলে । এই কাৰণে বীৰৰ শৰীৰৰ কোনো ক্ষতি নহল । ইয়াৰ পিছত বীৰে ভৰিৰে গছকি বিছাটো মাৰি পেলালে ।

যাদুকৰীক মাৰিব পাৰি বীৰ মনত বৰ আনন্দ লাগিল । সি দেখিবলৈ পালে মানুহৰ জকাবোৰে মানুহৰ ৰূপ ধাৰণ কৰি দলে দলে ওলাই আহিব ধৰিছে । সিহঁতৰ ভিতৰত বীৰৰ ভায়েকো আছিল ।

বীৰে ভায়েকক দেখি দৌৰি গৈ আকোৱালি ধৰিলে । সিহঁত এতিয়াও ভীত হৈয়ে আছে । ভয়তে ইফালে সিফালে চাই কবলৈ ধৰিলে, "যাদুকৰী নিশ্চয় কৰবাত লুকাই আছে, বলা, পলোৱা ।"

বীৰে ভৰিৰে গছকি মৰা বিছাটো দেখুৱাই কলে যে এইটোৱে সেই যাদুকৰী ।

বীৰৰ সাহসক প্ৰশংসা কৰি সকলোৱে তাক কান্ধত উঠাই লৈ এইবুলি কৈ গাঁৱৰ ফালে আগবাঢ়ি গ'ল, "ভয়েও বীৰৰ নাম শুনি ভয় কৰে ।"



শাহু আইৰ বেমাৰ

ৰবীন্দ্ৰৰ যেতিয়া পাঁচ বছৰ বয়স আছিল, তেতিয়াই পিতাকৰ মৃত্যু হৈছিল । তেতিয়াৰ পৰাই তেওঁৰ মাক কল্যাণীয়ে অতি মৰমেৰে তেওঁক ডাঙৰ-দীঘল কৰিছে । ৰবীন্দ্ৰইও খুব ভালদৰে পঢ়া-শুনা কৰি অফিচত ভাল চাকৰি পালে । তেওঁ ভাল চকৰি পোৱা বাবে কিমানে যে তেওঁক ছোৱালী দিবলৈ, লগতে যৌতুকো দিবলৈ অহা যোৱা কৰিছে ।

এদিন কল্যাণীয়ে মন্দিৰত সুধাক লগ পালে। সুধাই কল্যাণীক কলে, “চোৱা কল্যাণী ! মোৰ কথা শুনা । যৌতুকৰ কথা নাভাবিবা । দুখীয়া পৰিয়ালৰ ভাল ছোৱালী হলে তোমাৰ নিয়ন্ত্ৰণত থাকিব । তুমি যি কবা আখৰে আখৰে পালন কৰিব । তেনে ছোৱালীয়ে তুমি আৰু তোমাৰ পুত্ৰই দুখ পাব লগা কোনো কাম নকৰিব । যৌতুকৰ আশাত মই মোৰ ল’ৰাক জমিদাৰৰ ছোৱালী বিয়া কৰাই দিলো । এতিয়া তাৰ ফল ভোগ কৰিছো । মোৰ বোৱাৰীয়ে মোৰ কথা নুশুনে। মোক তাই পোক বুলি ভাবে । মোক বহুত কষ্ট দিয়ে, বহুত দিগদাৰি কৰি থাকে ।” শাৰীৰ আঁচলেৰে চকুপানী মচি মচি সুধাই কলে।

সুধাৰ কথাই কল্যাণীৰ মনত প্ৰভাৱ পেলালে। তাইৰ কথাটো কল্যাণীৰ মনত লাগিল। এদিন সন্ধিয়া যেতিয়া তেওঁ মন্দিৰলৈ গৈছিল, এজনী ছোৱালীয়ে সুমধুৰ সুৰে কীৰ্ত্তন গাই আছিল । ছোৱালীজনী খুব ধুনীয়া আছিল । ছোৱালীজনীয়ে প্ৰসাদ লৈ মন্দিৰৰ পৰা যোৱাৰ পিছত কল্যাণীয়ে পূজাৰীক ছোৱালীজনীৰ বিষয়ে সুধিলে ।

পূজাৰীয়ে কলে, “তুমি এই ছোৱালীজনীক নাজানা নেকি ? মহাজনৰ গাদীত যে হিচাব লিখে, সেই গোবিন্দ পন্তৰে জীয়েক । তেওঁৰ আৰ্থিক অৱস্থা খুব ভাল নহয়, সেয়েহে জীয়েকক বিয়া দিব পৰা নাই। তাইৰ নাম ৰত্না।”

কল্যাণীৰ তেতিয়াই অনুমান হ’ল এই ছোৱালীজনী তেওঁৰ বোৱাৰী হোৱাৰ উপযুক্ত। এই বিষযত কল্যাণীয়ে নিজেই দায়িত্ব লৈ আগবাঢ়ি গ’ল, আৰু এমাহৰ ভিতৰতে ৰবীন্দ্ৰ আৰু ৰত্নাৰ বিয়া সুকলমে সম্পন্ন হৈ গ’ল ।

ৰম্যা দীক্ষিত

যিদিনা ৰত্না শহুৰেকৰ ঘৰলৈ আহিল, তাই প্ৰথমতে শাহুৱেকক প্ৰণাম কৰি কলে, "আপুনি মোৰ ভাগ্য পৰিবৰ্তন কৰোঁতা দেৱী। আপুনি যেনেকৈ কয়, যি কয়, মই সেই কথা পালন কৰিম। ইয়াৰ পিছত আপুনি ৰান্ধনী ঘৰলৈ আৰু যাব নালাগে । আপুনি আৰামেৰে থাকক । আপোনাক সেৱা কৰিবলৈ পালে মই অতি আনন্দিত হম।"

বোৱাৰীয়েকৰ ব্যৱহাৰত কল্যাণী খুব সন্তুষ্ট হ'ল। সেইদিনাৰ পৰা কল্যাণীয়ে অতি আৰামেৰে দিন কটাবলৈ ধৰিলে । বোৱাৰীয়েকেও শাহুৱেকক নিজৰ মাকতকৈও বেচিকৈ আদৰ যত্ন কৰিবলৈ ধৰিলে । শাহুৱেকক সন্তুষ্ট ৰাখিবলৈ বোৱাৰীয়েকে যত্নৰ কোনো ক্ৰুটি কৰা নাই ।

কিন্তু বিয়াৰ ছমাহৰ ভিতৰতে কল্যাণী বেমাৰত পৰিল । বৈদ্যই চিকিৎসা কৰিছে যদিও ভালদৰে ধৰিব পৰা নাই তেওঁৰ বেমাৰ কি ? কল্যাণীয়ে উঠা বহা কৰিবই নোৱাৰে । তেওঁ সকলো সময়তে ভাগৰ অনুভৱ কৰে আৰু যেন তেওঁৰ শৰীৰটো শুকাই গৈছে তেনে অনুমান হয় । দুৰ্বল হোৱা কাৰণে তেওঁৰ কথাই কথাই খং উঠে । বৈদ্যইও তেওঁৰ চিকিৎসা কৰিব নোৱাৰে ।

বৈদ্যই কৈছিল, "তোমাৰ মধুমেহ ৰোগ হোৱা নাই, ৰক্তছাপ বেমাৰো তোমাৰ নাই । তুমি তোমাৰ অবুজন আৰু খিংখিঙীয়া স্বভাৱতো দূৰ কৰিব লাগিব । তোমাৰ হৃদয়ন্ত্ৰ একদম ঠিক আছে । মই বুজিব পৰা নাই তথাপিতো তোমাৰ বুকুখন কিয়া ইমান বেচি স্পন্দিত হৈ থাকে ?"

বৈদ্যৰ কথা শুনাৰ পিছতো কল্যাণীয়ে অসুস্থ অনুভৱ কৰিবলৈ ধৰিলে । এদিন সন্ধিয়া শাহুৱেকে বাহিৰলৈ ওলাবলৈ কষ্ট অনুভৱ কৰি বোৱাৰীয়েক ৰত্নাক কলে, "বোৱাৰী, অনুমান হয় নাতি নাতিনীৰ মুখ নেদেখাকৈয়ে মই মৰিম যেন পাইছো । সেইটো মোৰ ভাগ্যত লিখাই নাই কিজানি।" এইবুলি কৈ মনৰ দুখ প্ৰকাশ কৰিলে ।

সেইদিনা ৰাতিয়ে ৰত্নাই চকুপানী টুকি গিৰিয়েক ৰবীন্দ্ৰৰ আগত সেই কথাটো কলে, আৰু কলে, "মা কিমান সুস্থ আছিল । নাজানো তেওঁৰ কি হ'ল । মাৰ এই অৱস্থা দেখি মোৰ কলিজাটো দুখতে ভাঙি যায় । কালিয়েই মাক চহৰলৈ লৈ গৈ ভাল ডাক্তৰক দেখুৱাই আনা।"

তাৰ পিছদিনা ৰবীন্দ্ৰই মাকক লৈ চহৰলৈ গ'ল । সেইদিনা আবেলি ৰত্নাৰ ডাঙৰ পেহীয়েকৰ পুতেক ৰাজা, ৰত্নাহঁতৰ ঘৰলৈ আহিছিল । ৰত্নাই ৰাজাৰ আগত কান্দি কান্দি শাহুৱেকৰ বেমাৰৰ বিৱৰণ দি কলে, "ভগবানে নকৰক, যদি মোৰ শাহু আইৰ কিবা হয়, তেতিয়াহলে মই জীয়াই থাকিব নোৱাৰিম ।"

ৰাজাই কলে, "মই কাম এটাত চহৰলৈ গৈছিলো । ঘূৰি অহাৰ সময়ত তোৰ কথা মনত পৰিল, সেয়েহে তোৰ ইয়াত সোমালো । তোৰ শাহু আৰু পতিদেৱতা চহৰৰ পৰা ঘূৰি অহাৰ

পিছত পুনৰ আহিম বাৰু । তেওঁৰ বেমাৰ ভাল কৰাৰ বাবে চেষ্টা কৰিম ।” এইবুলি কৈ তেওঁ গুচি গ’ল ।

দুদিন পিছত কল্যাণী আৰু ৰবীন্দ্ৰ চহৰৰ পৰা উলতি আহিল । তাৰ ডাক্তৰে কল্যাণীক সকলো ধৰণৰ পৰীক্ষা কৰি কৈ দিলে যে তেওঁৰ কোনো ধৰণৰ বেমাৰ নাই ।

সেইদিনা সন্ধিয়া যেতিয়া ৰাজা ৰত্নাহতৰ ঘৰলৈ আহিল, ৰত্নাই তেওঁক মিনতি কৰি কলে, তেওঁ যেন শাহুৱেকক এবাৰ ভালদৰে পৰীক্ষা কৰি চাই কয় আচলতে তেওঁৰনো কি হৈছে ?

ৰাজাই কল্যাণীৰ হাতৰ সিৰ পৰীক্ষা কৰি ভাও ধৰি কলে, “আপোনাৰ কলিজাটা খুব ধৰফৰ কৰে, আপুনি খুব দুৰ্বল অনুভৱ কৰে নহয় নে?

“সকলো বৈদ্য আৰু ডাক্তৰক মই তাকেই কওঁ, কিন্তু কোনোও মোৰ কথা বিশ্বাস নকৰে।” কল্যাণীয়ে বৰ দুখেৰে কলে । ৰাজাই তেওঁৰ চকু আৰু জিভা চালে আৰু তাৰ পিছত কলে, “আপুনি খুব ভাগৰ অনুভৱ কৰে নহয় নে ? সকলো বস্তুৱে নিৰস যেন লাগে নহয় ? “হয়, পালেঙৰ পৰা নামি চাৰিখোজ আগবাঢ়ি যাবও নোৱাৰো, যি বস্তুৱে খাও, সোৱাদ নালাগে ।” কল্যাণীয়ে কলে ।

“আপুনি কথাই কথাই ৰাগ কৰে কিজানি আৰু অতি সোনকালে অসন্তুষ্টও হয় কিজানি । এই ৰোগ হোৱা মানুহৰ এনে অভ্যাস হয়েই ।” ৰাজাই কলে ।

কেৱল হাতৰ সিৰ পৰীক্ষা কৰি কল্যাণীৰ বেমাৰৰ লক্ষণৰ কথা কৈ দিয়া বাবে কল্যাণীয়ে আচৰিত হৈ ৰাজাৰ মুখৰ ফালে চাই থাকিল । তেওঁ ৰাজাৰ প্ৰশংসা কৰি কলে, “তুমি মোৰ বেমাৰৰ বিষয়ে এনেদৰে ঘপাঘপ কৈ দিলা যেন তুমি এই বিষয়ে আগতে পঢ়ি লৈছা । বাচা, সেই ওজা, ডাক্তৰবোৰে কয় মোৰ একো বেমাৰ নাই বুলি ।”



ৰজাই মোনাৰ পৰা এটা ধুনীয়া টেমা উলিয়াই সেইটো কল্যাণীৰ হাতত দি কলে, “ইয়াৰ ভিতৰত চূৰ্ণ আছে । প্ৰতিদিন এই চূৰ্ণ খোৱাৰ পিছত এচামোচকৈ খাব । মনত ৰাখিব কেৱল এচামোচকৈ হে খাব । ইয়াৰ লগে লগে কিছু ব্যায়ামো কৰিব লাগিব । ঘৰৰ পিছফালৰ শাকনি বাৰীত পানী দিব । শিৱ মন্দিৰলৈ যোৱাৰ সময়ত লাহে লাহে নহয়, বেগাই খোজ কাঢ়িব। আপোনাৰ ৰোগৰ সকলোবোৰ লক্ষণ এসপ্তাহৰ ভিতৰতে নোহোৱা হৈ যাব ।”

কল্যাণীয়ে ৰজাই দিয়া চূৰ্ণখিনি নিয়ম মতে খাই থকিল । ইয়াৰ লগতে তেওঁ যিবোৰ কাম কৰিবলৈ দিছিল ঠিক সেইদৰেই কৰি থাকিল ।

ৰাজাই ৰবীন্দ্ৰক শিকাই দিয়া মতে এদিন তেওঁ মাক কল্যাণীক কলে, “মা, ৰত্নাই ৰন্ধা আঞ্জা তৰকাৰী মই একদম সোৱাদ নাপাওঁ । ভালদৰে ৰান্ধিব নাজানে । একোৱে খোৱাৰ যোগ্য নহয়। প্ৰতিদিন অন্ততঃ তুমি এসাজ ৰান্ধিবা । তোমাৰ হাতেৰে ৰন্ধা আঞ্জাৰ সোৱাদেই বেলেগ । তৃপ্তি লগাই খাব পাৰি ।”

পুতেকৰ কথাত সন্তুষ্ট হৈ কল্যাণীয়ে দিনৰ ভাগত ৰন্ধা বঢ়া কৰিবলৈ ললে । দুসপ্তাহ এইদৰে কাম কৰাৰ পিছত কল্যাণীয়ে অনুমান কৰিলে তেওঁৰ যেন স্বাস্থ্য ভালৰ ফালে আহিছে। লালে লাহে তেওঁ সুস্থ হৈ গ'ল । এদিন সন্ধিয়া কল্যাণীয়ে যেতিয়া মন্দিৰলৈ গৈছিল, সেই সময়ত ৰাজা তেওঁলোকৰ ঘৰলৈ আহি ৰত্নাৰ পৰা শাহুৱেকৰ অসুখৰ খবৰ ললে ।

তোমাৰ ঔষধে চমৎকাৰ কাম দিছে । মই যিমান দূৰ জানো তুমিতো বৈদ্য নহয়, তথাপি তুমি ইমান ভাল ঔষধ কেনেকৈ দিলা ? শাহু আইৰ ৰোগ নিৰ্ণয় কেনেকৈ কৰিলা ?

ৰত্নাৰ প্ৰশ্ন শুনি ৰাজাই এটা হাঁহি মাৰি কলে, এইটো সঁচা, মই কোনো ডাক্তৰী শাস্ত্ৰ পঢ়া নাই। কিন্তু মানুহৰ মনোবিজ্ঞান সম্পৰ্কে মই বহুত অধ্যয়ন কৰিছো । ৰোগীৰ ৰোগ দূৰ হবলৈ তেওঁৰ বৈদ্যৰ ওপৰত সম্পূৰ্ণ বিশ্বাস থাকিব লাগিব । তোমাৰ শাহুৱেৰাক মই সেই বিশ্বাস জগাব পাৰিছো । সেয়েহে মোৰ লক্ষ্যত সফল হব পাৰিছো । এতিয়া আহো তেওঁৰ বেমাৰৰ কথালৈ । তেওঁৰ কোনো বেমাৰ নাই । তেওঁৰ ৰোগ মাত্ৰ মানসিক ৰোগ । একমাত্ৰ পুত্ৰক বিয়া কৰাই দিয়াৰ পিছত সাধাৰণতে মাকবোৰৰ এনে বেমাৰ হয়েই । তেওঁলোকে মনতে ভাবে যে ঘৰত এতিয়া তেওঁলোকৰ আৱশ্যকতা অনুভৱ নকৰা হৈছে আৰু তেওঁলোকৰ পুত্ৰ নিজৰ হাতৰ পৰা পিচলি গৈছে ।

এই মনোবেদনাই তেওঁলোকক বেমাৰী আৰু দুৰ্বল কৰি দিয়ে । তেওঁলোকে নিজকে বেমাৰী বুলি ভাবিবলৈ ধৰে ।

মই যি ঔষধ দিছে সেয়েটো কেৱল চেনি মিহলাই দিয়া আটা গুড়ি মাত্ৰ । আগলৈ আৰু শাহুৱেৰাক বিশ্ৰাম লবলৈ নকবা । দুয়ো মিলিজুলি ঘৰুৱা কাম কৰিবা । সকলো বিষয়তে তেওঁৰ পৰামৰ্শ লবা । সকলোতকৈ মুখ্য কথা হ'ল, তেওঁ যাতে অনুভৱ কৰে তোমাৰ বাবে তেওঁৰ উপস্থিতি অতি দৰকাৰ । এই অনুভৱে তেওঁক সদায় সুস্থ কৰি ৰাখিব ।

দুৱাৰৰ আঁৰত থিয় হৈ ৰবীন্দ্ৰই এই সকলোবোৰ কথা শুনি আছিল । তেওঁ ৰাজাৰ ওচৰলৈ আহি কলে, "তোমাৰ কথা সদায় মনত ৰাখিম । মাক যেন তুমি নতুন জন্ম দিলা ।" এইবুলি কৈ ৰবীন্দ্ৰই তেওঁৰ হাতত ধৰিলে ।

৬৪. ধৃতৰাষ্ট্ৰৰ মৃত্যু

মহাভাৰত

ধৃতৰাষ্ট্ৰই অতিথিসকলক অতি আদৰ যত্ন কৰি আহাৰ কৰিবলৈ দিলে আৰু তেওঁলোকৰ থকাৰ বাবেও সুন্দৰ ব্যৱস্থা কৰালে । সেই নিশা পান্ডৱসকলে মাকৰ চাৰিওফালে বাগৰি শুই থাকিল ।

পিছদিনা তেওঁলোকে নাৰী আৰু পুৰোহিতসকলক লগত লৈ ওচৰ পাজৰৰ ঠাইবোৰ চাবলৈ গ'ল । এঠাইত তেওঁলোকে জুই জ্বলি থকা এটা অগ্নি বেদী দেখিবলৈ পাইছিল । তাৰ সম্মুখত বহি বহুতো মুনিয়ে হোমত আহুতি দি আছিল । তাত নানা ধৰণৰ জন্তুয়ে কোনো ভয়-ভীত নোহোৱাকৈ আপোন মনে ঘূৰাফুৰা কৰি আছিল । সেইদৰে বিভিন্ন প্ৰকাৰৰ চৰায়েও তাৰ গছবোৰত বিচৰণ কৰি আছিল । পান্ডৱসকলে সেই আশ্ৰমখন ভালদৰে চালে । তাৰ পৰিৱেশ খুব শান্ত আৰু মনোহৰ আছিল । পান্ডৱসকল তাত থাকি অতি আনন্দিত হ'ল আৰু তেওঁলোক আতায়ে মুনিসকলক বিভিন্ন বস্তু উপহাৰ দিলে । তাৰ পাছত তেওঁলোক পুনৰ ধৃতৰাষ্ট্ৰৰ ওচৰলৈ ঘূৰি আহিল ।

সেই সময়তে মহৰ্ষি ব্যাসেও শিষ্যসকলক লগত লৈ তাত গৈ উপস্থিত হ'ল । তেওঁ গৈ ধৃতৰাষ্ট্ৰক সুধিলে, "ৰাজন, তোমাৰ বাবে বনবাস সুখপ্ৰদ লাগিছে নে ? মই বুজিব পাৰিছো তোমাৰ বাবে ইয়াত কোনো বস্তুৰে অভাব হোৱা নাই !"





ইয়াৰ পিছত ব্যাসে বিদুৰৰ জন্ম ৰহস্যৰ বিষয়ে কলে, "বিদুৰেই বাস্তৱতে যুধিষ্ঠিৰ। মহামুনি মাণ্ডৱৰ শাপৰ কাৰণে যমৰাজে বিদুৰৰ ৰূপত তোমাৰ ভাই হৈ জন্ম লৈছে। সেই যমৰাজে নিজৰ যোগবলৰ দ্বাৰা যুধিষ্ঠিৰৰ সৈতে এক হৈ গ'ল। এয়েই হ'ল বিদুৰৰ জন্ম ধাৰণৰ আচল ৰহস্য। ইয়াৰ নিমিত্তে তেওঁ নিজৰ যোগবল প্ৰয়োগ কৰিছিল।"

পাণ্ডৱসকলে নিজৰ পৰিয়ালৰে সৈতে সেই আশ্ৰমত এমাহ কাল কটালে। ইয়াৰ ভিতৰতে মহৰ্ষি ব্যাস আকৌ এবাৰ সেই আশ্ৰমলৈ আহিল। তেওঁ বহুতো কাহিনী কৈ সকলোৰে মনত আনন্দ দিলে। সেই সময়তে সেই আশ্ৰমলৈ নাৰদ মুনি, পৰ্বত মুনি, দেৱল, বিশ্বাবসু, তুম্বুৰ আৰু চিত্ৰসেনো আহিল। ধৃতৰাষ্ট্ৰৰ অনুমতি লৈ যুধিষ্ঠিৰে সকলোকে আদৰ-আপ্যায়ন কৰিলে। তেতিয়া তালৈ ব্যাস, অন্যান্য অতিথিসকল, পাণ্ডৱ, ধৃতৰাষ্ট্ৰ আদিৰ সৈতে গান্ধাৰী, কুন্তী, দ্ৰৌপদী, সুভদ্ৰা তথা অন্যান্য নাৰীসকলো আহি বহিল। ব্যাসে সকলোৰে আগত প্ৰাচীন মহৰ্ষি, দেৱতা আৰু অসুৰৰ নানা কাহিনী কলে।

এবাৰ ধৃতৰাষ্ট্ৰই মহৰ্ষি ব্যাসক নিজৰ হৃদয়ৰ কথা এইবুলি কলে, "আপুনি অহাৰ বাবে মোৰ জন্ম সফল হ'ল। পৰলোকলৈ মোৰ কোনো ভয় নাই। কিন্তু মোৰ চিন্তা হ'ল মোৰ পুত্ৰসলকৰ দুষ্ট বুদ্ধিৰ কাৰণে পুণ্যাত্মা পাণ্ডৱসকলে অপমান পাব লগা হৈছে।

বহুতো যুৱকৰ যুদ্ধত মৃত্যু হৈছে। মই জানিব পৰা নাই এই যুদ্ধত মৃত্যু হোৱা মোৰ পুত্ৰ তথা নাতিসকলনো কোন লোকলৈ যায়? ৰাতি দিনে এই চিন্তাই মোক আবৰি ধৰি আছে। ইয়াৰ বাবে মোৰ মনটোও অশান্ত।

ধৃতৰাষ্ট্ৰৰ মুখত এই কথা শুনি গান্ধাৰীৰ মনতো দুখ উথলি উঠিল। তেওঁলোকৰ দুখত দুখী হৈ কুন্তী, দ্ৰৌপদী, সুভদ্ৰা তথা অন্যান্য নাৰীসকলেও কান্দিবলৈ ধৰিলে।

গান্ধাৰীয়ে হাত যোৰ কৰি ব্যাসক প্ৰণাম কৰি কলে, "মোৰ পুত্ৰসকলৰ মৃত্যু হোৱা যোল্ল বছৰ হৈ গ'ল। তেতিয়াৰ পৰা মহাৰাজ ধৃতৰাষ্ট্ৰই ৰাতিদিনে তেওঁলোকৰ বাবে বিলাপ কৰি আছে। দ্ৰৌপদীয়ে নিজৰ পুত্ৰ আৰু ভায়েকসকলৰ বাবে কান্দি আছে। সুভদ্ৰাই অভিমন্যুৰ নিমিত্তে

কান্দি আছে। ভূৰিশ্ৰবাৰ পত্নীয়ে নিজৰ পতি, শহুৰ আৰু পুত্ৰসকলক হেৰুৱাই তেওঁলোকৰ বাবে বিলাপ কৰি আছে। আমাৰ পুত্ৰসকলৰ এশজনী পত্নীয়ে ব্যথিত হৈ আছে। এই সকলোলোকৰ দুখ দূৰ কৰিবলৈ কিবা যদি উপায় আছে কওঁক মুনিবৰ।" ব্যাসে কুন্তী দেৱীক সুধিলে- "কোৱাচোন, তোমাৰ মনত কিবা দুখ আছেনে,

আৰু সেই দুখ কাৰ বাবে ?” তেতিয়া কুন্তীয়ে কলে কৰ্ণৰ বাবেই তেওঁৰ মনটোৱে কান্দি আছে।

তেতিয়া ব্যাসে গান্ধাৰীক কলে, “তুমি তোমাৰ পুত্ৰসকল তথা আত্মীয় স্বজনক দেখিবলৈ পাবা। কুন্তীয়ে কৰ্ণক, সুভদ্ৰাই অভিমন্যুক, দ্ৰৌপদীয়ে পুত্ৰ, পিতা আৰু ভাতৃসকলক দেখিবলৈ পাবা । এই চিন্তা মোৰ আগৰ পৰাই আছিল । এতিয়া সেইটো তুমি আৰু কুন্তীয়ে মোৰ মনত জগাই তুলিলা । তোমালাকে কাৰো নিমিত্তে দুখী হোৱাৰ আৱশ্যক নাই । মহাভাৰতৰ যুদ্ধত মৃত্যু হোৱা সকলো লোকেই হয় দেৱতা, নহয় ৰাক্ষস। ধৃতৰাষ্ট্ৰ এজন গন্ধৰ্ব ৰজা । পান্ডু ৰজা মৰুত্তগণৰ সৈতে সম্বন্ধিত । বিদুৰ তথা যুধিষ্ঠিৰ যমৰাজৰ অংশৰ পৰা জন্ম গ্ৰহণ কৰিছে । সেইদৰে দুৰ্যোধন হ'ল কলি, শকুনি হ'ল দ্বাপৰ। দুঃশাসন আদি সকলোৱে ৰাক্ষসৰ অংশৰ ।

ভীম বায়ুৰ অংশৰ, অৰ্জুন নৰ নামৰ এজন মহৰ্ষিৰ অংশৰ, নকুল আৰু সহদেৱ অশ্বিনী কুমাৰৰ অংশৰ, অভিমন্যু চন্দ্ৰৰ অংশৰ, দ্ৰৌপদী তথা ধৃষ্টদ্যুম্ন অগ্নিৰ অংশৰ পৰা জন্ম গ্ৰহণ কৰিছে। শিখণ্ডীয়ে জন্ম গ্ৰহণ কৰিছে ৰাক্ষসৰ অংশৰ পৰা । সেইদৰে বৃহস্পতিৰ অংশৰ পৰা দ্ৰোণাচাৰ্য্যই, শঙ্কৰৰ অংশৰ পৰা অশ্বত্থামাই জন্ম লৈছে । ভীষ্ম হ'ল অষ্টবসুসকলৰ এজন। তোমালোক আতায়ে অনতি বিলম্বে এতিয়াই ভাগীৰথীৰ পাৰলৈ যোৱা । যুদ্ধত মৃত্যু হোৱা সকলো লোককে তাত দেখা কৰাই মই তোমালোকৰ দুখ দূৰ কৰিম ।”

এই কথা শুনি সকলোৰে মন উৎসাহিত হ'ল। লগে লগে সকলোৱে গঙ্গাৰ পাৰলৈ গতি কৰিলে । ধৃতৰাষ্ট্ৰই পাণ্ডৱ, মুনিসকল আৰু অন্যান্যলোকক লগত লৈ আগবাঢ়িল ।



সকলোৱে গঙ্গাৰ পাৰত উপস্থিত হৈ গোটেই দিনটো তাত বিশ্ৰাম ললে । লাহে লাহে সূৰ্য্য অস্ত গ'ল । সকলোৱে স্নান কৰি, সান্ধ্য কাৰ্য্য সমাপ্ত কৰিলে।

ইয়াৰ পাছত সকলোৱে মহৰ্ষি ব্যাসৰ ওচৰলৈ আহিল । তেতিয় মুনি ব্যাসে গঙ্গাৰ পানীত ডুব মাৰি মহাভাৰতৰ যুদ্ধত মৃত্যু হোৱা পাণ্ডৱ তথা কৌৰৱ বীৰসকলক মাতিবলৈ ধৰিলে।

তৎক্ষণাত নদীৰ পাৰত ডাঙৰ কোলাহল শুনা গ'ল । ভীষ্ম, দ্ৰোণ, আদি কৰি বীৰসকল এজন এজনকৈ নদীৰ পৰা পাৰলৈ আহিবলৈ ধৰিলে । বিৰাট, দ্ৰুপদ, অভিমন্যু, ঘটোৎকচ, কৰ্ণ, দুৰ্যোধন আদি বীৰ সকলে যি যি পোচাক পিন্ধি যুদ্ধলৈ গৈছিল সেই বেশেৰে আৰু নিজৰ বাহনত উঠি গঙ্গাৰ পানীৰ পৰা বাহিৰলৈ আহিল। এতিয়া তেওঁলোকৰ মাজত কোনো শত্ৰুতা নাই।

ব্যাসে নিজৰ তপোবলেৰে ধৃতৰাষ্ট্ৰক দৃষ্টি প্ৰদান কৰিলে। গান্ধাৰী আৰু ধৃতৰাষ্ট্ৰই নিজৰ আত্মীয় স্বজন সকলক হেপাহ পলুৱাই চালে। বাকী লোক সকলেও মৃত ব্যক্তি সকলক এইদৰে দেখিবলৈ পোৱাত তেওঁলোকৰ শৰীৰ আৰু মন পুলকিত হৈ উঠিল।

জীৱিত ব্যক্তিসকলে মৃত ব্যক্তিসকলক লগ পাই আনন্দিত হ'ল। সেইদিনা ৰাতি সকলোৱে লগ হৈ অতি আনন্দ মনেৰে গোটেই ৰাতিটো কটালে। ইয়াৰ পিছত মৃত ব্যক্তিসকল যেনেদৰে আহিছিল সেইদৰে গঙ্গাত প্ৰৱেশ কৰি অদৃশ্য হৈ গ'ল। যি মৃত ব্যক্তিয়ে যি লোকৰ পৰা আহিছিল সেই সেই লোকলৈ গুচি গ'ল।

ইয়াৰ পিছত ব্যাস মুনিয়ে কৌৰৱ নাৰীসকলক কলে, "তোমালোকৰ ভিতৰত যদি কোনোবাই নিজৰ পতিৰ সৈতে যাব খোজা তেতিয়াহলে নদীত প্ৰৱেশ কৰা।" তেতিয়া ধৃতৰাষ্ট্ৰৰ সকলো বোৱাৰীয়ে শাহু আৰু শহুৰৰ অনুমতি লৈ গঙ্গাৰ পানীত নামি গ'ল।

এই ঘটনাৰ পিছত ধৃতৰাষ্ট্ৰৰ দুখ সমূলি নোহোৱা হ'ল। তেওঁ অতি প্ৰশান্ত মনেৰে নিজৰ আশ্ৰমলৈ ঘূৰি আহিল। এমাহ ধৰি তাত থকা পাণ্ডৱসকলক ধৃতৰাষ্ট্ৰই সোঁৱৰাই দি কলে যে তেওঁলোক হস্তিনাপুৰলৈ উলতি গৈ ৰাজ কাৰ্য্য চলাব লাগে। যুধিষ্ঠিৰৰ কিন্তু সেই ঠাই ত্যাগ কৰাৰ মুঠেই ইচ্ছা নাছিল। ৰাজ্য শাসন কৰাৰো কোনো ইচ্ছা নাছিল। তেওঁ ৰাজ্য ত্যাগ কৰিবলৈ বিচাৰিছিল।



যুধিষ্ঠিৰৰ দৰে সহদেৱৰ মনতো কুন্তীক এৰি যোৱাৰ ইচ্ছা নাছিল । কিন্তু কুন্তীয়ে তেওঁলোকক হস্তিনাপুৰলৈ উভতি যাবলৈ অনুৰোধ কৰিলে । শেষত উপায়হীন হৈ তেওঁলোক উলতিবলৈ বাধ্য হ'ল । ধৃতৰাষ্ট্ৰই সকলো পাণ্ডৱৰে লগত আলিঙ্গন কৰি বিদায় দিলে আৰু যুধিষ্ঠিৰে সকলোৰে লগত হস্তিনাপুৰলৈ গমন কৰিলে । ইয়াৰ পিছত যুধিষ্ঠিৰক দেখা কৰিবলৈ নাৰদ আহি হস্তিনাপুৰত উপস্থিত হ'ল । যুধিষ্ঠিৰে তেওঁক সকলো প্ৰকাৰ আদৰ যত্ন কৰি কুশল বাতৰি সুধিলে । নাৰদে কলে তেওঁ গঙ্গাৰ পাৰৰ তপোবনৰ পৰা আহি আছে । তেতিয়া যুধিষ্ঠিৰে সুধিলে, "আপুনি ধৃতৰাষ্ট্ৰক দেখা পাইছেনে ? তেওঁ ভালে আছেনে ? গান্ধাৰী, কুন্তী আৰু সঞ্জয় কেনে আছে ?"

ইয়াৰ উত্তৰত নাৰদে যি কলে সেয়া হ'ল, "যুধিষ্ঠিৰ ! তোমালোক তাৰ পৰা উলতি অহাৰ পিছত ধৃতৰাষ্ট্ৰই গান্ধাৰী আৰু কুন্তীৰ সৈতে কুৰুক্ষেত্ৰৰ পৰা গঙ্গা দ্বাৰালৈ গুচি গৈছে । সঞ্জয় তথা যাজক ব্ৰাহ্মণ অগ্নিহোত্ৰকোলৈ গৈছে । গঙ্গা দ্বাৰত ধৃতৰাষ্ট্ৰই বায়ু ভক্ষণ কৰি ছয় মাহ কঠোৰ তপস্যা কৰিলে । গান্ধাৰীয়ে মাথোঁ জলহে গ্ৰহণ কৰে।

কুন্তীয়ে উপবাস ব্ৰত পালন কৰিবলৈ ললে সঞ্জয়ে দিনত এবাৰ হে ভোজন কৰে । ইয়াৰ পিছত ধৃতৰাষ্ট্ৰই কাৰো প্ৰতি মনোযোগ নিদিয়াকৈ বনৰ মাজত ঘূৰি ফুৰিবলৈ ধৰিলে । গান্ধাৰী আৰু কুন্তীয়েও তেওঁৰ পিছে পিছে গৈ থাকিল । এনেতে এদিন ধৃতৰাষ্ট্ৰই গঙ্গাত স্নান কৰি নিজৰ আশ্ৰমলৈ বুলি আহি আছিল, তেতিয়া খুব জোৰে বতাহ বলি আছিল । সেই বতাহতে জুই লাগি চাওঁতে চাওঁতে গোটেই বন আগুৰি ধৰিলে।

জুইশিখা ওচৰ চাপি অহাবুলি জানি ধৃতৰাষ্ট্ৰই সঞ্জয়ক কলে, "সঞ্জয়, তুমি এতিয়াই যিফালে জুই নাই সেইফালে গুচি যোৱা । মই এই জুইতে জ্বলি মৃত্যু বৰণ কৰি উত্তম লোক প্ৰাপ্ত হম । মোৰ এই সিদ্ধান্তৰ কোনো লৰচৰ নহয় । তুমি মোৰ এই অন্তিম আদেশটো পালন কৰিবই লাগিব ।"

সঞ্জয়ে অতি বিনীত হৈ ধৃতৰাষ্ট্ৰক কলে, "মহাৰাজ, আপুনি জুইত পুৰি মৰাতো মই ভাল পোৱা নাই । জুই চাৰিওফালৰ পৰা আগবাঢ়ি আহিছে । এতিয়া কি কৰো ?"

"সঞ্জয়, তপস্বী লোকসকলে বায়ু পানী আৰু অগ্নি-ইয়াৰ ভিতৰৰ যি কোনো এটাৰ দ্বাৰা মৃত্যু বৰণ কৰিবলৈ সাজু থাকে । তুমি আৰু পলম নকৰাকৈ ইয়াৰ পৰা গুচি যোৱা ।" ধৃতৰাষ্ট্ৰই সঞ্জয়ক আদেশ দিলে ।

সঞ্জয়ে ধৃতৰাষ্ট্ৰ, কুন্তী আৰু গান্ধাৰীক ভক্তি

আৰু শ্ৰদ্ধাপূৰ্বক প্ৰদক্ষিণ কৰিলে আৰু তেওঁলোকক যোগসমাধিস্থ হবলৈ কলে । তিনিওজনে তাকেই কৰিলে । তেওঁলোকৰ শৰীৰ শুকান কাঠৰ দৰে হৈ গ'ল । সঞ্জয়ে জুইশিখাৰ মাজৰ পৰা ওলাই আহি গঙ্গাৰ পাৰ পালে আৰু তাতেই নাৰদক দেখা পালে । সঞ্জয়ে নাৰদক এই সকলোবোৰ কথা কৈ হিমালয়লৈ গুচি গ'ল।

এই খবৰ পোৱাৰ পিছত পাণ্ডৱসকলৰ লগত সকলো নগৰবাসী শোকত ডুবি গ'ল । ইয়াৰ পিছত নাৰদে যুধিষ্ঠিৰক বুজালে যে দাবানলৰ কাৰণ হোৱা অগ্নি ধৃতৰাষ্ট্ৰৰ নিজৰে । নিজৰ অগ্নিৰ দ্বাৰা মৃত্যু বৰণ কৰি ধৃতৰাষ্ট্ৰই উত্তম লোকলৈ গ'ল।

যুধিষ্ঠিৰে গঙ্গাৰ পাৰলৈ গৈ মৃত ব্যক্তিসকলৰ বাবে জল তৰ্পণ কৰিলে । পিছত শ্ৰাদ্ধ কৰি বাৰদিনৰ দিনা দান কাৰ্য্য কৰিলে । মহাভাৰতৰ যুদ্ধৰ ওঠৰ বছৰ পিছত ধৃতৰাষ্ট্ৰৰ মৃত্যু হ'ল । তাৰ ভিতৰত অন্তিম তিনি বছৰ তেওঁ বনবাসত কটাইছিল । ধৃতৰাষ্ট্ৰৰ মৃত্যুৰ পিছত আৰু ওঠৰ বছৰ যুধিষ্ঠিৰে ৰাজত্ব কৰিলে । সেই সময়ত তেওঁ এটা ভয়ানক খবৰ পালে । সেইটো হ'ল, এটা যমুদ্গৰৰ বাবে যাদব বংশৰ সকলোৰে মৃত্যু হছে । কেৱল কৃষ্ণ আৰু বলোৰাম হে জীয়াই আছে ।

যুধিষ্ঠিৰে ভাতৃসকলক মাতি আনি সুধিলে, "শুনিবলৈ পাইছো যাদৱসকলে নিজৰ ভিতৰতে যুদ্ধ কৰি মৃত্যু মুখত পৰিছে । আমি এতিয়া কি কৰো কোৱা ?"

যাদৱসকলৰ বিনাশৰ কাৰণ আছিল-- "এবাৰ বিশ্বামিত্ৰ, কণ্ব আৰু নাৰদ মুনি দ্বাৰকালৈ গৈছিল । তেওঁলোক আহা দেখি চাৰণ ইত্যাদি যাদৱসকলে সাম্বুক গৰ্ভৱতী নাৰীৰ বেশত সজালে । তেওঁলোকে মুনিসকলক দেখুৱাই সুধিলে, "এওঁ এজনী গৰ্ভৱতী নাৰী । এওঁৰ পতিয়ে ল'ৰা বিচাৰিছে । আপোনালোকে কওঁকছোন এওঁৰ কি সন্তান হব ?"

ইয়াৰ পিছত মুনিসকলে যোগবলেৰে তেওঁলোকক উপহাস কৰা বুলি জানিব পাৰি এই বুলি উত্তৰ দিলে "এই গৰ্ভৱতী নাৰীৰ গৰ্ভৰ পৰা এটা মুদ্গৰ জন্ম হব ।"

ইয়াৰ পিছত মুনিসকলে কৃষ্ণক দৰ্শন কৰি এই আচল খবৰটো দিলে । কৃষ্ণই এই খবৰ পাই মনতে নিশ্চিত কৰি ললে যে মুনিসকলৰ শাপ অথলে নাযায় । আগত ভয়ঙ্কৰ দিন আহি আছে।

(ক্ৰমশঃ)



ৰাজমহিষীয়ে ৰন্ধা আহাৰ

ৰজা বীৰসেনৰ ৰাজমহিষীৰ নাম আছিল জগদীশ্বৰী দেৱী । দুয়ো প্ৰজাসকলৰ হিতৰ কথা চিন্তা কৰিয়ে জীৱন অতিবাহিত কৰিছিল।

কাতি মাহৰ এক পূৰ্ণিমাৰ দিনা ৰজা আৰু ৰাণী সমুদ্ৰৰ পাৰলৈ ফুৰিবলৈ গ'ল । সেই সমুদ্ৰ তীৰৰ এটা জুপুৰী ঘৰত এহাল মাছমৰীয়া দম্পতিয়ে বাস কৰিছিল ।

সেই সময়ত দুয়ো জুপুৰীৰ বাহিৰত নাৰিকলৰ ৰচীৰে বনোৱা চাৰপাইৰ ওপৰত বহি আহাৰ খাই আছিল । মাছমৰীয়াজনে কেৰাহীৰ পৰা থালত তৰকাৰী বাকি লৈ কলে, "লক্ষ্মী, তুমি নিজ হাতে যি ৰান্ধা সেয়া অমৃত যেন লাগে। মাছেৰে ৰন্ধা এই আঞ্জাখন কিমান যে সোৱাদ হৈছে আৰু এই জিকাৰ তৰকাৰীখন, বাঃ, খালে খাই থাকিবৰে মন যায় ।" তেওঁ পত্নীক প্ৰশংসা কৰি কৈ আছিল । মাছমৰীয়াৰ পত্নীয়ে, গিৰিয়েকৰ প্ৰশংসাত মুগ্ধ হৈ কলে, "অহাকালি তোমাৰ বাবে এনেকুৱা এখন মাছৰ আঞ্জা ৰান্ধিম, যি আঞ্জা এবাৰ খালে তুমি সদায় ৰান্ধিবলৈ কৈ থাকিবা ।" পত্নীৰ কথাত সন্তুষ্টিৰ ভাব আছিল ।

এই দৃশ্যই ৰাণীৰ মনতো প্ৰভাৱ পেলালে। ৰাণীয়ে তেতিয়াই সিদ্ধান্ত কৰি পেলালে যে, তেওঁও আগলৈ নিজে আহাৰ বনাই ৰজাক খুৱাব, যি আহাৰ খাই ৰজা বীৰসেন তেওঁৰ প্ৰশংসাত পঞ্চমুখ হব । পিছদিনা ৰাণীয়ে ৰান্ধনিঘৰৰ পৰা সকলো ৰান্ধনীকে বাহিৰলৈ যাবলৈ কলে । কষ্ট কৰি তেওঁ নিজেই ৰান্ধা বঢ়া কৰিলে । ৰাণীয়ে ৰন্ধা আঞ্জা, ভাত ৰজাক খাবলৈ দিলে ।

ৰজাই ভাত খাবলৈ আৰম্ভ কৰাৰ আগতে ৰাণীয়ে কলে, "জীৱনত প্ৰথমবাৰৰ বাবে মই নিজ হাতে আপোনাৰ বাবা খানা তৈয়াৰ কৰিছো। কেনে সোৱাদ হৈছে আপুনি খাই উঠি কব লাগিব ।"

ৰাণীয়ে বনোৱা খাদ্য ৰজাৰ পেটলৈ গ'ল নে নগল, ৰজাৰ উলিয়াই পেলাবাৰ ইচ্ছা হৈছিল । দালিত যদি নিমখ নাই অন্য এখন তৰকাৰীত জলাই জলা আছিল । ভাজিখন পুৰি ক'লা হৈ গৈছে । খীৰৰ গাখীৰ ফাটি গৈছে ।

কিন্তু ৰাণীক তেওঁ নিৰাশ কৰিব বিচৰা নাছিল, সঁচা কথা কৈ ৰাণীক দুখ দিব খোজা

মীৰ সিংহ

নাছিল । সেয়েহে ৰাণীৰ ৰন্ধাৰ প্ৰশংসা কৰি ৰজাই কলে, "ৰন্ধা বস্তুবোৰ অমৃতৰ সমান সোৱাদ হৈছে । তুমি যে ইমান সুন্দৰ ৰান্ধিব পাৰা মই সপোনতো কল্পনা কৰা নাছিল ।"

ৰজাৰ প্ৰশংসা শুনি ৰাণীৰ মনত আনন্দৰ সীমা নোহোৱা হ'ল । কিন্তু নিজে যেতিয়া খাবলৈ বহিল কোনো আঞ্জাই ৰুচিকৰ যেন নালাগিল । তথাপি ৰাণীয়ে ঠিক কৰিলে যে, যিহেতু তেওঁ ৰন্ধা বস্তু ৰজাৰ খুব ভাল লাগিছে, সেয়েহে কষ্ট কৰি হলেও নিজেই ৰন্ধাবঢ়া কৰিব । তেওঁ ৰজাৰ আগত গৈ কলে, "আজিৰ পৰা ময়েই খোৱা বস্তু বনাম, তাকে আপুনি অমৃত বুলি ভাবি আনন্দ মনে খাব ।"

ৰাণীৰ কথা শুনি ৰজা বৰ বিপদত পৰিল। তেওঁৰ এনে লাগিল যেন গলটো সোপা মাৰি ধৰিছে । সদায় ৰাণীৰ হাতে ৰন্ধা আহাৰ খোৱাৰ কথা কল্পনা কৰি তেওঁৰ ভয় লাগিল। ৰজাই ৰাণীক কলে, "মহাৰাণী, তুমি ইমান কষ্ট কৰাৰ দৰকাৰ কি ?" এইবুলি তেওঁ ৰাণীক বুজাবলৈ চেষ্টা কৰিলে ।

ৰাণীয়ে ৰজাৰ কথা অস্বীকাৰ কৰি কলে, "পতিৰ বাবে খোৱাবস্তু তৈয়াৰ কৰা কামটো পত্নীৰ বাবে কেনেকৈ কষ্টকৰ হব পাৰে ? কোনো ভাৰতীয় নাৰীয়ে এইটো কষ্টকৰ কাম বুলি ভাবিবই নোৱাৰে ।" ৰাণীয়ে স্পষ্ট ভাবে কলে ।

সেইদিনাৰ পৰা ৰজা বিপদত পৰিল । তেওঁ সপোনতো দেখিবলৈ ধৰিলে ৰাণীয়ে নানা ধৰণৰ আঞ্জা ৰান্ধিছে আৰু সেইবোৰ খাবলৈ তেওঁক বাধ্য কৰিছে । এসপ্তাহৰ ভিতৰতে তেওঁৰ জীৱনৰ ওপৰত বিৰক্ত হ'ল ।

এই সমস্যাৰ পৰা হাত সাৰিবলৈ তেওঁ উপায় বিচাৰিলে । কিন্তু কোনো সঠিক পথ তেওঁ বিচাৰি নাপালে । শেষত ৰজাই বিদূষক বলৰামক মাতি আনি কলে, "বলৰাম, ৰাণীয়ে ৰন্ধা খাদ্য খোৱাৰ ভয়ৰ পৰা তুমিয়ে মোক ৰক্ষা কৰিব পাৰা। যি কৰিব লাগে অতি সোনকালে কৰা আৰু মোক এই সমস্যাৰ পৰা বচোৱা ।

"ভয় নকৰিব মহাৰাজ, চক্ৰৱৰ্ত্তীৰ জন্ম দিনৰ উৎসৱত ভাগ লৈ চাৰি পাঁচ দিনৰ ভিতৰতে মই উভতি আহিম । আহিয়েই মই এই সমস্যাৰ কিবা এটা নিষ্পত্তি কৰি আপোনাক ৰক্ষা কৰিম ।" বিদুষকে অভয় দি কলে ।

চক্ৰৱৰ্ত্তীৰ জন্ম দিন আৰু ৰজা বীৰসেনৰ পিতৃৰ শ্ৰাদ্ধ একে সময়তে পৰিছে । এই কাৰণে তেওঁ এতিয়ালৈকে কোনো দিনেৎ চক্ৰৱৰ্ত্তীৰ জন্মদিনৰ উৎসৱত ভাগ লোৱা নাই । কিন্তু এইবাৰৰ উৎসৱত বিশেষত্ব আছে । তেওঁৰ বিয়াৰ পিছত এই প্ৰথম জন্মদিন পালন কৰা হৈছে, সেয়েহে বৰ ধূমধামেৰে আয়োজন কৰিছে । মানুহে কয় চক্ৰৱৰ্ত্তীৰ পত্নী খুব ধুনীয়া ।

উৎসৱৰ চাৰিদিন পিছত বলোৰাম উভতি আহিল । ৰাণী জগদীশ্বৰী দেৱীয়ে তেওঁক অন্তঃপুৰলৈ মাতি নিলে । চক্ৰৱৰ্ত্তীৰ পত্নী কিমান ধুনীয়া ৰাণীয়ে এই কথাটো জানিবলৈ ব্যগ্ৰ হৈ আছিল।

"উৎসৱ খুব ডাঙৰকৈ পাতিছিল নেকি ? শুনিবলৈ পাইছো চক্ৰৱৰ্ত্তীৰ পত্নী বোলে খুব সুন্দৰী। কথাটো সঁচানে ?" ৰাণীয়ে বিদূষকক সুধিলে।

"বিদূষকে ৰাণীক কলে, "সঁচা কথা কবলৈ হলে আপোনাৰ মুখমন্ডলত যি আভা আছে, যি কান্তি আছে, তেওঁৰ মুখত ক'ত আছে ? আপোনাৰ যি সৌন্দৰ্য্য সেয়া জন্মগত, স্বাভাৱিক সৌন্দৰ্য্য। তেওঁৰ সৌন্দৰ্য্যতো অলঙ্কাৰৰ বাবে হোৱা সৌন্দৰ্য্য, যি কৃত্ৰিম। কিন্তু আজিকালি আপুনি বেচি সময় ৰান্ধনি ঘৰতে থাকে। এই অভ্যাসতো আপোনাৰ বাবে সমূলি নতুন। ধোঁৱাৰ কাৰণে আপোনাৰ মুখৰ সৌন্দৰ্য্য কম হৈ যাব ধৰিছে। চকুদুটা ৰঙা ৰঙা যেন দেখা গৈছে আৰু আপোনাৰ ছালৰ ৰঙো কমি আহিব ধৰিছে।

এই কথা শুনি ৰাণীৰ মুখ ম্লান হৈ গ'ল।

ৰন্দা বঢ়া কাম কৰা বাবে তেওঁৰ সৌন্দৰ্য্য কমি আহিব ধৰিছে বুলি জানি ৰাণীৰ মনত বৰ দুখ লাগিল।

বিদূষকে ৰাণীৰ যেন চেহেৰাৰ পৰিবৰ্তন হৈছে এনে ভাবে দেখুৱাই ৰাণীৰ ফালে চাবলৈ ধৰিলে। তেওঁ কলে, "ৰাণী আই, চক্ৰৱৰ্ত্তীৰ পত্নীৰ এটা বৈশিষ্ট্যৰ কথা আপোনাক কবই লাগিব।"

ৰাণীয়ে তৎক্ষণাত সুধিলে, "কি বৈশিষ্ট্য।" উৎসৱৰ সময়ত চক্ৰৱৰ্ত্তী দম্পতিয়ে সকলোৰে লগত বহি একেলগে খালে। চক্ৰৱৰ্ত্তীৰ পত্নীয়ে তাত থোৱা চৌবিছ ধৰণৰ ব্যঞ্জনৰ ভিতৰত পতিৰ ভাল লগা ব্যঞ্জন বিধ নিজে পৰিবেশন কৰিলে। পত্নীয়ে পৰিবেশন কৰা দেখি চক্ৰৱৰ্ত্তীয়ে পত্নীক প্ৰশংসা কৰিবলৈ ধৰিলে, কাৰণ তেওঁ আতাইতকৈ ভালপোৱা ব্যঞ্জনবিধে পত্নীয়ে নিজে পৰিবেশন কৰিছে। মই তাত শুনি আহিছো অন্তঃপুৰৰ মহিলাসকলে বোলে ৰান্ধনি ঘৰৰ ফালেই নাযায়। তেওঁলোকে মাথোঁ আত্মীয় স্বজন আৰু নিজৰ পতিৰ আহাৰ পৰিবেশনৰ কাম হে কৰে।" বিদূষকে কলে।

সেইদিনাৰ পৰা ৰাণীয়ে ৰন্ধা কাম এৰি দিলে। ৰান্ধি থোৱা খাদ্য হে মাথো ৰজাক পৰিবেশন কৰি দিয়াৰ কাম কৰিবলৈ ধৰিলে।

এতিয়া ৰজাৰ কষ্ট দূৰ হ'ল। তেওঁৰ মনত খুব আনন্দ লাগিল। বিদূষকৰ কামত সন্তুষ্ট হৈ ৰজাই বিদূষকক এডাল মুকুতাৰ হাৰ উপহাৰ দিলে।

4
চান্দমামাৰ নিবেদন
অজেয় গৰুড়
চিত্ৰ : পাণি
মুখ্যমন্ত্ৰীৰ পুত্ৰ আদিত্যক চন্দ্ৰপুৰীলৈ মাতি অনা হ'ল আৰু তেওঁ মানুহক হায়বাণ কৰি থকা ডকাইতবোৰক বন্দী কৰিলে । অৰুণাই তেওঁক কলে যে তেওঁৰ পিতাক আৰু অৰুণাৰ পিতাক দুয়োজনৰ একে ৰাতিতে মৃত্যু হৈছিল । অৰুণাই আদিত্যক এখন কিতাপ দিলে । আদিত্যই নিজৰ পিতাকৰ হাতৰ আখৰ চিনিব পাৰিলে । কিতাপখনত গৰুড় আৰু তেওঁৰ মাকৰ কাহিনী আছে । ইয়াৰ পিছত ....
সেইটো কি ? বাতৰি পঢ়া ।
যেতিয়া ৰজা, মন্ত্ৰী আৰু আদিত্যই ডকাইতবোৰৰ চৰ্দাৰক ধৰিবলৈ আঁচনি কৰি আছিল তেতিয়া এটা চিলনীয়ে কাগজৰ নুবা এটা পেলাই দিলে ।
যদি তুমি মোৰ লোকসকলক এৰি নিদিয়া; তেতিয়াহলে গৰুদাদৰী হাবিত ৰবীন্দ্ৰক মৃত অৱস্থাত পাবা ।
মোৰ পুত্ৰ ! কি হব তাৰ ?
ৰজাই কিবা কোৱাৰ আগতে কাঁপিবলৈ ধৰিলে ।
মই আপোনাক কব খোজো মহাৰাজ, যেতিয়ালৈকে ডকাইতৰ চৰ্দাৰে মুক্তভাবে ঘূৰি থাকিব তেতিয়ালৈ আমি সুৰক্ষিত নহয় ।

এনেয়েও সেনাপতিয়ে মোক ভাল নাপায় !
এইটো লাজৰ কথা ! সিহঁতক এৰি দিয়া ! যিকোনো অৱস্থাতে ৰবীন্দ্ৰ সুৰক্ষিত থকাতো বিচাৰো !
আপুনি যেনেদৰে বিচাৰে মহাৰাজ!
সকলো ডকাইতকে এৰি দিয়া হ'ল ।
আদিত্যই ৰবীন্দ্ৰক ৰক্ষা কৰিবলৈ আগবাঢ়ি গ'ল ।
এটা গুহাৰ ভিতৰৰ পৰা আদিত্যই এক ৰহস্যময় শব্দ শুনিবলৈ পালে ।
গুহাৰ দুৱাৰ মুখত ঘোঁৰাত উঠি থকা মুখাপিন্ধা ব্যক্তি এজনক দেখা পালে । তাৰ হাতদুখন পিছফালে বন্ধা আছিল ।

যেতিয়া তেওঁ মানুহজনৰ মুখৰ কাপোৰখন গুচাই দিলে আদিত্যই হাঁহি ৰাখিব নোৱাৰিলে ।
অতি উৎসাহিত ৰবীন্দ্ৰদেৱক আজি বিমৰ্ষ দেখা গৈছিল ।
যদি তুমি নাহিলাহেতেনে তেতিয়াহলেও মই গুণ্ডাবোৰক শেষ কৰিলো হয় ।
পাহাৰী ৰাজ্যখন সম্পূৰ্ণৰূপে জোনৰ পোহৰত ডুবি আছিল । এজন মানুহে বেশ সলাই পহৰা দি আছিল ।
...যেতিয়া গুহাৰ ভিতৰত এখন সভা বহি আছিল ।
এই গৰুড় কোন ?
তেওঁলোকে আমাক কিয় এৰি দিলে ?
ৰামসিংহই গুহাৰ বাহিৰলৈ আহি গোপনে সেই ৰহস্যময় মানুহজনৰ পিছ ললে ।
তোমাক ধন্যবাদ । আমি মুক্ত হলো । কিন্তু তুমি কোন ?
তুমি মুখ্যমন্ত্ৰীৰ দেহৰক্ষী নাছিলা নে ?
তোমালোকে এইটো ভাবি চোৱা নাই নে তোমালোকে যি কৰি আছা সেইয়া আইন বিৰুদ্ধ ?

এইটো সঁচা যে মই তেওঁৰ দেহৰক্ষী আছিলো । মই সেনাপতিৰ ভীৰু স্বভাৱ দেখিছো । মই লুকাব লগা হৈছিল, নহলে মোক তেওঁ মাৰি পেলালে হেতেন ।
হয়, কৈ যোৱা!
ৰবীন্দ্ৰই মানুহবোৰক লুট কৰি আছিল । তেওঁৰ কষ্টৰ কোনো সীমা নাছিল । সেয়েহে আমি বিদ্ৰোহত নামি গলো ।
তুমি ডাঠি কব পাৰিবানে যে সেনাপতিয়েই মুখ্যমন্ত্ৰীক মাৰিছে ?
সেনাপতিয়ে ৰজাৰ কক্ষত প্ৰৱেশ কৰিছে । ওচৰ পোৱাৰ আগতে তেওঁ ভৰিৰ শব্দ শুনিবলৈ পালে । সেইজন মুখ্যমন্ত্ৰী আছিল । তেওঁ তেওঁলোকৰ কথা শুনিবলৈ লুকাই আছিল ।
মহাৰাজ, মানুহবোৰৰ ভয় আছে তেওঁলোকে ৰবীন্দ্ৰৰ কাৰ্য্যৰ বিষয়ে আলোচনা কৰি আছে ।
তেতিয়াহলে, সেনাপতিয়ে মুখ্যমন্ত্ৰীক ঘটনাৰ পৰা আঁতৰত ৰাখিবলৈ চিন্তা কৰি আছিল ।
তেতিয়া ৰজাই আদিত্যক পঠালে । তেওঁ আমাৰ পৰিকল্পনা অসফল কৰি দিলে । কিন্তু তেওঁ নিৰ্দোষী । বলা মোক যাবলৈ দিয়া ।
ৰামসিংহ!
নিজৰ নাম শুনি তেওঁ এটা হাঁহিমাৰি চেহেৰাটো চাবলৈ ঘুৰিলে ।
(ক্ৰমশঃ)

ভাৰতৰ বিষয়ে জানি লোৱা

প্ৰশ্নাৱলী

৫ জুনৰ বিশ্ব পৰিৱেশ দিৱস উপলক্ষে এই মাহৰ প্ৰশ্নাৱলী যুগুত কৰা হৈছে । এইবোৰ প্ৰকৃতি, ভূগোল আৰু পৰিৱেশ সম্বন্ধীয় আৰু ইয়াৰ লগতে ভাৰতৰ বিষয়েও আছে । ইয়াৰ উত্তৰ বিচাৰি উলিয়া ।

১. ভাৰতৰ আতাইকৈ দীঘল নদী কোনটো ?

২. কোনটো নদীক আগতে বিতস্তা নামেৰে জনা গৈছিল ?

৩. ভাৰতৰ ওখ পৰ্বতশৃঙ্গৰ নাম হ'ল গডউইন অষ্টিন । পৰ্বত আৰোহীসকলে ইয়াৰ অন্য এটা নাম কয় । সেই নামটো কি ?

৪. ভাৰতৰ দ্বিতীয় উচ্চতম পৰ্বত শৃঙ্গঁটোৰ নাম কি ?

৫. জাতীয় বন নীতি মতে, গোটেই স্থলভাগৰ ন্যূনতম শতকৰা এটা ভাগ বনাঞ্চল থাকিব লাগে । সেই ন্যূনতম ভাগটো কিমান ?

৬. কোনখন ৰাজ্যত আতাইতকৈ কম বনাঞ্চল আছে ?

৭. প্ৰজেক্ট টাইগাৰ কেতিয়া আৰম্ভ কৰা হৈছিল ?

৮. নল সৰোবৰ ক'ত ? তাত তুমি কি দেখা পাবা ?

৯. কেতিয়া আৰু ক'ত ভাৰতৰ কয়লা খনি আৰম্ভ কৰা হৈছিল ?

১০. কয়লা উৎপাদনত পৃথিবীৰ ভিতৰত ভাৰতৰ স্থান কিমান ?

১১. পৃথিবীৰ ভিতৰত কোনবিধ খনিজ পদাৰ্থ ভাৰতত অধিক মজুত আছে ?

১২. নেচনেল মিউজিয়াম অফ নেচাৰেল হিষ্টৰি চাবলৈ কলৈ যাব লাগিব ?

১৩. আৰৱলী পৰ্বতমালা কোনখন ৰাজ্যত আছে ?

১৪. কোনটো নদীৰ ওপৰত হিৰাকুদ প্ৰকল্প নিৰ্মাণ কৰা হৈছে ?

১৫. এইটো অলপতে জনা গৈছে যে, মহিশূৰৰ কোলাৰ সোণৰ খনিটো বন্ধ কৰি দিয়া হব ? এই খনিটোত কেতিয়া কাম আৰম্ভ কৰিছিল ?

(উত্তৰ অহা মাহত)

জুন মাহৰ প্ৰশ্নাৱলীৰ উত্তৰ

১. চি.এস.এণ্ড্ৰুজ ।

২. ড়ঃ এনি বেচেন্ট । তেওঁ থিয়চফিকেল চোচাইটিৰ সভাপতি আছিল ।

৩. চাৰ উইলিয়াম জোন্‌চ; তেওঁ কালিদাসৰ শকুন্তলাৰ প্ৰথম ইংৰাজী অনুবাদ কৰিছিল।

৪. লা মাৰ্টিনাৰ ।

৫. মেডেলিন শ্লেড-এ মীৰা বেন নাম লৈছিল ।

৬. মাদাৰ টেৰেছা ।

অযোগ্য

প্ৰাচীন কালত কলিঙ্গ দেশত বীৰসিংহ্ নামৰ এজন ৰজা আছিল । তেওঁৰ এবাৰ খুব ভয়ানক ছালৰ বেমাৰ হৈছিল । বহুতো চিকিৎসা কৰিও তেওঁ কোনো ফল নাপালে, বৰং বেমাৰ বাঢ়িহে গ'ল । এদিন ৰাজবৈদ্যই কলে, "মহাৰাজ, ইয়াৰ একমাত্ৰ চিকিৎসা হ'ল কোনো অযোগ্য লোকৰ তেজ আপোনাৰ দেহত মালিচ কৰিব লাগিব, নহলে এই বেমাৰ ভাল নহব ।"

তেতিয়া ৰজাৰ সৈনিকে গোটেই দেশখন বিচাৰি বিচাৰি এজন অযোগ্য লোকক ধৰি আনিলে । তাৰ নাম হ'ল অষ্টাবক্ৰ । সি কোনো কাম নাজানিছিল । সেইবাবে তাৰ মাক পিতাকে তাক ভাল নাপাইছিল । এদিন তেওঁলোকে অষ্টাবক্ৰক বিক্ৰী কৰি দিলে ।

ৰজাৰ সম্মুখতে সৈনিকে যেতিয়া অষ্টাবক্ৰক বধ কৰিবলৈ সাজু হ'ল, তেতিয়া সি এটা অট্টহাঁহি মৰি কৈ উঠিল- "ইয়াৰ মানে এয়ে যে মই অযোগ্য নহয় । মোৰ তেজত থকা ঔষধি গুণ এই পৃথিবীৰ ভিতৰত আৰু কতো নাপাবা ।"

এই কথা শুনাৰ পিছত ৰজাই অষ্টাবক্ৰক মুক্ত কৰি দিলে । ৰাজবৈদ্যৰ চিকিৎসাত অসন্তুষ্ট হৈ ৰজাই অন্য চিকিৎসকৰ দ্বাৰা বেমাৰ চিকিৎসা কৰালে ।



জয়ী কোন ?

মগধ ৰজাৰ দীগৰাকী ৰাণী আছিল । দুয়োজনী ৰাণীয়ে একেদিনাই একে ক্ষণতে এজন এজন পুত্ৰ জন্ম দিলে । ৰজা ৰাণী মিলি এজনৰ নাম ৰাখিলে অমৰ সিংহ আৰু আনজনৰ নাম ৰাখিলে জয় সিংহ ।

ৰূপে, গুণে, বিদ্যাই বুদ্ধিয়ে দুয়োজন ৰাজকুমাৰেই সমান । এজন আন জনতকৈ কোনো ক্ষেত্ৰতে কম নাছিল । যুদ্ধ বিদ্যাতো দুয়োজন ৰাজকুমাৰেই সমানে পাৰ্গত আছিল।

কিন্তু দুয়োজনৰ মাজত এটা পাৰ্থক্য আছিল । অমৰ সিংহ য'ত অশ্বচালনা আৰু তৰোৱাল যুদ্ধত নিপুণ আছিল তাতে জয় সিংহ হস্তীচালনা আৰু মল্লযুদ্ধত পাৰ্গত আছিল । দুয়ো ৰাজকুমাৰৰ মাজতে অত্যন্ত মিলাপ্ৰীতি আছিল ।

ৰজা লাহে লাহে বুঢ়া হৈ আহিছিল । দুয়ো ৰাজকুমাৰৰ ভিতৰত কাক ৰজা পতা যায় এই লৈ ৰজাৰ মনত ডাঙৰ চিন্তা হৈছিল । দুয়ো ৰাজকুমাৰৰ একেদিনাই জন্ম হৈছে । সেয়েহে ডাঙৰ সৰুৰ প্ৰশ্নই নুঠে । ৰাজ্যখনকো দুভাগ কৰিব নোৱাৰি । সেই কাৰণে তেওঁলোক দুয়োৰে মাজত যোগ্যতাৰ পৰীক্ষা লৈ যিজনে অধিক যোগ্য বুলি বিবেচিত হব তেওঁকে ৰাজ্য ভাৰ দিয়া হব । ৰজা আৰু মন্ত্ৰীয়ে আলোচনা কৰি এই সিদ্ধান্ত ললে । কিন্তু দুয়ো ৰাজকুমাৰৰ ভিতৰত কোন অধিক যোগ্য সেইটো নিৰ্ণয় কৰা তেওঁৰ বাবে সম্ভব নহল ।

ৰজা আৰু মন্ত্ৰীয়ে যে ৰাজসিংহাসনৰ উত্তৰাধিকাৰীৰ বিষয়ে চিন্তা কৰি আছিল এই কথা দুয়ো ৰাজকুমাৰে একেবাৰে নাজানিছিল।

সেই সময়তে কৌশিক দেশৰ ৰাজকুমাৰীৰ স্বয়ম্বৰৰ আয়োজন চলিছিল । এই উপলক্ষ্যে এইটো ঘোষণা কৰা হৈছিল

২৫ বছৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী



যে, স্বয়ম্বৰৰ সময়ত বিবিধ ধৰণৰ বিদ্যাৰ প্ৰতিযোগিতা পতা হব তাৰ ভিতৰত যিয়ে প্ৰথম হব তেওঁৰ লগতে ৰাজকুমাৰীক বিয়া দিয়া হব ।

এই বাতৰি শুনাৰ পিছত ৰজা আৰু মন্ত্ৰীয়ে দুয়ো ৰাজকুমাৰকে স্বয়ম্বৰলৈ পঠোৱাৰ সিদ্ধান্ত ললে । তেওঁলোকৰ বিশ্বাস আছিল স্বয়ম্বৰ সভাতে দুয়োৰে যোগ্যতাৰ পাৰ্থক্য বুজা যাব । পিতাকৰ আদেশ পাই অমৰ সিংহ আৰু জয় সিংহ দুয়ো কৌশিক ৰাজকুমাৰীৰ স্বয়ম্বৰত ভাগ লবলৈ ৰাওনা হ'ল ।

স্বয়ম্বৰলৈ বহুতো দেশৰ ৰাজকুমাৰ আহিছিল । অমৰ সিংহ আৰু জয়সিংহই তেওঁলোকৰ লগত বেলেগ বেলেগ কৈ প্ৰতিযোগিতাত ভাগ ললে । কিন্তু সকলোকে পৰাজিত কৰি দুয়ো সমানে বিজয় প্ৰাপ্ত হ'ল। শেষত যেতিয়া দুয়োৰে মাজত যুদ্ধ হ'ল অশ্বচালনাত আৰু তৰোৱাল যুদ্ধত অমৰ সিংহ বিজয়ী হ'ল, আনহাতে হস্তী চালনা আৰু মল্লযুদ্ধত জয় সিংহ জয়ী হ'ল। এইদৰে দুয়োৰে জয়ৰ সংখ্যাও সমান আছিল।

কৌশিক ৰজাই এইটো সিদ্ধান্ত কৰিব নোৱাৰিলে, এই দুই যুৱকৰ কোনজনৰ লগত তেওঁৰ কন্যাক বিবাহ দিব ।

ৰজাই নিজৰ সিদ্ধান্ত ঘোষণা কৰিবলৈ তিনিদিন সময় বিচাৰিলে আৰু সকলো ৰাজকুমাৰকে নিজৰ নিজৰ ঠাইলৈ পঠাই দিলে । ইয়াৰ পিছত ৰজাই মন্ত্ৰীসকলৰ লগত পৰামৰ্শ কৰি ঢোলপিটি শুনাই দিলে যে, যি যুৱকে অমৰ সিংহ আৰু জয়সিংহৰ কোন

অধিক যোগ্য কৈ দিব পাৰিব তেওঁৰ লগতে ৰজাৰ দ্বিতীয়জনী কন্যাক বিবাহ দিয়া হব আৰু আধা ৰাজ্য দিয়া হব ।

এই ঘোষণাৰ পিছদিনা এজন মুনিয়ে শিষ্য এজনক লগত লৈ ৰাজ দৰবাৰলৈ আহি কলে, “মহাৰাজ, আপোনাৰ কন্যাৰ বিবাহক লৈ যি সমস্যা উদ্ভব হৈছে সেয়া মোৰ শিষ্যই সমাধান কৰিব পাৰিব।”

ইয়াৰ পিছত মুনিৰ শিষ্যই ৰজাক এইবুলি কলে, “মহাৰাজ, অমৰ সিংহ অশ্ব চালনা আৰু তৰোৱাল যুদ্ধত জয় সিংহতকৈ আধিক যোগ্যতা অৰ্জন কৰিছে, কিন্তু হস্তীচালনা আৰু মল্লযুদ্ধত পৰা নাই ।

এজন হাতীৰ ওপৰত থকা তৰোৱালবিহীন বীৰৰ তুলনাত অশ্বাৰোহী তৰোৱাল থকা বীৰ এজন অধিক যোগ্য নহয় নে ? ইয়াৰ বাহিৰেও ঘোঁৰা হাতীকৈ বেগাই যাব পাৰে । হাতীত উঠি যুদ্ধ কৰা বীৰ এজনে আশ্বাৰোহী তৰোৱালধাৰী বীৰ এজক কোনো অৱস্থাতে পৰাজয় কৰিব নোৱাৰে । কিন্তু হাতীৰ ওপৰত থকা মল্লবীৰ এজনক অশ্বাৰোহী তৰোৱালধাৰী বীৰ এজনে সহজতে পৰাজয় কৰিব পাৰে । সেয়েহে জয়সিংহৰ তুলনাত অমৰ সিংহ অধিক যোগ্য ।”

এই যুক্তি সকলোৱে মানি ললে । ৰজাইও এইটো ভাবি আনন্দিত হ'ল যে তেওঁৰ সমস্যা সমাধান হ'ল ।

ইয়ৰ পিছত মুনি আৰু তেওঁৰ শিষ্যই ছদ্মবেশ গুচাই আচল ৰূপত দেখা দিলে। মুনিৰ বেশত অহা জন আছিল অমৰ সিংহ আৰু শিষ্যৰ বেশত আহিছি জয় সিংহ ।

কৌশিক ৰজাই কন্যা দুজনীক দুই ৰাজকুমাৰৰ লগত বিয়া দিলে আৰু ঘোষণা কৰামতে জয়সিংহক আধা ৰাজ্য দিলে ।

ইয়াৰ লগে লগে মগধ ৰজাৰো সমস্যা সমাধান হ'ল । মগধ ৰজাই অমৰ সিংহক ৰাজ সিংহসনত বহুৱালে ।



বাক্যত প্ৰকাশ কৰা

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা ।
ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,
৮২, ডিফেন্স আফচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব । পুৰস্কাৰ পাওতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব !

অভিনন্দন

মে সংখ্যাৰ পুৰস্কাৰ বিজয়ী
কৃশানু ডেকা
গাওঁ - নখেতি, পোঃ - কমাৰকুছি
জিলা - নলবাৰী, অসম

বিজয়ী বাক্য

খেলো মই প্ৰকৃতিৰফুলেৰে ।
খেলো আমি কৃত্ৰিম পুতলাৰে ।

চান্দমামাৰ বছৰেকিয়া বৰঙণি

সাধাৰণ ডাকযোগে ভাৰতত ১২০.০০ টকা

Payment in favour of CHANDAMAMA INDIA LIMITED. For details address your enquiries to:
New 82 (old 92), Defence Officers' Colony, Ekkatuthangal, Chennai - 600 097.

Are you a fan of Garuda, the masked hero with magical powers?

Enjoy the exciting exploits of Garuda!



Don't miss the Garuda comics in Chandamama anymore!
Subscribe to Chandamama today!

Chandamama Annual Subscription within India Rs. 120/-
Send your remittances by DD or MO favouring CHANDAMAMA INDIA LIMITED, to
No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097.
E-mail : subscription@chandamama.org

Mudra:NC:4220:01